# প্ৰথম অধ্যায় - সমাজ বিজ্ঞানৰ প্ৰকৃতি

## গঠন


*১.০ পাতনি*

*১.১ শিক্ষণ উদ্দেশ্য*

*১.২ সমাজ বিজ্ঞান ঃ বিকাশ আৰু ধাৰণা*

*১.২.১ সমাজ বিজ্ঞানৰ বিকাশ*

*১.২.২ সমাজ বিজ্ঞানৰ ধাৰণা আৰু সমাজ অধ্যয়নৰ ধাৰণাৰ লগত ইয়াৰ সম্পৰ্ক*

*১.২.৩ উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞান।*

*১.৩ সমাজ বিজ্ঞান ঃ বিভিন্ন যুগত ইয়াৰ স্থিতি*

*১.৩.১ প্ৰাক আধুনিক বিশ্বত সমাজ বিজ্ঞান*

*১.৩.২ আধুনিক আৰু সমসাময়ীক বিশ্বত সমাজ বিজ্ঞান*

*১.৩.৩ ভাৰতীয় সমাজ বিজ্ঞানৰ দৃষ্টিকোণ ঃ বিগত যুগ ধৰি ।*

*১.৪ সমাজৰ বৰ্তমান স্থিতি*

*১.৪.১ লক্ষণীয় নতুন সামাজিক প্ৰত্যাহ্বান সমূহ*

*১.৪.২ পৃথক সমাজ ব্যৱস্থাত সমাজ বিজ্ঞানৰ পৰিসৰ।*

*১.৫ সমাজ বিজ্ঞানৰ অন্তৰ্গত বিষয়সমূহ*

*১.৫.১ সমাজ বিজ্ঞান পৰিয়ালৰ অন্তৰ্গত বিবেচিত বিষয়*

*১.৫.২ বিদ্যালয় পৰ্য্যায়ত নিৰ্দেশনাত্মক সম্পূৰক সমাজ বিজ্ঞান*

*১.৬ সমাজ বিজ্ঞানৰ আন্তঃনিয়মানুৱৰ্ত্তী আৰু সংহতিপূৰ্ণ দৃষ্টিভংগী।*

*১.৬.১ সমাজ বিজ্ঞানৰ আন্তঃনিয়মানুৱৰ্ত্তী দৃষ্টিভংগী*

*১.৬.১ সমাজ বিজ্ঞানৰ সমন্বিত ভূমিকা*

*১.৭ সাৰাংশ কৰো আহক*

*১.৮ শব্দকোষ/ সংক্ষিপ্তকৰণ*

*১.৯ আপোনাৰ অগ্ৰগতি পৰীক্ষাৰ উত্তৰসমূহ*

*১.১০ আনুসংগিক পুথিৰ নিৰ্দেশনা*

*১.১১ অধ্যায়ৰ শেষৰ প্ৰশ্নমালা।*


## ১.০ আৰম্ভণী

সমাজ বিজ্ঞানে ব্যক্তিৰ তেওঁৰ সমাজ-সাংস্কৃতিক পৰিবেশৰ লগত হোৱা সম্বন্ধৰ বিষয়ে অধ্যয়ন কৰে। সমাজ বিজ্ঞান আনুষ্ঠানিকভাৱে অধ্যয়নৰ বিষয় হিচাপে জন্ম লাভ কৰে অষ্ঠাদশ শতিকাত আৰু

(অধ্যয়নৰ পৰিসৰে মূলত-উচ্চ শিক্ষা / বিশ্ববিদ্যালয় পৰ্য্যায়ৰ শিক্ষা পৰ্য্যায় সামৰি লয়) বিংশ শতিকাৰ পৰা ভাৰতকে ধৰি বিভিন্ন দেশৰ স্কুলৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হয়।

## ১.১ শিক্ষণীয় বৈশিষ্ট্যসমূহ-

এই অধ্যায়টো অধ্যয়ন কৰাৰ অন্তত আপুনি জানিবলৈ সমৰ্থ হ'ব-

- ❑ সমাজ বিজ্ঞানৰ বিকাশৰ বিষয়ে বৰ্ণনা।
- ❑ সমাজ বিজ্ঞানৰ ধাৰনা তথা সমাজ অধ্যয়নৰ ধাৰণাৰ লগত ইয়াৰ সম্বন্ধ।
- ❑ উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞানৰ স্থান।
- ❑ পূৰ্ব আধুনিক, আধুনিক আৰু সমকালীন বিশ্বত সমাজ বিজ্ঞানৰ প্ৰচলিত প্ৰকৃতিৰ বাখ্যা।
- ❑ বিভিন্ন স্তৰত সমাজ বিজ্ঞানৰ ভাৰতীয় দৃষ্টিকোণৰ আলোচনা।
- ❑ সাম্প্ৰতিক সমাজৰ সমস্যা আৰু প্ৰত্যাহ্বান সমূহৰ পৰিপ্ৰেক্ষিতত সমাজ বিজ্ঞানৰ স্থান আৰু পৰিসৰৰ বাখ্যা।
- ❑ সমাজ বিজ্ঞানৰ অন্তৰ্গত বিষয়সমূহ নিৰ্ধাৰণ।
- ❑ বিদ্যালয় পৰ্য্যায়ত সমাজ বিজ্ঞানৰ নিৰ্দেশনাত্মক সঁজুলিসমূহ চিনাক্তকৰন।
- ❑ সমাজ বিজ্ঞানৰ আন্ত-বৈষয়িক আৰু সংহতি মূলক দৃষ্টিভংগীসমূহৰ ব্যখ্যা।

## ১.২ সমাজ বিজ্ঞান ঃ বিকাশ আৰু ধাৰণা -

সমাজ বিজ্ঞানে জ্ঞানৰ সেইসমূহ শাখাৰ বিষয়ে অধ্যয়ন কৰে যিয়ে মূলতঃ মানৱ সমাজ আৰু মানৱ সম্বন্ধৰ বিষয়ে আলোচনা কৰে । সমাজ বিজ্ঞানে মানুহৰ সামাজিক আচৰণসমূহ অধ্যয়ন কৰে। মানুহৰ সামাজিক আচৰণৰ বিভিন্ন এৰাব নোৱাৰা উপাদানসমূহ হৈছে- অৰ্থনৈতিক আচৰণ, ৰাজনৈতিক আচৰণ, সাংস্কৃতিক আচৰণ তথা পৰম্পৰা, ৰীতি নীতি, সামাজিক অনুষ্ঠান, ৰাজনৈতিক বিশ্বাস আৰু আদৰ্শ, মূল্যবোধ ইত্যাদি। সমাজ বিজ্ঞানে বিশ্ববিদ্যালয় শিক্ষা বা উচ্চ শিক্ষা তথা স্কুল শিক্ষাৰ পাঠ্যক্ৰমত গুৰুত্বপূৰ্ণ স্থান দখল কৰে। বিশ্ববিদ্যালয় পৰ্য্যায় উচ্চ পৰ্য্যায় বা হাইস্কুল পৰ্য্যায়ত সমাজ বিজ্ঞানৰ বিভিন্ন বিষয় যেনে বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, নৃতত্ত্ব ইত্যাদি আদি শিক্ষাৰ্থীক স্বতন্ত্ৰ বিষয় বা ঐচ্ছিক বিষয় হিচাপে শিকোৱা হয়। বিদ্যালয় বা নিম্ন বিদ্যালয় পৰ্য্যায়ত বিভিন্ন সমাজ বিজ্ঞান বিষয়ক এক নিৰ্দিষ্ট বিষয়ৰ অন্তভূৰ্ক্ত কৰি লৈ শিকোৱা হয় যাক কোৱা হয় সমাজ অধ্যয়ন। এতিয়া আমি সমাজ বিজ্ঞানৰ ধাৰণা আৰু ক্ৰমবিকাশক আলোচনা কৰিবলৈ ওলাইছো।

### ১.২.১ সমাজ বিজ্ঞানৰ বিকাশ

ওঠৰ শতিকাত আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰম হিচাপে বিশ্ববিদ্যালয়, উচ্চ শিক্ষাৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞান অন্তৰ্ভূক্ত হয়। একেদৰে বিংশ শতিকাত বিদ্যালয় আৰু কনিষ্ঠ বিদ্যালয়ৰ পাঠ্যক্ৰমত সমাজ অধ্যয়ন (সমাজ বিজ্ঞানৰ বিভিন্ন বিষয়) একেলগে অন্তৰ্ভূক্ত কৰা হয়।

সমাজ বিজ্ঞানৰ বিৱৰ্ত্তন আৰু বিকাশ বিভিন্ন সামাজিক পৰিবৰ্ত্তনৰ লগত সম্পৰ্কযুক্ত। যেনে-আধুনিকীকৰণ, উদ্যোগীকৰণ, ৰেনেছা বা নৱজাগৰণ, নগৰীকৰণ, বিজ্ঞানৰ বিকাশ ইত্যাদি। ওঁঠৰ শতিকাৰ পিছৰ পৰা মানুহৰ জীৱনধাৰণ প্ৰক্ৰিয়াত বহু পৰিবৰ্ত্তন পৰিলক্ষিত হয়। ওঁঠৰ শতিকাৰ পৰা গোটেই বিশ্বতে আমূল পৰিবৰ্ত্তনৰ সূচনা হয়।

ইটালী আৰু অন্য ইউৰোপীয়ান দেশবোৰত ৰেনেছা, ১৭৮৯ চনৰ ফৰাছী বিপ্লৱ, ১৭৬৭ চনৰ শিল্প বিপ্লৱ, ১৭৭৬ চনৰ আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধ পুঁজিবাদৰ নতুন ধাৰণা, প্ৰাকৃতিক বিজ্ঞানৰ দ্ৰুত বিকাশ ইত্যাদিয়ে বিশ্বৰ সমাজ ব্যৱস্থালৈ সুখ, আনন্দ আৰু সমস্যা দুয়োটা কঢ়িয়াই আনিছিল। উদাহৰণস্বৰূপে বাণিজ্যৰ উন্নয়ন, পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশ, শিক্ষাৰ বিকাশ, স্বাস্থ্য খণ্ডৰ উন্নয়ন অৰ্থনৈতিক দিশৰ উন্নতি, আদি এনেবোৰ পৰিবৰ্তনৰ ইতিবাচক দিশ। আনহাতে নেতিবাচক দিশ হিচাপে আমি সামাজিক জীৱনৰ জটিলতা, সামাজিক বিশৃংখলতা আৰু অস্থিৰতা, ৰাজনৈতিক , বৌদ্ধিক দীনতা, মানুহৰ অত্যাধিক প্ৰতিযোগিতাৰ দৌৰ ইত্যাদি।

এই সমগ্ৰ সমস্যা আৰু প্ৰত্যাহ্বানক পৰ্য্যালোচনা কৰাৰ বাবে সমাজ বিজ্ঞানৰ উত্থান আৰু শিক্ষণ প্ৰক্ৰিয়াত ইয়াৰ অন্তৰ্ভূক্তিকৰণ বিশেষ তাৎপৰ্যপূৰ্ণ।

“আধুনিক সমাজৰ প্ৰকৃতি আৰু বৈশিষ্ট্য সমূহ অনুধাৱন কৰাৰ বাবে অষ্ঠাদশ শতিকাত সমাজ বিজ্ঞান বিষয়টো উদ্ভাৱন কৰা হয়।” (Ross, 1991, P-3) Montesquieu ৰ Spirit of Laws, (1748), Adam Smith ৰ Wealth of Nations (1776), Condorcets ৰ Out Line of an Historical View of the Progress of the Human Kind (1795) আৰু J.G. Herder ৰ Idea Towards a Philosophy of History (1784-91) আদিত সমাজ বিজ্ঞান সম্বন্ধে আলোচনা আগবঢ়াইছে। প্ৰাচীন সমাজ ব্যৱস্থা আৰু আধুনিক সমাজৰ পাৰ্থক্যসমূহ নিৰীক্ষণ কৰি এইসকল সমাজ বিজ্ঞানীয়ে সমাজ বিজ্ঞানে কেনেদৰে বৰ্তমানৰ আধুনিক সমাজক ভৱিষ্যতৰ পৰিপ্ৰেক্ষিতত নিৰ্দেৰ্শনা প্ৰদান কৰিব পাৰে তাক উনুকিয়াই দেখুৱাইছে।

আধুনিকীকৰণ, উদ্যোগীকৰণ, সামাজিক বিকাশ আদিৰ বৃদ্ধিৰ লগে লগে সমাজ ব্যৱস্থাক পংগু কৰি পেলোৱা বিভিন্ন সামাজিক সমস্যাৰ উদ্ভৱ হৈছে। উদ্যোগীকৰণ আৰু আধুনিকীকৰণৰ দ্ৰুত বৃদ্ধিৰ লগে লগে ভিন্ন সামাজিক সমস্যাৰ সৃষ্টি হৈছে। যেনে - বিভিন্ন ৰোগ, সামাজিক মতভেদ, শ্ৰমিক শোষণ ইত্যাদি। আধুনিক বিজ্ঞানে সৃষ্টি কৰিছে মানৱ সভ্যতাৰ ধ্বংসৰ বাবে পৰমাণু বোমা, বিভিন্ন ধ্বংসমূখী আৰু বিপদসংকুল ৰাসায়নিক আৰু আণৱিক বিক্ৰিয়া আদি। বিংশ শতিকাৰ প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধই মানৱ সভ্যতালৈ কষ্ট কঢ়িয়াই আনিছে।

এই দুখন যুদ্ধৰ উপৰিও বিশ্বৰ বিভিন্ন প্ৰান্তত যুদ্ধ সংঘটিত হৈ আহিছে আৰু মানৱ সভ্যতাত এইসমূহে ভয়ংকৰ বেয়া প্ৰভাৱ পেলাইছে। বিজ্ঞানৰ অপব্যৱহাৰ, উদ্যোগীকৰণ, নগৰীকৰণ আদি সমূহে বিশ্বৰ মানৱ সমাজলৈ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। ১৯৩০ ৰ পৰা ১৯৪৯ চনলৈ সংঘটিত হোৱা অৰ্থনৈতিক নিৰাপত্তাহীনতা, ভয়, অবিশ্বাস, সন্দেহ আদি বিশ্বৰ মানুহৰ মাজত সৃষ্টি কৰিছিল। যোৱা এশ বছৰৰ

ভিতৰত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উত্থানে বিভিন্ন ইতিবাচক ফলশ্ৰুতিৰ উপৰিও বহুতো সমস্যাৰো সৃষ্টি কৰি তুলিছে।

সমাজ বিজ্ঞানে বিজ্ঞান, উদ্যোগীকৰণ আৰু আধুনিকীকৰণৰ কু-প্ৰভাৱসমূহ বাধা দিয়াৰ বাবে উন্মেষিত অধ্যয়ন চলায়। ইয়াৰ উপৰিও আধুনিক সমাজৰ সুৰক্ষিত ভৱিষ্যতৰ বাবেও নিৰ্দেশনাত্মক অধ্যয়ন কাৰ্য্য সমাপন কৰে। বৰ্তমান সময়ত দাৰ্শনিক, ৰাষ্ট্ৰনায়ক, বৈজ্ঞানিক, ৰাজনীতিবিদ আৰু বুদ্ধিজীৱি সকলে অনুধাৱন কৰে যে জীৱ বিজ্ঞান বা শৰীৰ বিজ্ঞানতকৈ সমাজ বিজ্ঞানো কোনো গুণে গুৰুত্বহীন নহয়। সাধাৰণ বিজ্ঞানে প্ৰমাণ কৰে কিদৰে এটʼম বোমাৰ শক্তিয়ে এটা মাত্ৰ বিস্ফোৰণতে সমগ্ৰ বিশ্বৰ মানৱ সভ্যতা ধ্বংস কৰিব পাৰে। কিন্তু সমাজ বিজ্ঞানে অধ্যয়ন কৰে যে মানৱ সভ্যতা এনে ধ্বংসাত্মক শক্তিক কিদৰে বাধা দিব পৰা যায়। যিহেতু আধুনিক সমাজ ব্যৱস্থাত সমাজ বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ তাৎপৰ্য্য আছে, গতিকে আধুনিক শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমৰো ই এক উল্লেখযোগ্য উপাদান।

ব্যক্তিৰ মাজত সুস্থ সামাজিক তথা সুনাগৰিকতাৰ গুণসমূহ বিকশাই তোলাৰ বাবে সমাজ বিজ্ঞানৰ অধ্যয়ন গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে আৰু বিংশ শতিকাৰ পৰা বিশ্বৰ বিভিন্ন দেশৰ স্কুলৰ পাঠ্যক্ৰমত সমাজ অধ্যয়ন বা সমাজ বিজ্ঞানক এক নিৰ্দিষ্ট বিষয় হিচাপে অন্তৰ্ভূক্ত কৰা হৈছে।

পিছৰ অধ্যায়সমূহত আপুনি সমাজ বিজ্ঞানৰ বিষয়ে বিশদ আলোচনা তথা বিদ্যালয় আৰু উচ্চ শিক্ষাৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞানক কেনেদৰে সংগঠিত কৰা হৈছে তাক অধ্যয়ন কৰা হʼব।

**সমাজ বিজ্ঞানৰ ধাৰণা আৰু সমাজ অধ্যয়নৰ ধাৰণাৰ লগত ইয়াৰ সম্পৰ্কঃ-**

ধাৰণাত্মক দিশৰ পৰা সমাজ বিজ্ঞান আৰু সমাজ অধ্যয়ন কিছু ক্ষেত্ৰত ইটো আনটোৰ লগত সম্পৰ্ক যুক্ত আৰু কিছু ক্ষেত্ৰত দুয়োটা বিষয়ৰ মাজত পাৰ্থক্য বিদ্যমান ।

এতিয়া দুয়োটা বিষয়ৰ মাজত থকা সম্পৰ্ক আৰু পাৰ্থক্য আলোচনা কৰা হʼবঃ-

সমাজ বিজ্ঞানৰ ধাৰণাঃ-

সমাজ বিজ্ঞান হৈছে জ্ঞানৰ এক অবয়ব যি বৃহৎ সামাজিক-সাংস্কৃতিক ব্যৱস্থাৰ পৰিসৰ মানৱ সম্বন্ধৰ লগত সম্পৰ্কযুক্ত। সমাজ বিজ্ঞানে উচ্চ মাধ্যমিক বিদ্যালয় তথা উচ্চ শিক্ষাৰ পাঠ্যক্ৰমত গুৰুত্বপূৰ্ণ উপাদান সমূহ সংগঠিত কৰে। বিভিন্ন সমাজ বিজ্ঞানৰ বিষয় যেনে বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, নৃতত্ত্ব দৰ্শন, অৰ্থনীতি আদিয়ে স্বতন্ত্ৰ বিষয় হিছাপে মাধ্যমিক বিদ্যালয় তথা উচ্চ শিক্ষাত অন্তৰ্ভূক্ত হয়।

চাল্‌ৰ্চ বিয়াৰ্ড আৰু জেমছ হাইৰ সংজ্ঞাসমূহে সমাজ বিজ্ঞানৰ ধাৰণাৰ তলত দিয়া ধৰণে ব্যক্ত কৰে।

. চাল্‌ৰ্চ বিয়াৰ্ডঃ সমাজ বিজ্ঞান হৈছে জ্ঞানৰ আৰু চিন্তাৰ অবয়ব যিয়ে মানৱ সম্পৰ্কক শিল, তৰা ইত্যাদি ভৌতিক বস্তুৰ পৰা পৃথক কৰে।(S. K Kochhar, The Teaching of Social studies 1984- First Edition)

জেমছ হাইৰ মতে,“ সমাজ বিজ্ঞান হৈছে শিক্ষণ আৰু অধ্যয়ন সেই ক্ষেত্ৰ যিয়ে ভৌতিক আৰু অভৌতিক

সংবেদনাৰ পাৰস্পৰিক আৰু সমকালীন আন্তঃক্ৰিয়াক চিহ্নিত কৰে আৰু যিয়ে সামাজিক প্ৰতিক্ৰিয়া উৎপন্ন কৰে।”

তলত দিয়া দিশসমূহে সমাজ বিজ্ঞানৰ প্ৰকৃতিৰ কথা উনুকিয়াই দিয়ে ঃ—

**১) মানৱীয় গতিবিধিৰ ওপৰত প্ৰত্যক্ষ বিচাৰ ঃ** সমাজ বিজ্ঞান হৈছে জ্ঞানৰ সেইসমূহ উপাদানৰ ওপৰত আধাৰিত যিয়ে বিভিন্ন সামাজিক-সাংস্কৃতিক ক্ষেত্ৰৰ মানৱীয় আচৰণসমূহ প্ৰত্যক্ষ ভাৱে বিচাৰ কৰে।

**২) মানৱ সমাজৰ উন্নত অধ্যয়ন ঃ** সমাজ বিজ্ঞান হৈছে মানৱ সমাজৰ উন্নত পৰ্য্যায়ৰ অধ্যয়ন আৰু ইয়াক উচ্চ শিক্ষাৰ পৰ্য্যায়ত সাধাৰণতে শিকোৱা হয়।

**৩) মানৱ সম্পৰ্কৰ সত্যতাৰ অনুসন্ধান ঃ** সমাজ বিজ্ঞানে মানৱ সম্পৰ্কৰ সত্যতাৰ অনুসন্ধান কৰে যি সামাজিক উপযোগিতা আৰু জ্ঞানৰ উন্নতিত মূখ্যতঃ যোগদান কৰে।

**সমাজ অধ্যয়নৰ ধাৰণা ঃ** ‘সমাজ অধ্যয়ন’ৰ ধাৰণা নতুনকৈ উৎপন্ন। বিদ্যালয় পাঠ্যক্ৰমৰ অংশ হিচাপে পৰিগণিত হোৱাৰ বাবে “সামাজিক অধ্যয়ন” বিষয় বিকশিত কৰা হয়। ১৯১৬ চনত সামাজিক / সমাজ অধ্যয়ন আমেৰিকাত পোন প্ৰথমবাৰৰ বাবে অধ্যয়নৰ বিষয় হিচাপে গ্ৰহণ কৰা হয়। ১৯৩৭ চনত ভাৰতবৰ্ষত গান্ধীজীৰ বুনিয়াদী শিক্ষাত সমাজ অধ্যয়নক প্ৰথমে অন্তৰ্ভূক্ত কৰা হয়।

সমাজ অধ্যয়ন হৈছে একক আৰু সংগঠিত নিৰ্দেশনাত্মক ক্ষেত্ৰ যিয়ে বিভিন্ন বিষয় যেনে - বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি ইত্যাদিক সামৰি লয়। সমাজ অধ্যয়নে সমাজ বিজ্ঞানৰ বিষয়সমূহক অনৰ্থক ভাৱে সংযুক্ত নকৰে বৰং ব্যক্তিয়ে বাস কৰা পৰিবেশৰ লগত থকা তেওঁৰ সম্বন্ধক বুজাৰ উদ্দেশ্যেৰে শিক্ষাৰ্থীসকলক অৰ্থপূৰ্ণ ভাৱে সংহতি স্থাপন কৰাত সহায় কৰে। সমাজ অধ্যয়নৰ মূল উদ্দেশ্য হৈছে- সুস্থ সামাজিক জীৱন-যাপন কৰাৰ দক্ষতা প্ৰদান কৰা।

সমাজ অধ্যয়ন সমাজৰ ব্যৱহাৰিক দিশৰ লগত জড়িত অধ্যয়নৰ বিষয়। সমাজ অধ্যয়ন সম্পৰ্কে জেমছ হাই আৰু জন ভি মিচ্ছেলৰ সংজ্ঞা দাঙি ধৰা হ’ল -

জেমছ হাই ঃ সৰল অৰ্থত সমাজ অধ্যয়ন হৈছে স্কুলৰ দাপোন স্বৰূপ যি সামাজিক বিজ্ঞানৰ বিদ্যায়তনিক অনুসন্ধানৰপৰা উদ্ভাৱিত। সমাজ বিজ্ঞানীসকলে আহৰণ কৰা এনে তথ্যসমূহ সকলো পৰ্য্যায়ৰ শিশুৰ উপযোগীকৈ সংহতিপূৰ্ণ, সৰল আৰু যথোপযুক্তভাৱে প্ৰকাশ কৰিব পৰা বিধৰ কৰি তোলা হয়। (S. K Kochhar, The Teaching of Social Sceince 1984- First Edition)

জন ভি মিচ্ছেল ঃ সমাজ অধ্যয়ন ব্যক্তি আৰু ভৌতিক তথা সামাজিক পৰিবেশৰ লগত তেওঁ কৰা আন্তঃক্ৰিয়াৰ লগত সম্বন্ধযুক্ত, তথা মানৱীয় সম্বন্ধসমূহৰ লগত সম্পৰ্কিত।

সমাজ অধ্যয়নৰ মূখ্য কাৰ্য্য হৈছে শিক্ষাৰ প্ৰধান উদ্দেশ্য- গণতান্ত্ৰিক নাগৰিকত্বৰ বিকাশৰ সৈতে অভিন্ন। (S. K Kochhar, The Teaching of Social studies 1984- First Edition)

সমাজ অধ্যয়নৰ প্ৰকৃতি তলত উল্লেখ কৰা হ’ল ঃ

## প্ৰথম অধ্যায় - সমাজ বিজ্ঞানৰ প্ৰকৃতি

১) সামাজিক-সাংস্কৃতিক পৰিবেশৰ সৈতে মানৱীয় সম্পৰ্কৰ অধ্যয়নৰ লগত সমাজ অধ্যয়ন জড়িত।

২) শিক্ষাৰ্থী সকলৰ মাজত সুস্থ-সামাজিক তথা গণতান্ত্ৰিক বাতাবৰণ গঢ়ি তোলাৰ প্ৰয়াসেৰে সমাজ বিজ্ঞানৰ পৰা উদ্ভৱ হোৱা সমাজ অধ্যয়ন এক নিৰ্দেশনাত্মক ক্ষেত্ৰ যাক স্কুল পৰ্য্যায়ত শিকোৱা হয়।

৩) সমাজ অধ্যয়নে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ মাজত সম্বন্ধ স্থাপন কৰে।

৪) সমাজ অধ্যয়নে ব্যক্তিৰ অতীতৰ বুৰঞ্জীতকৈ মানৱীয় সমস্যাৰ বিষয়ে অধিক গুৰুত্ব দিয়ে।

৫) সমাজ অধ্যয়নে শিক্ষাৰ্থীসকলক তেওঁলোকৰ সমাজ-সাংস্কৃতিক পৰিবেশৰ লগত সমাযোজন কৰাত সহায় কৰে য'ত পৰিয়াল, সমাজ, ৰাষ্ট্ৰ আৰু সমস্ত মানৱীয় সম্পৰ্ক অন্তৰ্ভূক্ত হয়।

৬) সমাজ অধ্যয়ন সমাজৰ বাস্তৱ সন্মত দিশৰ লগত জড়িত।

৭) সমাজ অধ্যয়ন বৰ্তমান এক বিকাশশীল বিষয়। ই অধ্যয়নৰ বিষয়ে বহলোৱাৰ প্ৰয়াস কৰে।

৮) সুস্থ সামাজিক জীৱন গঢ়ি তোলাৰ বাবে বিদ্যালয় পৰ্য্যায়ত সমাজ অধ্যয়ন এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে পৰিগণিত।

**সমাজ অধ্যয়ন আৰু সমাজ বিজ্ঞানৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্য ঃ** সমাজ বিজ্ঞান আৰু সমাজ অধ্যয়ন একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। উভয়ে ইটো আনটোৰ লগত সম্পৰ্কযুক্ত আৰু বহু ক্ষেত্ৰত ইটো আনটোতকৈ পৃথক। আহক উভয়ৰে সাদৃশ্য আৰু বৈসাদৃশ্য সমূহ অধ্যয়ন কৰা যাওঁক —

**<u>সাদৃশ্য ঃ</u>**

১) সমাজ বিজ্ঞান আৰু সমাজ অধ্যয়ন একেটা শ্ৰেণীৰপৰা উদ্ভাৱন হোৱা বিষয়।

২) উভয়ে এক নিৰ্দিষ্ট পাঠ্যক্ৰমৰ আদান-প্ৰদান কৰে।

৩) উভয়ে ব্যক্তিৰ লগত ব্যক্তিৰ সম্বন্ধ আৰু পৰিবেশৰ লগত ব্যক্তিৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰে।

৪) সমাজ বিজ্ঞান আৰু সমাজ অধ্যয়ন উভয়ৰে অধ্যয়নৰ বিষয় মানৱীয় সম্পৰ্ক।

৫) উভয় বিষয়ে ব্যক্তিৰ মৌলিক প্ৰয়োজন পূৰণৰ উদ্দেশ্যে কৰা প্ৰচেষ্টাসমূহ, তেওঁৰ আদৰ্শ আৰু ধাৰণাৰ সৈতে সমন্বয়, জীৱনৰ প্ৰয়োজন সমূহ সংৰক্ষণ কৰাৰ লগতে প্ৰকাশ কৰা তথা প্ৰকৃতি আৰু মানৱ সম্পদসমূহৰ ৰক্ষণাবেক্ষণ দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে।




চিত্ৰ ১.১ ত সমাজ বিজ্ঞান আৰু সমাজ অধ্যয়নৰ কাৰ্যাত্মক সম্পৰ্কৰ বিষয়ে আলোচনা কৰে ঃ—

চিত্ৰ ১.১ - সমাজ বিজ্ঞান আৰু সমাজ অধ্যয়নৰ কাৰ্যাত্মক সম্পৰ্ক
উৎস ঃঃ John Jarolimek ৰ "Social Studeis in Elementary Education" The Mac Millan Company (1959), New Work

**বৈসাদৃশ্য ঃ**

**১) উৎপত্তি ঃ** সমাজ বিজ্ঞান হৈছে সমাজ অধ্যয়নৰ পিতৃ-মাতৃ স্বৰূপ। সমাজ অধ্যয়ন সমাজ বিজ্ঞানৰ পৰা উদ্ভাৱন হোৱা বিষয়।

**২) সম্বন্ধৰ ক্ষেত্ৰ ঃ** সমাজ বিজ্ঞান মানৱ সম্পৰ্কৰ তত্ত্বমূলক দিশৰ লগত জড়িত। আনহাতে সমাজ অধয়ন মানৱ সম্পৰ্কৰ ব্যৱহাৰিক দিশৰ লগত জড়িত।

**৩) বিচাৰ ঃ** সমাজ বিজ্ঞানে সামাজিক উপযোগিতা বিচাৰ কৰে। কিন্তু সমাজ অধ্যয়নে নিৰ্দেশনাত্মক উপযোগিতা বিচাৰ কৰে।

**৪) অভিগমন ঃ** সমাজ বিজ্ঞানে প্ৰাপ্ত বয়স্ক অভিগমনক আগবঢ়াই দিয়ে। সমাজ অধ্যয়নে শিশু সুলভ অভিগমনক আগবঢ়াই দিয়ে।

**৫) অভিগমন ঃ** সমাজ বিজ্ঞানে আদৰ্শমূলক অভিগমনৰ জৰিয়তে অধ্যয়ন কৰে। সমাজ অধ্যয়নে প্ৰয়োগবাদ অভিগমনৰ জৰিয়তে অধ্যয়ন কৰে।

**৬) লক্ষ্য ঃ** বৌদ্ধিক পৰিসীমা বৃদ্ধিৰ বাবে সমাজ বিজ্ঞানে জ্ঞানৰ ওপৰত গুৰুত্ব দিয়ে। সমাজ অধ্যয়নে সমাজৰ ব্যৱহাৰিক সমস্যা সমাধানৰ বাবে জ্ঞান আহৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰে।

**৭) ৰচনা ঃ** সমাজ বিজ্ঞানে বিভিন্ন বিষয় যেনে বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, সমাজতত্ত্ব, নৃতত্ত্ব, অৰ্থনীতি আদিক সাঙুৰি লয়। আনহাতে সমাজ অধ্যয়নে ইয়াৰ বিষয়বস্তু সমাজ বিজ্ঞানৰ বিভিন্ন বিষয়ৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰে আৰু সেইসমূহক তিনি বা চাৰিটা মুখ্য বিষয় হিচাপে নিৰ্ধাৰণ কৰে (বুৰঞ্জী অৰ্থনীতি আদি) আৰু বিদ্যালয় তথা কনিষ্ঠ বিদ্যালয়ত সেইসমূহ শিকোৱা হয়।

**৮) ৰচনাৰ প্ৰকৃতি ঃ** সমাজ বিজ্ঞান বিভিন্ন বিষয়ৰ একত্ৰীকৰণ য'ত প্ৰতিটো বিষয়ৰ স্বকীয় পৰিচয় থাকে আৰু এটাক আনটোৰ পৰা সহজে পৃথক কৰিব পৰা যায়। সমাজ অধ্যয়ন একত্ৰীকৰণতকৈ পৃথক, য'ত সংমিশ্ৰণত নতুনত্ব সৃষ্টি হয়। সমাজ অধ্যয়নৰ বিভিন্ন অংশক এটাক আনটোৰ পৰা পৃথক কৰা কঠিন।

**৯) অধ্যয়নকাৰী ঃ** সমাজ বিজ্ঞানৰ অধ্যয়নকাৰী কম। যিসকলৰ আগ্ৰহ আৰু দক্ষতা থাকে তেওঁলোকেহে এই বিষয় অধ্যয়ন কৰিব পাৰে। সমাজ অধ্যয়নৰ মূল উদ্দেশ্য নাগৰিক প্ৰস্তুতকৰণ। গতিকে সকলোৱে এই বিষয় অধ্যয়ন কৰে।

**১০) অধ্যয়নৰ স্তৰ ঃ** মানৱ সমাজৰ উন্নত অধ্যয়নৰ বিষয় হ'ল সমাজ বিজ্ঞান, যাক মুলতঃ বিশ্ববিদ্যালয় তথা মাধ্যমিক স্কুল পৰ্য্যায়ত শিকোৱা হয়। সমাজ বিজ্ঞানৰ সৰল ৰূপ হ'ল সমাজ অধ্যয়ন, যাক স্কুল তথা কনিষ্ঠ স্কুলত শিকোৱা হয়।

**১১) পৰিসৰ ঃ** সমাজ বিজ্ঞানৰ সমাজ বিজ্ঞানৰ পৰিসৰ কম। যেনে অৰ্থনীতি বিষয় কেৱল অৰ্থনৈতিক

ক্ষেত্ৰৰ কাৰ্যসমূহৰ লগতহে জড়িত। কিন্তু সমাজ অধ্যয়নে ব্যক্তিৰ সামাজিক জীৱনৰ সকলো দিশ সামৰি লয়।

**১২) পৰিসৰ ঃ** বিভিন্ন বিষয় অন্তৰ্ভূক্তিৰ লগে লগে সমাজ বিজ্ঞানৰ পৰিসৰ বৃদ্ধি পায়। আনহাতে সমাজ অধ্যয়ন হ'ল সমাজ বিজ্ঞানৰ অংশ, গতিকে সমাজ বিজ্ঞানৰ তুলনাত পৰিসৰ সীমিত।

**১৩) জটিলতা ঃ** সামাজিক বিষয়বস্তুৰ জটিল অধ্যয়নেই হ'ল সমাজ বিজ্ঞান। আনহাতে সমাজ বিজ্ঞানৰ সৰলীকৃত ৰূপেই হ'ল সমাজ অধ্যয়ন যাক স্কুল আৰু কনিষ্ঠ স্কুলত শিকোৱা হয়।

### ১.২.৩ উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞান

বৰ্তমান সময়ত বিশ্বৰ বিভিন্ন দেশত সমাজ বিজ্ঞান স্কুলৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত। আহকচোন, ভাৰতবৰ্ষৰ স্কুলৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞানৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে আলোচনা কৰা যাওঁক।

ভাৰতবৰ্ষত নিম্ন প্ৰাথমিক স্তৰত (উদাহৰণস্বৰূপে প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ) পৰিবেশ অধ্যয়নৰ পাঠ্যক্ৰমত সমাজ বিজ্ঞানৰ শিক্ষা শিক্ষাৰ্থীসকলক প্ৰদান কৰা হয়। উচ্চ প্ৰাথমিক স্কুলত (উদাহৰণস্বৰূপে ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ) আৰু উচ্চ মাধ্যমিক স্কুল পৰ্য্যায়ত (উদাহৰণস্বৰূপে নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ) পাঠ্যক্ৰমৰ নিৰ্দেশনাত্মক ক্ষেত্ৰ হিচাপে সমাজ বিজ্ঞান শিকোৱা হয় আৰু ইয়াক সমাজ অধ্যয়ন নামেৰেও জনা যায়।

উচ্চ প্ৰাথমিক পৰ্য্যায়ত আৰু উচ্চ মাধ্যমিক স্কুল পৰ্য্যায়ত মুলতঃ তিনিটা বা চাৰিটা নিৰ্দেশনাত্মক বিষয়ক (যেনে- ইতিহাস ভূগোল আদি) লগ কৰি পাঠ্যক্ৰমত সমাজ বিজ্ঞান বা সমাজ অধ্যয়ন বুলি অভিহিত কৰা হয়। স্কুল পৰ্য্যায়ৰ সমাজ বিজ্ঞানৰ নিৰ্দেশনাত্মক উপাদানসমূহৰ বিষয়ে আপুনি এই অধ্যায়ৰ পিছৰ অংশত অধ্যয়ন কৰিব পাৰিব। (অধ্যায় ১.৫.২) উচ্চতৰ মাধ্যমিক পৰ্য্যায়ত (উদাহৰণস্বৰূপে একাদশ আৰু দ্বাদশ শ্ৰেণী) সমাজ বিজ্ঞানৰ বিভিন্ন বিষয় যেনে— ৰাজনীতি বিজ্ঞান, নৃতত্ত্ব, অৰ্থনীতি, মনোবিজ্ঞান ইত্যাদি বিষয় শিক্ষাৰ্থীসকলক ঐচ্ছিক বিষয় বা গুৰু বিষয় হিচাপে শিকোৱা হয়।

উচ্চ প্ৰাথমিক বা মাধ্যমিক পৰ্য্যায়ত সমাজ বিজ্ঞান আৰু সমাজ অধ্যয়নক ব্যাপক দৃষ্টিকোণৰ পৰা বিবেচনা কৰা হয়। উদাহৰণ স্বৰূপে NCF (২০০৫, ৫৩ নং পৃষ্ঠা) য়ে উচ্চ প্ৰাথমিক পৰ্য্যায়ত সমাজ অধ্যয়ন শব্দটো ব্যৱহাৰ কৰিছিল, য'ত Position Paper - Nation Focus Group on Teaching Social Sceince (২০০৬, পৃষ্ঠা নং ৫) য়ে সমাজ বিজ্ঞান বিষয়টো উচ্চ প্ৰাথমিক পৰ্য্যায়ৰ পাঠ্যক্ৰমত ব্যৱহাৰ কৰা হয়। NCERT য়ে প্ৰকাশ কৰা CBSE ৰ উচ্চ প্ৰাথমিক পাঠ্যক্ৰমত 'সমাজ বিজ্ঞান' হিচাপে 'বুৰঞ্জী', 'ভূগোল', 'ৰাজনীতি বিজ্ঞান' আৰু 'সমাজ বিজ্ঞান'ৰ কিতাপ অন্তৰ্ভূক্ত কৰা হয়। সমাজ অধ্যয়ন নতুবা সমাজ বিজ্ঞান যি নামেৰেই নামাকৰণ কৰা নহওঁক কিয় সমাজ বিজ্ঞানৰ শিক্ষণ আৰু শিকনৰ সংকেন্দ্ৰীকৰণ শিক্ষাৰ স্তৰ অনুযায়ী পূৰ্বতে আলোচনা কৰা ধৰণে সলনি হয়। বিদ্যালয় পৰ্য্যায়ত সমাজ বিজ্ঞানৰ শিক্ষণৰ বিষয়বস্তু উচ্চ শ্ৰেণীৰ বিষয়বস্তুতকৈ ভিন্ন হয়। উচ্চ প্ৰাথমিক আৰু প্ৰাথমিক স্কুল পৰ্য্যায়ৰ সমাজ বিজ্ঞানৰ সাধাৰণ লক্ষ্যসমূহ তলত উল্লেখ কৰা হ'ল ঃ

১) শিক্ষাৰ্থীক ভৌগোলিক, সামাজিক আৰু সাংস্কৃতিক পৰিবেশৰ সতে পৰিচিত কৰোৱা।
২) ছাত্ৰ-ছাত্ৰীৰ মাজত সামাজিক প্ৰতিযোগিতা আৰু দায়বদ্ধতা বৃদ্ধি কৰা।
৩) ছাত্ৰ-ছাত্ৰীৰ মাজত গণতান্ত্ৰিক নাগৰিকত্বৰ সজাগতা বৃদ্ধি কৰা।
৪) ছাত্ৰ-ছাত্ৰীৰ মাজত জাতীয়তাবোধৰ ভাৰ , দেশপ্ৰেমৰ ভাৰ জগাই তোলা আৰু আন্তঃৰাষ্ট্ৰীয় বুজাপৰা বৃদ্ধি কৰা।
৫) ছাত্ৰ-ছাত্ৰীক সামাজিক আৰু আৰ্থিক প্ৰতিষ্ঠান সমূহত ভাগ ল'বলৈ সহায় কৰা।
৬) সমাগত সামাজিক সমস্যা আৰু প্ৰত্যাহ্বান সমূহ সমাধান কৰিবলৈ ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষিত কৰোৱা।
৭) ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিক মূল্যবোধ, আৱেগিক ভাৰ আৰু জন্মগত ধাৰণাৰ উৎকৰ্ষ সাধন কৰা।
উচ্চ প্ৰাথমিক পৰ্য্যায়ত

**সমাজ বিজ্ঞানৰ শিক্ষণৰ ওপৰত National Focus Group (2006) ৰ মন্তব্য**

উচ্চ প্ৰাথমিক পৰ্য্যায়ত সমাজ বিজ্ঞান শিক্ষণৰ যথাৰ্থতাবোৰ হ'ল —

- পৃথিৱীখনক মানুহ তথা অন্যান্য জীৱকুলৰ বাসস্থান হিচাপে বুজি পোৱাৰ ক্ষেত্ৰত সহায় কৰা।
- শিকাৰুসকলক নিজৰ অঞ্চল, ৰাজ্য আৰু দেশখনৰ বিশ্বত স্থান নিৰূপন সন্দৰ্ভত দীক্ষা প্ৰদান কৰা।
- শিকাৰুসকলক ভাৰতৰ অতীত গৌৰৱৰ লগতে বিশ্বৰ অন্যান্য প্ৰান্তৰৰ সৈতে সমসাময়িক অগ্ৰগতি সম্পৰ্কে অৱগত কৰোৱা।
- দেশৰ সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠান সমূহৰ কৰ্মপদ্ধতি আৰু গতিশীলতাৰ লগত শিকাৰু সকলক চিনাক্ত কৰোৱা।

এই পৰ্য্যায়ত সমাজ বিজ্ঞানৰ বিষয়ৰ স্থান সম্বন্ধে শিকাওতে বুৰঞ্জীৰ বিষয়বস্তুৰ উপস্থাপন কৰক লগতে ভূগোল, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ সতেও শিকাৰুসকলক পৰিচয় কৰাই দিয়ক। শিকাৰুসকলক লগতে সমসাময়িক আৰু সমকালীন বিষয় সমূহৰ লগত সমস্যা সমূহৰ আভাস দিয়ক। এই ক্ষেত্ৰত দৰিদ্ৰতা, নিৰক্ষৰতা, শিশু আৰু বন্দী শ্ৰমিক, শ্ৰেণী বৈষম্য, জাতিগত ব্যৱধান, লিংগ বৈষম্য আৰু পাৰিপাৰ্শ্বিকতা সম্বন্ধে শিকোৱা উচিত। ভূগোল আৰু অৰ্থনীতিয়ে একেলগে পাৰিপাৰ্শ্বিকতা, সম্পদৰাজি আৰু বিভিন্ন স্তৰত স্থানীয়ৰপৰা বিশ্বায়নলৈ উন্নীতকৰণত সহায়ক হ'ব পাৰে। একেধৰণে বুৰঞ্জী শিকোৱা হ'ব বহলীকৰণৰ (Plurality) ধাৰণা দৃঢ় কৰাৰ ক্ষেত্ৰত শিশুসকলক স্থানীয় ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্য্যায়ত চৰকাৰৰ কাৰ্যাৱলী আৰু গঠন সম্পৰ্কে পৰিচিত কৰোৱা হ'ব আৰু গণতান্ত্ৰিক কাৰ্যাৱলী সম্বন্ধেও আভাস দিয়া হ'ব।

**আপোনাৰ অগ্ৰগতিৰ নিৰূপন কৰক ঃ**

টোকা ঃ তলত দিয়া স্থানত আপোনাৰ উত্তৰ লিখক আৰু এই গোটটোৰ শেষত দিয়া উত্তৰৰ সৈতে ৰিজাই

চাওঁক।

প্ৰশ্ন ঃ ২০০৬ চনৰ 'সমাজ বিজ্ঞান শিক্ষণ' সন্দৰ্ভত Nation Focus Group ৰ ধাৰণা অনুসৰি উচ্চ প্ৰাথমিক পৰ্য্যায়ত সমাজ বিজ্ঞান শিকোৱাৰ যথাৰ্থতা কি?

## ১.৩ সমাজ বিজ্ঞান ঃ বিভিন্ন যুগত ইয়াৰ স্থিতি

প্ৰকৃততে সমাজ বিজ্ঞান অধ্যয়ন নতুন বিষয় নহয়। মানৱ সভ্যতাৰ সৃষ্টিৰ অথবা গঠনৰ প্ৰথম দিনটোৰ পৰাই সমাজ বিজ্ঞানৰ শিক্ষণ আৰম্ভ হৈছে। যুগে যুগে কেনেদৰে সমাজ বিজ্ঞান চৰ্চাই উন্নতিৰ পথ অতিক্ৰম কৰি আহিছে আমি চাওঁ আহক।

### ১.৩.১ প্ৰাক আধুনিক বিশ্বত সমাজ বিজ্ঞান

ওঠৰ / উনৈশ শতিকাত যেতিয়া আধুনিক বিশ্ব আৰম্ভ হৈছিল ইতিমধ্যে প্ৰাক আধুনিক কালে সোতৰ / ওঠৰ শতিকাত আৰম্ভ হোৱা মানৱ সভ্যতাৰপৰা বহুদূৰ বাট অতিক্ৰম কৰি আহিছিল। প্ৰাক আধুনিক বিশ্বই মানৱ সভ্যতাৰ অনেক পৰ্য্যায় ইতিমধ্যে অতিক্ৰম কৰি আহিছিল, যিবোৰক সমূহীয়া চিকাৰৰ কাল, নমেডিক গ্ৰাম্য যুগ, প্ৰস্তৰ যুগ, লৌহ যুগ, নদী উপত্যকা সভ্যতা আৰু ওঠৰ / উনৈশ শতিকাৰ মধ্যযুগীয় সভ্যতা আদি বুলি জনা যায়। মানৱ সভ্যতাই পৃথিৱী ভূমিত খোজ থোৱাৰ দিন ধৰি পৰিয়াল আৰু সমাজ গঠন, সমাজ সম্পৰ্কে বুজি উঠাটো প্ৰয়োজনীয় হৈ উঠিছিল। সেইবাবেই সমাজ বিজ্ঞান অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰিছিল। সেই দিনবোৰত সমাজ বিজ্ঞানৰ অধ্যয়ন পদ্ধতিগত আৰু সংগঠিত ৰূপত হোৱা নাছিল। যিহেতু দিনে দিনে মানৱ সমাজ জটিল হৈ যোৱাৰ লগতে সামাজিক দাবী, প্ৰয়োজনীয়তা আৰু প্ৰত্যাহ্বানসমূহ বাঢ়ি গৈ আছিল। সেয়ে সঠিক ৰূপত সমাজ বিজ্ঞানৰ অধ্যয়নো প্ৰয়োজনীয় হৈ পৰিছিল।

প্ৰচীন আৰু মধ্যযুগীয় বিশ্বত আধুনিক বিশ্বৰ তুলনাত সমাজ বিজ্ঞানৰ প্ৰসঙ্গ প্ৰায় বিৰল আছিল। চক্ৰেটিছ, প্লেট', এৰিষ্ট'টলৰ লগতে বহু জ্ঞানী মনীষীয়ে তাহানিতে সমাজ বিজ্ঞানৰ যথেষ্ট উপস্থাপন কৰিছিল। প্লেট'ৰ 'Republic' আৰু এৰিষ্ট'টলৰ 'Politics' সমাজ বিজ্ঞানৰ ক্ষেত্ৰত উল্লেখযোগ্য কৃতি। সমাজ বিজ্ঞানৰ অধ্যয়নৰ ধাৰণাটো Civil Oath of the Greeks(গ্ৰীচৰ গণ শপত)ত প্ৰথমে সন্নিবিষ্ট হৈছিল। যেতিয়া তেওঁলোকে পৈনত হৈ নাগৰিকত্ব লাভৰ দিশত অগ্ৰসৰ হৈছিল, এটা ৰীতিগত পদ্ধতিৰে অনুষ্ঠান পাতি তেওঁলোকে শপত ল'ব লগা হৈছিল এনেদৰেঃ "আমি আমাৰ চহৰখনলৈ কোনো অসাধু অথবা কাপুৰুষালি কাৰ্যৰ দ্বাৰা অসন্মান মাতি নানো নতুবা আমাৰ সতীৰ্থ সকলে ভুগিব লগীয়া নিৰ্যাতনৰ পৰিবেশৰ সৃষ্টি নকৰো। চহৰ খনৰ পবিত্ৰ আৰু আদৰ্শ সম্পদ সমুহৰ বা বে আমি সদায় যুদ্ধ কৰিম,সেয়া অকলেই হওঁক বা দলবদ্ধ ভাবেই হওঁক। চহৰ খনৰ নিয়ম-কানুনবোৰক আমি মানি চলিম, শ্ৰদ্ধা কৰিম আৰু যিসকলে চহৰখনক অধোমুখ কৰে নতুবা অনিষ্টকাৰী ৰূপত ধৰা পৰে, তেওঁলোকক সমাজৰ পৰা বাতিল কৰিম, সামাজিক চিন্তা ক্ষীপ্ৰতৰ কৰাৰ বাবে বিৰাম বিহীন যুজঁ কৰিম । এইদৰে এই সৰ্বতোপ্ৰকাৰে আমি চহৰখনক শ্ৰেষ্ঠত্বৰ দিশলৈ প্ৰেৰণ কৰিম, অকনো কম কৈ নহয়, বৰং আমি লাভ কৰা চহৰখনতকৈ

অধিক শ্ৰেষ্ঠভাৱে , ভালভাৱে আৰু অধিক সুন্দৰকৈ।" মধ্যযুগীয় আৰু প্ৰাক আধুনিক যুগত সামাজিক মূল্যবোধ অধিক ৰূপত জাগ্ৰত কৰিব পৰা বিষয় যেনে- ধৰ্মীয় অধ্যয়ন, অৰ্থনৈতিক আৰু বাণিজ্যৰ অধ্যয়ন, ৰাজ্যৰ কাম-কাজৰ অধ্যয়ন আদি যথেষ্ট সংখ্যক বিষয়ৰ বহুল ৰূপত প্ৰয়োগ কৰা হৈছিল আৰু এই অধ্যয়ন শিক্ষাৰ এটা অংশ হৈ পৰিছিল।

### ১.৩.২ আধুনিক আৰু সমসাময়িক বিশ্বত সমাজ বিজ্ঞান

আগৰ অধ্যায়বোৰত সমাজ বিজ্ঞানৰ বিকাশ আৰু আধুনিক যুগত তাৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰা হৈছে। সমাজ বিজ্ঞানৰ অধিক পদ্ধতিগত আৰু সঠিক অধ্যয়নৰ বাবে বৰ্তমান যুগটো অধিক উপযুক্ত। যিহেতু বৰ্তমান যুগত নতুন নতুন সামাজিক সমস্যাই প্ৰতিদিনে গা কৰি উঠিছে। একেধৰণে এই সমস্যাবোৰ সমাধানৰ বাবে নতুন নতুন সমাজ বিজ্ঞনৰো সৃষ্টি হৈ আহিছে। এই অধ্যায়ত আগতে উল্লেখ কৰি অহা হৈছে যে সমাজ বিজ্ঞান ১৮ শ শতিকাৰ পৰাই উচ্চ পাঠ্যক্ৰম আৰু বিশ্ববিদ্যালয় পৰ্য্যায়ত অন্তৰ্ভূক্ত হৈ আহিছে আৰু বিংশ শতিকাৰ পৰা বিদ্যালয় পৰ্য্যায়তো অন্তৰ্ভূক্ত হৈছে। বিশেষকৈ দুয়োখন বিশ্ব যুদ্ধৰ পাছত স্কুল পৰ্য্যায়ত সমাজ বিজ্ঞানক যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে আৰু বিশ্বৰ প্ৰায় সকলো অংশতেই ই সন্নিৰিষ্ট হৈছে। বিশ্ব যুদ্ধৰ আগৰ সময়ত UNESCO, UNICEF, UNDP, UNO আদিৰ দৰে শিক্ষাৰ লগত জড়িত আন্তৰ্জাতিক সংস্থাবোৰে পৃথিৱীৰ জনগণৰ মাজত সামাজিক ভাৱে সুস্থ জীৱন যাপনৰ পোষকতা কৰি আহিছে আৰু সমাজ বিজ্ঞানৰ শিক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। Universal Declaration of Human Right (1948) ৰ Act-1 ত থকাৰ দৰে, যিটো United Nation States এ গ্ৰহণ কৰিছে— "সকলো মানুহেই জন্মতে স্বাধীন হৈ জন্মে আৰু মৰ্যাদা আৰু অধিকাৰৰ ফালৰ পৰাও সকলো সমান।" সেইবোৰ যুক্তি আৰু বিবেকৰ দ্বাৰা গুণবিশিষ্ট আৰু ভাতৃত্বৰ মনোভাৱেৰে এজনে আনজনৰ প্ৰতি সামাজিক দায়িত্ব পালন কৰা উচিত। Delorese Commission (1996) এ একেলগে বসবাস কৰাৰ ক্ষেত্ৰত যথেষ্ট শিক্ষা প্ৰদান কৰিছে। ঐকবদ্ধ ভাৱে একেলগে গুণসম্পন্ন জীৱন যাপন কৰি আৰু আধুনিক পৃথিৱীৰ সামাজিক-সাংস্কৃতিক সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত সমাজ বিজ্ঞানে এক তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। তাৰোপৰি ৰাষ্ট্ৰৰ সৃষ্টি আৰু গণতান্ত্ৰিক আৰু সামাজিক চৰকাৰৰ আৰ্হি গঠনৰ ক্ষেত্ৰত বিদ্যালয় আৰু বিশ্ববিদ্যালয় স্তৰত সমাজ বিজ্ঞানৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য হৈ পৰিল, কিয়নো কাৰ্যক্ষম আৰু দক্ষ নাগৰিক সৃষ্টিৰ ক্ষেত্ৰত গণতান্ত্ৰিক আৰু সামাজিক চৰকাৰ গঠনৰ আৰ্হিয়ে যথেষ্ট ভূমিকা গ্ৰহণ কৰে।

### ১.৩.৩ ভাৰতীয় সমাজ বিজ্ঞানৰ যথাৰ্থতা ঃ বিগত যুগৰপৰা

বিগত যুগ যুগ ধৰি ভাৰতীয় শিক্ষা ব্যৱস্থাত সমাজ বিজ্ঞান এক অপৰিহাৰ্য অংশ হৈ আহিছে। নৈতিকতা, আধ্যাত্মিকতা, সামাজিক মূলবোধ, অৰক্ষয় ইত্যাদিয়েই বৰ্তমান আৰু অতীজৰ পৰা বসবাস কৰি অহা লোকসকলৰ পথ পদৰ্শক দৰ্শন হিচাপে কাম কৰি আহিছে। বেদ, উপনিষদ, পুৰাণ, ৰামায়ণ, মহাভাৰত

আদি ভাৰতৰ প্ৰাক ঐতিহাসিক অথবা বুৰঞ্জীৰ প্ৰাৰম্ভিক কালৰ কেতবোৰ ভাৰতীয় ধৰ্মগ্ৰন্থ, যিবোৰে সামাজিক মূল্যবোধ আৰু সুস্থ জীৱন যাপনৰ সূত্ৰ আগবঢ়াই আহিছে। কৌটিল্যৰ অৰ্থশাস্ত্ৰ, পণ্ডিত বিষ্ণুশৰ্মাৰ পঞ্চতন্ত্ৰ আদি পুৰণি ভাৰতীয় গ্ৰন্থৰ কেতবোৰ উদাহৰণ, যিয়ে সমাজ বিজ্ঞানৰ আদৰ্শ আৰু নীতি প্ৰতিষ্ঠা কৰি আহিছে। বৌদ্ধ, জৈন, ইছলামিক অথবা ভক্তি গ্ৰন্থ সমূহকো সামাজিক আৰু সাংস্কৃতিক সম্পত্তি হিচাপে গণ্য কৰিব পাৰি। এই সকলো গ্ৰন্থৰ আঁত ধৰি আমি ক'ব পাৰো যে শিক্ষাৰ ক্ষেত্ৰত সমাজ বিজ্ঞানে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে আৰু এই ধাৰা প্ৰাচীন কালৰ পৰা আধুনিক কাল পৰ্য্যন্ত চলি আহি আছে। কিন্তু ওঠৰ আৰু উনৈশ শতিকাত সমাজ বিজ্ঞানে শিক্ষাৰ ক্ষেত্ৰত প্ৰত্যক্ষ স্থান গ্ৰহণ কৰি উচ্চ আৰু বিশ্ববিদ্যালয় পৰ্যায়ত স্থান লাভ কৰাৰ ক্ষেত্ৰত গান্ধীজীৰ "Basic Education" ৰ নাম নল'লে ভুল কৰা হ'ব। সময়ে সময়ে বিদ্যালয় পৰ্যায়ত সমাজ বিজ্ঞানক কেনেদৰে বিভিন্ন আঁচনি আৰু নীতিৰ যোগেদি উপস্থাপন কৰা হৈছিল তাক পৰীক্ষা কৰো আহক।

১৯৫২-৫৩ চনৰ মাধমিক শিক্ষা সমিতি (The Secondary Education Commission 1952-53) এ কি মন্তব্য আগবঢ়াইছিল ঃ “ভাৰতীয় শিক্ষাত সমাজ বিজ্ঞান তুলনামূলক ভাৱে নতুন বিষয়। সমাজ বিজ্ঞানে বুৰঞ্জী, ভূগোল, অৰ্থনীতি, গাৰ্হস্থ বিজ্ঞান এই আটাইবোৰকে একেলগে সামৰি লয়। গতিকে এই গোটেইবোৰৰ অধয়নক সেইবাবে এক ধৰণৰ সংক্ষেপ সংবদ্ধ (Compact Whale) হিচাপে গণ্য কৰা হৈছিল যাৰ বিষয়বস্তু হ'ল ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ সামাজিক পাৰিপাৰ্শ্বিকতা সম্বন্ধে জাগ্ৰত কৰা, য'ত পৰিয়াল, সম্প্ৰদায়, ৰাজ্য আৰু ৰাষ্ট্ৰ আটাইকে সামৰি লোৱা হয়, যাতে ছাত্ৰ-ছাত্ৰীসকলে বুজিবলৈ সক্ষম হয় কেনেদৰে সমাজখনে বৰ্তমানৰ ৰূপ ধাৰণ কৰিলে আৰু তেওঁলোকে বসবাস কৰি থকা পাৰিপাৰ্শ্বিকতাৰ মূল আধাৰ যাতে অতি বুদ্ধিমত্বাৰে ব্যাখ্যা কৰিব পাৰে।”

1964-66 ৰ The Education Commission এ কি মন্তব্য আগবঢ়াইছে ঃ ছাত্ৰ-ছাত্ৰীক সমাজ বিজ্ঞান পঢ়ুৱাৰ লক্ষ্য হ'ল যাতে ইয়ে ছাত্ৰ-ছাত্ৰীক তেওঁলোক পাৰিপাৰ্শ্বিকতাৰ জ্ঞানৰ উপৰিও মানৱৰ সম্পৰ্ক, লক্ষ্য আৰু মূল্যবোধৰ জ্ঞান প্ৰদান কৰিব পাৰে, যিবোৰে সম্প্ৰদায়, ৰাজ্য, ৰাষ্ট্ৰ আৰু বিশ্বৰ বিভিন্ন কাৰ্য্যত বুদ্ধিমত্বাৰে অংশগ্ৰহণ কৰাটো উপযোগী কৰি তোলে। সমাজ বিজ্ঞানৰ প্ৰণালীবদ্ধ আৰু উপযোগী অধ্যয়ন অতি প্ৰয়োজনীয় যাতে ইয়াৰ দ্বাৰা সৎ নাগৰিক সৃষ্টি কৰাৰ লগতে মননশীল সমন্বয় গঢ়ি উঠে।

The Curriculum For Ten Year School : A Framework of NCERT (1975) ৰ মন্তব্য ঃ পৰিবেশ অধ্যয়নে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত প্ৰাকৃতিক আৰু সামাজিক পৰিবেশক সামৰি লয়। প্ৰাথমিক পৰ্যায়ত সমাজ বিজ্ঞানৰ সলনি সমাজ অধ্যয়ন বুলি নামাকৰণ কৰাটো অধিক যথাযথ হ'ব, কিয়নো যিহেতু ই প্ৰাথমিক পৰ্যায়, বিজ্ঞানে এক বিশাল আৰু নিৰ্দেশাত্মক ক্ষেত্ৰ সামৰি লয়।

National Curriculum For Elementary And Secondary Education 1988

য়ে কি লক্ষ্য কৰিছেঃ সমাজ বিজ্ঞান হয়তো একমাত্ৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰ, যিটো অত্যন্ত ফলপ্ৰসু আহিলা বুলি NEP (1986) য়ে মানি লৈ এক মূখ্য সম্পূৰক (Cou-components) বুলি অভিহিত কৰিছে। NEP ৰ সেই মূখ্য সম্পূৰক সমূহ হ'ল ঃ—

১) ভাৰতীয় স্বাধীনতা আন্দোলনৰ ইতিহাস।

২) সাংবিধানিক দায়িত্ব।

৩) ভাৰতৰ সমূহীয়া সাংস্কৃতিক ঐতিহ্যৰ মূল্য নিৰূপন।

৪) ৰাজনৈতিক সম অধিকাৰ, গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতা।

৫) লিঙ্গৰ সমমৰ্যদা।

৬) পাৰিপাৰ্শ্বিকতাৰ ৰক্ষণাবেক্ষণ।

৭) সৰু পৰিয়াল গঠন আদি।

National Curriculum Frameworks (2005, P-50) ৰ মন্তব্য ঃ সমাজ বিজ্ঞানে সমাজৰ বিভক্ত সম্পৰ্কসমূহক পৰিধিৰ ভিতৰলৈ আনে আৰু বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, সমাজ বিজ্ঞান আৰু নৃতত্ত্ব বিজ্ঞানৰ এক বহল ক্ষেত্ৰ সামৰি লয়। সমাজ বিজ্ঞানৰ ভূমিকা আৰু জ্ঞান এখন শান্তিপ্ৰিয় সমাজ আৰু জ্ঞানৰ আধাৰ ভিত্তিক সমাজ গঠনৰ ক্ষেত্ৰত কেতিয়াও ভাগ কৰিবৰ পৰা নাযায়। ইয়াৰ বিষয়বস্তু সমূহ ছাত্ৰৰ সজাগতা বৃদ্ধি আৰু এটা পৰিচিত সামাজিক বাস্তৱতাৰ·লক্ষ্য নিৰ্ধাৰণ কৰিব পৰাকৈ প্ৰস্তুত কৰিব লাগে। নতুন আয়তন আৰু সম্পৰ্কৰ সম্ভাৱনীয়তা, বিশেষকৈ ছাত্ৰজনৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতা এই ক্ষেত্ৰত বিবেচনা কৰিব লাগে। অৰ্থবহ শিক্ষাৰ বাবে প্ৰয়োজনীয় সম্পদ সমূহ নিৰ্বাচন আৰু সংগঠিত কৰোতে লক্ষ্য ৰাখিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে সমাজক জটিলতাৰে বুজি পোৱাত সমৰ্থতা লাভ কৰিব পাৰে, যিহেতু ই এক প্ৰত্যাহ্বান যুক্ত কাম।

**আপোনাৰ অগ্ৰগতিৰ পৰীক্ষা কৰক**

প্ৰশ্ন ঃ প্ৰাচীন ভাৰতীয় সাংস্কৃতিক-শৈক্ষিক ক্ষেত্ৰত সমাজ বিজ্ঞানৰ স্থান নিৰূপন কৰক।

## ১.৪ সমাজৰ বৰ্তমান স্থিতি

প্ৰাচীন সমাজৰ পৰা ক্ৰমবিকাশ হৈয়েই বৰ্তমান সমাজৰ সৃষ্টি হৈছে। মানুহে অতি জনপ্ৰিয় ভাৱে বৰ্তমান সমাজক আধুনিক অথবা আধুনিকোত্তৰ (Post Modern) বুলি অভিহিত কৰে। বৰ্তমান সমাজে কিছুমান নিৰ্দিষ্ট অবয়ব আৰু বৈশিষ্ট্য আগবঢ়ায় যিবোৰ আগৰ সমাজত কেতিয়াবাহে পোৱা গৈছিল। আনকি প্ৰাচীন, মধ্যযুগীয় আৰু আধুনিকৰ প্ৰাৰম্ভিক পৰ্য্যায়তো দেখা নগৈছিল। বৰ্তমানৰ অসাধাৰণ আৰু প্ৰত্যাহ্বানপূৰ্ণ সমাজৰ কথা আমি আলোচনা কৰিম আৰু এই অসাধাৰণ আৰু প্ৰত্যাহ্বানপূৰ্ণ সমাজত সমাজ বিজ্ঞানৰ ভূমিকাৰ বিষয়েও আলোচনা কৰিম।

### ১.৪.১ লক্ষণীয় নতুন সামাজিক প্ৰত্যাহ্বানসমূহ -

বৰ্তমান সমাজখন একবিংশ শতিকাৰ সমাজ, যিয়ে উন্নতি, পৰিৱৰ্তন, সংকট, প্ৰত্যাহ্বান আদিৰ অভিজ্ঞতাৰে পৰিপুষ্ট। লক্ষণীয় প্ৰচলিত সামাজিক পদ্ধতিত তলৰ বৈশিষ্ট্যসমূহ উল্লেখনীয় ঃ

১) প্ৰচলিত সমাজখন তীব্ৰভাবে জন্ম লোৱা সমাজ, যি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আধাৰত গঠিত।

২) জটিলতা, ভিন্নতা, পৃথকতা আৰু জীৱন চক্ৰৰ ব্যৱধান হ'ল প্ৰচলিত সমাজৰ বৈশিষ্ট্য (অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, ধৰ্মীয় আদি বিষয়)

৩) আধুনিকীকৰণ, ঔদ্যোগীকৰণ, চহৰীকৰণ, বিশেষীকৰণ, স্বয়ংক্ৰীয়কৰণ, গোলকীকৰণ, ব্যক্তিগতকৰণ, উদাৰীকৰণ আদি নতুন নতুন সামাজিক ধাৰণাসূহ হ'ল বৰ্তমানৰ উন্নত সমাজ বিজ্ঞানৰ একো একোটা আহিলা।

৪) গণতন্ত্ৰ, সমাজতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা, স্বাধীনতা, সমতা, ন্যায্যতা, বৈজ্ঞানিক প্ৰমূল্য, ব্যক্তিগত অধিকাৰ, যুক্তিবাদী চিন্তাধাৰা আদি নতুন সামাজিক মূল্যবোৰ হ'ল আধুনিক সমাজ পদ্ধতিৰ ফচল।

৫) সামাজিক অস্থিৰতাৰ বহল পৰিসৰ, ভিন্ন সংস্কৃতি, সাংস্কৃতিৰ বহুলতা, সামাজিক পৰম্পৰাৰ অবনমন আদি সমস্যাবোৰ বৰ্তমান আধুনিক সমাজত প্ৰৱল ভাৱে দেখা যায়।

৬) প্ৰচলিত সমাজখন দৰিদ্ৰতা, কৰ্মসংস্থাপনহীনতা, পুঁজিবাদীৰ শোষণ, গ্ৰাম্য আৰু চহৰীয়া জীৱনৰ পাৰ্থক্য, আৱৰ্জনা বৃদ্ধি, সামাজিক উশৃংখলতা, জনসংখ্যা বৃদ্ধিৰ সমস্যা, পৰিয়ালৰ অসংগঠন, সামাজিক অপৰাধ, ক'লা বজাৰ, সামাজিক অস্থিৰতা, আঞ্চলিকতাবাদ, অনুন্নয়ন, পাৰিপাৰ্শ্বিকতাৰ অৱক্ষয় আদি ভয়ানক সমস্যাসমূহৰ সন্মূখীন হৈ আহিছে।

### ১.৪.২ পৃথক সমাজ ব্যৱস্থাত সমাজ বিজ্ঞানৰ পৰিসৰ

পৃথক সমাজ (Differentiated) এখন হ'ল বিভিন্নতাৰে ভৰা এখন জটিল সমাজ যিয়ে অনেক সামাজিক সমস্যা আৰু প্ৰত্যাহ্বানৰ মুখামুখী হয়। প্ৰচলিত সমাজ ব্যৱস্থাই সন্মূখীন হোৱা সামাজিক সমস্যাসমূহৰ কেতবোৰ এই পাঠৰ আগতেই উল্লেখ কৰি অহা হৈছে (Sec No-1.4.1) যিহেতু প্ৰচলিত সমাজখন তীব্ৰ বেগত পৰিৱৰ্তন হৈ আছে আৰু ইয়াৰ কাৰণ যিহেতু বিজ্ঞান আৰু প্ৰযুক্তি, গতিকে উন্নত গণমাধ্যম আৰু আন অনেক বস্তুৰ ক্ষেত্ৰত নতুন নতুন সামাজিক সমস্যাসমূহ দিনে দিনে বৃদ্ধি হৈ আহি আছে। একেধৰণে এনেবোৰ নতুন সামাজিক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত নতুন সামাজিক বিজ্ঞানে অতি ফলপ্ৰসূ হৈ ভূমুকি মাৰিছে। ওঠৰ আৰু উনৈশ শতিকাত সামাজিক কাম-কাজ, ৰাজহুৱা শাসন ব্যৱস্থা, অপৰাধ নিৰ্মূলকৰণ, মনস্তত্ব আদি বিষয়ৰ অৱস্থিতি একেবাৰে নগণ্য আছিল, কিন্তু সেই শতিকাৰ শেষৰ ফালে আৰু বৰ্তমান সময়ত এনে বিষয়বোৰক যথেষ্ট প্ৰয়োজনীয়তা প্ৰদান কৰা হৈছে আৰু ইয়াৰ কাৰণ হ'ল বহুতো নতুন নতুন সামাজিক সমস্যা ইয়াৰ সৈতে জড়িত হৈ আছে। উদাহৰণস্বৰূপে ওঠৰ আনকি উনৈশ শতিকাতো জনসংখ্য বৃদ্ধিৰ সমস্যা অথবা জনবিস্ফোৰণক তেতিয়া মূখ্য সামাজিক সমস্যা বুলি গণ্য কৰা হোৱা নাছিল। কিন্তু বিগত আৰু বৰ্তমান শতিকাত জনসংখ্যা বৃদ্ধি সন্দৰ্ভত যি

জটিলতা আহি পৰিছে, ইয়ে সামাজিক জীৱনৰ ভালেমান ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাইছে, যাৰ বাবে জনসংখ্যাৰ অধ্যয়ন বিষয়টো শিক্ষাৰ এক প্ৰয়োজনীয় অংশ হৈ পৰিছে। প্ৰাক আধুনিক আৰু প্ৰাৰম্ভিক আধুনিক সমাজত মানুহৰ জীৱনবোৰ অতি সাধাৰণ আছিল আৰু অপৰাধমূলক কাৰ্যবোৰৰ সংখ্যা কম আছিল। কিন্তু বৰ্তমানৰ আধুনিক, ঔদ্যোগিক সমাজত অপৰাধমূলক কাৰ্যকলাপে যথেষ্ট গা কৰি উঠা দেখা গৈছে আৰু মানুহৰ জীৱন বিপদাপন্ন কৰি তুলিছে। অপৰাধমূলক কাৰ্যসমূহ পৰীক্ষা কৰোতে অপৰাধতত্ত্ব (Criminology) বিষয়টোৱে আত্মপ্ৰকাশ কৰিলে আৰু ই শিক্ষা ব্যৱস্থাৰ এক প্ৰয়োজনীয় অংশ হৈ পৰিল। একেধৰণে দিনে দিনে সমাজ বিজ্ঞানৰ নতুন নতুন বিষয়বোৰ প্ৰকাশ হ'বলৈ ধৰিলে আৰু ইয়াৰ লক্ষ্য হৈ পৰিল সামাজিক সমস্যাসমূহৰ সঘনাই সলনি হৈ থকা উৰণবোৰৰ সমাধান আগবঢ়োৱা। সেইবাবে লাহে লাহে সমাজ বিজ্ঞানৰ সুবিধাসমূহে স্থিতি লাভ কৰিবলৈ ধৰিলে।

**আপোনাৰ অগ্ৰগতিৰ পৰীক্ষা কৰক**

প্ৰশ্ন ঃ নতুন সমাজ বিজ্ঞানে কিয় দিনে দিনে প্ৰকাশ লাভ কৰিছে?

## ১.৫ সমাজ বিজ্ঞানৰ অন্তৰ্গত বিষয়সমূহ

সমাজ বিজ্ঞানে অধ্যয়নৰ ক্ষেত্ৰ গঠন কৰে। যদিও সমাজ বিজ্ঞানৰ জন্মই এক হ্ৰস্ব কাল সামৰি লৈছে মাত্ৰ, তথাপিও সমাজ বিজ্ঞানে অধ্যয়নৰ আন ক্ষেত্ৰৰ তুলনাত এক অতি প্ৰয়োজনীয় ক্ষেত্ৰ সামৰি লৈ আছে। সময়, সূচী, প্ৰত্যাহ্বান আদিৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা হেতুকে সমাজ বিজ্ঞান অধ্যয়নৰ এক অপৰিহাৰ্য অংশ হৈ পৰিছে। সমাজ বিজ্ঞান কেনেদৰে অধ্যয়নৰ এক ক্ষেত্ৰ হিচাপে গঠিত হৈছে আৰু বিদ্যালয় পৰ্য্যায়ত সমাজ বিজ্ঞানৰ অংশীভূক্ত নিৰ্দেশনাসমূহনো কি, তাক এতিয়া আমি আলোচনা কৰিম।

### ১.৫.১ সমাজ বিজ্ঞানৰ পৰিয়ালৰ অন্তৰ্গত বিবেচিত বিষয়

জ্ঞান হ'ল এক সংগঠিত ধাৰণা আৰু ইয়াক বিভিন্ন অংশত পৃথক কৰিব নোৱাৰি। বৰঞ্চ জ্ঞানক এক বহুল পৰিসৰতহে উপযুক্ত সংযোগেৰে সংপৃক্ত কৰিব পাৰি। জ্ঞানৰ ওচৰ চাপিব পৰা বহুল ক্ষেত্ৰখন তলৰ টেবুলখনৰ দ্বাৰা নিৰ্ণয় কৰিব পাৰি ঃ

**জ্ঞানৰ ওচৰ চপা বহুল ক্ষেত্ৰখন**

| অধ্যয়নৰ ক্ষেত্ৰ | অধ্যয়নৰ ক্ষেত্ৰৰ অধীনৰ বিষয়সমূহ |
|---|---|
| পদাৰ্থ বিজ্ঞানসমূহ | পদাৰ্থ বিজ্ঞান<br>ৰসায়ন বিজ্ঞান<br>পৃথিৱী বিজ্ঞান |
| গাণিতিক বিজ্ঞানসমূহ | এলজেব্ৰা<br>এৰিথমেষ্টিক<br>জ্যামিতি |

| | |
|---|---|
| | গণিত |
| জীৱ বিজ্ঞান সম্বন্ধীয় বিজ্ঞানসমূহ | উদ্ভিদ বিজ্ঞান<br>প্ৰাণী বিজ্ঞান<br>বায়’-আৰ্কলজী |
| সমাজ বিজ্ঞানসমূহ | মাইক্ৰ’ বায়লজী<br>বুৰঞ্জী<br>অৰ্থনীতি বিজ্ঞান<br>ৰাজনীতি বিজ্ঞান |
| ভাষা বিজ্ঞান | মনোবিজ্ঞান<br>সাহিত্য<br>ভাষাতত্ত্ব<br>নাটক আৰু উপন্যাস আদি |

জ্ঞানৰ এটা শাখাই, যাক অধ্যয়নৰ ক্ষেত্ৰ বুলি কোৱা উচিত, কেতবোৰ নিশ্চিত যুক্তি পূৰণ কৰিব লাগে। অধ্যয়নৰ ক্ষেত্ৰৰ চৰিত্ৰ হিচাপে চিহ্নিত তিনিবিধ মূখ্য অৱস্থা অথবা চুক্তি তলৰ তিনিটা ভাগত উল্লেখ কৰা হ’ল।

১) এখন ক্ষেত্ৰই নিশ্চিতভাৱে যথেষ্ট সংখ্যক ব্যক্তিগত বিষয় সামৰি লোৱা উচিত।

২) ক্ষেত্ৰখনৰ অধীনৰ বিষয়বোৰত কৰ্মৰ সম্পৰ্ক থকা দৰকাৰ।

৩) বিভিন্ন ক্ষেত্ৰৰ বিভিন্ন বিষয়ৰ মাজত আনুষ্ঠানিক সম্পৰ্ক আৰু পাৰ্থক্য থকা উচিত।

শিক্ষাৰ এটা শাখা হিচাপে সমাজ বিজ্ঞানে ওপৰৰ তিনিওটা অৱস্থাকে পূৰ্ণ কৰে। প্ৰথমতে সমাজ বিজ্ঞানে বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, আইন আদি বুজন সংখ্যক স্বতন্ত্ৰ বিষয় সামৰি লয়। দ্বিতীয়তে সমাজ বিজ্ঞানৰ সকলো বিষয়ৰ মাজত আনুষ্ঠানিক সম্বন্ধ থাকে। সমাজ বিজ্ঞান বিষয়বোৰৰ এটাৰ আনটোৰ সতে সম্পৰ্ক থাকে, কাৰণ মানৱ সম্পৰ্ক সমাজ বিজ্ঞানৰ সকলো বিষয়ৰে এটা একে ধৰণৰ বৈশিষ্ট। তাৰোপৰি সমাজ বিজ্ঞানৰ সকলো বিষয়ৰ মাজত এটা পাৰ্থক্য চিহ্নিত হয়। উদাহৰণ স্বৰূপে, অৰ্থনীতি বিজ্ঞানে সমাজৰ বিত্তীয় সম্পৰ্কসমূহ অধ্যয়ন কৰে। ৰাজনীতি বিজ্ঞানে সমাজৰ শাসন ব্যৱস্থাৰ অধ্যয়ন কৰে আৰু আইনে সমাজৰ ন্যায়িক অনুষ্ঠান সমূহৰ অধ্যয়ন কৰে। তৃতীয়তে সমাজ বিজ্ঞানৰ বিষয়বোৰৰ আন ক্ষেত্ৰৰ বিষয়বোৰৰ সৈতে সম্বন্ধ আৰু পাৰ্থক্য আছে। এই ক্ষেত্ৰত এটা উদাহৰণ আগবঢ়োৱা হ’ল— অধ্যয়নৰ সকলো ক্ষেত্ৰই হ’ল জ্ঞানৰ শাখা আৰু জ্ঞান হ’ল প্ৰধানতঃ এক সামূহিক ধাৰণা। গতিকে সমাজ বিজ্ঞানৰ ক্ষেত্ৰত বহুতো বৈশিষ্ট্য অন্তৰ্ভূক্ত কৰে, যিবোৰ আন আন ক্ষেত্ৰ বা বিষয়ৰো সাধাৰণ বৈশিষ্ট্য। এই বিষয়ে সবিশেষ পিছৰ পাঠবোৰত আলোচনা কৰা হ’ব। ইয়াৰ উপৰিও সমাজ বিজ্ঞানৰ ক্ষেত্ৰ আৰু ইয়াৰ বিষয়সমূহ আনুষ্ঠানিকভাৱে আন ক্ষেত্ৰ বা বিষয়সমূহৰ পৰা পৃথক।

যেনেদৰে সমাজ বিজ্ঞান বিষয়বোৰে সামাজিক সম্বন্ধ অধ্যয়ন কৰে, পদাৰ্থ বিজ্ঞানৰ বিষয়বোৰে পদাৰ্থৰ বিভিন্ন কাৰ্যাৱলী যেনে- সোঁত, উত্তাপ, পোহৰ, ৰাসায়নিক পদাৰ্থ আদি অধ্যয়ন কৰে। জীৱবিজ্ঞানৰ বিষয়সমূহে প্ৰাণী আৰু উদ্ভিদৰ জীৱন সম্বন্ধে অধ্যয়ন কৰে আৰু গাণিতিক বিজ্ঞানে সংখ্যা পদ্ধতি আৰু আনুসাংগিক ধাৰণাসমূহ অধ্যয়ন কৰে।

সমাজ বিজ্ঞানৰ বিষয়ত যথেষ্ট সংখ্যক বিষয় সন্নিৱিষ্ট কৰা হয়। ইয়াৰে ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, দৰ্শন আদি বিষয়সমূহ যথেষ্ট পুৰণি। তেনেদৰে মানৱ অধিকাৰ, ৰাজহুৱা শাসন, সামাজিক কাৰ্য আদি বিষয়বোৰ এতিয়াও উন্নয়নশীল অৱস্থা অথবা শৈশৱ অৱস্থাতে আছে। সমাজ বিজ্ঞানৰ বিষয়বোৰ তলত উল্লেখ কৰা তিনিটা শাখাত বিভক্ত কৰা হয়।

**বিশুদ্ধ সমাজ বিজ্ঞান ঃ** ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, বুৰঞ্জী, ন্যায়শাস্ত্ৰ, আইন, সমাজ বিজ্ঞান, ৰাজহুৱা প্ৰশাসন, সামাজিক কাম-কাজ, মানৱ অধিকাৰ, নৃতত্ত্ব বিজ্ঞান আদি।

**অৰ্দ্ধ সমাজ বিজ্ঞান ঃ** নীতিশাস্ত্ৰ, শিক্ষা, দৰ্শন, মনোবিজ্ঞান আদি।

**সামাজিক প্ৰয়োগৰ সতে বিজ্ঞান ঃ** ভূগোল, বুৰঞ্জী, ভেষজ বিদ্যা, ভাষাতত্ত্ব, গ্ৰন্থাগাৰ বিজ্ঞান আদি।

### ১.৫.২ বিদ্যালয় পৰ্যায়ত নিৰ্দেশাত্মক সম্পূৰক সমাজ বিজ্ঞান

আগতেই আলোচনা কৰি অহা হৈছে যে বিদ্যালয় পৰ্যায়ত সমাজ বিজ্ঞানে অথবা সমাজ অধ্যয়নে ইয়াৰ বিষয়বোৰ যথেষ্ট সংখ্যক সমাজ বিজ্ঞানৰ পৰা নিৰ্বাচন কৰি লয়। এনেকুৱা নিৰ্বাচিত বিষয়বোৰে কম সংখ্যক বিষয়ৰ ক্ষেত্ৰ সামৰি লয়, যেনে— বুৰঞ্জী, ভূগোল আদি, যিবোৰ বিদ্যালয় পৰ্যায়ত ছাত্ৰ-ছাত্ৰীক শিকাবলৈ লোৱা পৰিসৰৰ ভিতৰতে পৰে। (NCERT এ প্ৰকাশ কৰা) উচ্চ প্ৰাথমিকৰ বৰ্তমান সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমে (CBSE ৰ) তিনিটা বিষয়ৰ ক্ষেত্ৰ সামৰি লৈছে। যেনে— বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতি। উচ্চতৰ মাধ্যমিক স্তৰত সমাজ বিজ্ঞানৰ যথেষ্ট বিষয় যেনেঃ বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, নৃতত্ত্ব বিজ্ঞান, সমাজ বিজ্ঞান আদি স্বতন্ত্ৰ বিষয় হিচাপে পঢ়োওৱা হয়। সিপিঠিৰ Fig 1.2 ত সমাজ বিজ্ঞানৰ বিভিন্ন বিষয় অথবা শ্ৰেণীসমূহ দেখুওৱা হৈছে, যিবোৰ উচ্চ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় সমূহত প্ৰয়োগ কৰা হয়।




*Fig 1.2 উচ্চ প্ৰাথমিক আৰু মাধ্যমিক স্তৰত সমাজ বিজ্ঞানৰ বিষয় আৰু সূচীসমূহ*

**আপোনাৰ উন্নতি পৰীক্ষা কৰক**

প্ৰশ্ন ঃ অধ্যয়নৰ ক্ষেত্ৰখনৰ বৈশিষ্টৰ তিনিটা অৱস্থা / চুক্তি লিখক। সমাজ বিজ্ঞানৰ অধীনস্থ বুলি বিবেচনা কৰা পাঁচটা বিষয়ৰ নাম লিখক।

## ১.৬ সমাজ বিজ্ঞানৰ আন্তঃনিয়মানুৱৰ্ত্তী আৰু সংহতিপূৰ্ণ দৃষ্টিভংগী

যিহেতু সঠিক ধৰণে জ্ঞানক ভাগ কৰিব নোৱাৰি। এটা একক বিষয় নতুবা অধ্যয়নৰ পৰিসৰক বিশুদ্ধভাৱে স্বতন্ত্ৰ বা পৰ্য্যাপ্ত বুলি গণ্য কৰিব নোৱাৰি। এই পাঠৰ আৰম্ভণিতে বিষয়সমূহ অথবা ক্ষেত্ৰসমূহৰ মাজত যে এটা সম্পৰ্ক আছে, সেই কথা আপোনালোকে অবগত হৈ আহিছে। সমাজ বিজ্ঞানৰ ক্ষেত্ৰৰ আন বিষয়ৰ ক্ষেত্ৰ সতে এটা ক্ৰিয়াত্মক সম্পৰ্ক থাকে। একে ধৰণে সমাজ বিজ্ঞানৰ অন্যান্য বিষয়সমূহৰ নিজৰ মাজতে ক্ৰিয়াত্মক সম্পৰ্ক থাকে আৰু এই সম্পৰ্ক আন ক্ষেত্ৰবোৰৰ সতেও দেখা যায়। সমাজ বিজ্ঞানৰ

আন্তঃনিয়মাবদ্ধতা আৰু সমন্বিত যথাৰ্থতা সম্বন্ধে আলোচনা কৰো আহক।

**১.৬.১ সমাজ বিজ্ঞানত আন্তঃনিয়মানুবৰ্ত্তিতা আৰু সমন্বিত যথাৰ্থতা ঃ**

সমাজ বিজ্ঞানৰ বিষয়সমূহ স্বাভাৱিকতে আন্তঃনিয়মাবদ্ধ। সমাজ বিজ্ঞানৰ ক্ষেত্ৰত এটা বিষয়ৰ একে ক্ষেত্ৰৰে নতুবা ভিন্ন ক্ষেত্ৰৰ বিষয়ৰ সতে সম্পৰ্ক আছে। এই ধাৰণা স্পষ্ট কৰাৰ বাবে উদাহৰণ স্বৰূপে পদাৰ্থ বিজ্ঞান, ভাষাতত্ত্ব অধ্যয়ন, জীৱবিজ্ঞান অধ্যয়ন আদি ল'ব পাৰি। প্ৰথমতে আমি বুৰঞ্জী বিষয়ৰ চৰিত্ৰ বিশ্লেষণ কৰো আহক। বুৰঞ্জী বিষয়টো স্বভাৱতে নিয়মাবদ্ধ। কাৰণ আমি যেতিয়া বুৰঞ্জী অধ্যয়ন কৰো আমি আন আন ভালেমান সামাজিক বিষয়ৰ বুৰঞ্জী অধ্যয়ন কৰো, যেনে— অৰ্থনীতিৰ বুৰঞ্জী, ৰাজনৈতিক বুৰঞ্জী, মনস্তত্বৰ বুৰঞ্জী, সমাজ বিদ্যাৰ বুৰঞ্জী, ধৰ্মীয় বুৰঞ্জী আদি। তাৰোপৰি সমাজ বিজ্ঞানে সামৰি নোলোৱা বিভিন্ন বিষয়ৰ বুৰঞ্জী যেনে— পদাৰ্থ বিজ্ঞানৰ বুৰঞ্জী, উদ্ভিদ বিদ্যাৰ বুৰঞ্জী, প্ৰাণী বিজ্ঞানৰ বুৰঞ্জী, গণিতৰ বুৰঞ্জী, বিভিন্ন ভাষাৰ বুৰঞ্জী আদিও বুৰঞ্জীৰ অংশ হিচাপে সামৰি লোৱা হয়। একেধৰণে সমাজ বিজ্ঞানৰ দৰে বিষয়ৰ সতে জড়িত বিষয়সমূহ অৰ্থনীতি, শিক্ষাতত্ত্ব, ৰাজনীতি, বৈজ্ঞানিক উন্নতি, সাহিত্য আৰু ভাষা আদিৰ অবিহনে কোনোপধ্যে অধ্যয়ন কৰিব নোৱাৰি। এইবোৰৰ বুৰঞ্জী আৰু সমাজ বিজ্ঞানৰ নিচিনাকৈ সমাজ বিজ্ঞানৰ প্ৰতিটো বিষয়ৰে অধ্যয়নৰ একে ক্ষেত্ৰত আন বিষয়ৰ লগত আন্তঃভৰষা আৰু আন্তঃসম্পৰ্ক থাকে। যেনে— সমাজ বিজ্ঞানৰ ক্ষেত্ৰৰ সতে পদাৰ্থ বিজ্ঞান, গণিত, জীৱবিজ্ঞান আদি। কিন্তু সমাজ বিজ্ঞানৰ এটা বিষয়ৰ আন বিষয়ৰ লগত নিজৰ অধ্যয়ন ক্ষেত্ৰত অধিক সম্পৰ্ক আছে। আনহাতে ইয়াৰ আন অধ্যয়ন ক্ষেত্ৰৰ সতে তুলনামূলকভাৱে কম সম্পৰ্ক থাকে। Fig 1.3 য়ে সমাজ বিজ্ঞানৰ বিষয় 'আইন'ৰ আন বিষয়ৰ ওপৰত আন্তঃনিৰ্ভৰতা উপস্থাপন কৰিছে

`




*Fig 1.3 সমাজ বিজ্ঞানৰ বিষয় 'আইন'ৰ আন বিষয়ৰ ওপৰত আন্তঃনিৰ্ভৰতা* (Indisiplinary)

**১.৬.২ সমাজ বিজ্ঞানৰ সমন্বিত ভূমিকা ঃ**

যিহেতু জ্ঞানৰ সঠিক বিভাজন অসম্ভৱ গতিকে শিকাৰুসকলক সমন্বিত ভাৱে শিক্ষা প্ৰদান কৰা উচিত। গতিকে সমাজ বিজ্ঞানক সম্পাদন কৰোতে স্কুলীয়া পাঠ্যক্ৰমত ইয়াক সমন্বিত ৰূপত সম্পাদন কৰিব লাগে। এতিয়া এটা উদাহৰণেৰে বুজাবলৈ দিয়ক কেনেদৰে সমাজ বিজ্ঞানৰ বিষয়বোৰ আন্তঃনিয়মানুৱৰ্ত্তী (Terdisiplinary) আৰু সমন্বিত হয়। খাদ্য, বস্তু, বাসস্থান, যাতায়াত, যোগাযোগ আদি স্কুল পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ সাধাৰণ ধাৰণা। খাদ্যৰ ধাৰণাটো লওঁ আহক। 'খাদ্য' আন বিভিন্ন ক্ষেত্ৰৰ লগত সম্পৰ্কিত হ'ব পাৰে। খাদ্যৰ উৎপাদন, বাণিজ্য, উপভোগ আদি অৰ্থনীতিৰ সতে জড়িত। খাদ্যৰ ধৰণ, শাস্ত্ৰ সন্মত বিধান, খাদ্যৰ বাবে পৰিয়ালৰ অথবা সমাজত দেখা দিয়া ভুল বুজাবুজি আদি সমাজ বিজ্ঞানৰ সতে জড়িত। বিভাজনৰ সমানতা, বাৰ্ষিক হিচাপ, মূল্যসূচীৰ বৰ্দ্ধন আৰু অৱনমন আদিবোৰ ৰাজনীতি বিজ্ঞানৰ অন্তৰ্গত। বিভিন্ন কালৰ সতেও খাদ্যৰ সম্পৰ্ক, কোন কালত কি খাদ্য উৈভনদী আছিল আদি বিষয় বুৰঞ্জীৰ সৈতে সম্পৰ্কিত। বিভিন্ন সোৱাদযুক্ত খাদ্যৰ প্ৰস্তুতকৰণ, খাদ্যৰ স্বাস্থ্যসন্মত গুণাগুণ ৰক্ষা আদি গাৰ্হস্থ বিজ্ঞানৰ সৈতে জড়িত। খাদ্যৰ পৰিমাণ, বিভাজন, অংশীকৰণ আদি গণিতৰ সৈতে জড়িত। ভিটামিনৰ প্ৰকাৰ আৰু খাদ্যৰ পুষ্টিৰ প্ৰাচুৰ্য্যতা, খাদ্যৰ শ্ৰেণীকৰণ, প্ৰস্তুতকৰণৰ উপাদান আদি জীৱবিজ্ঞানৰ লগত জড়িত। পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু খাদ্যৰ সন্তুলতা আদি স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞানৰ গুণাগুণৰ সৈতে জড়িত। খাদ্য প্ৰস্তুতকৰণত ব্যৱহৃত বৈদ্যুতিক আহিলা যেনে কিমান পৰিমাণৰ উত্তাপৰ প্ৰয়োজন, খাদ্য প্ৰস্তুতকৰণৰ বাবে মাইক্ৰ'ৱেভৰ প্ৰয়োগ, বস্তুৰ শীতলীকৰণ আদি বিষয়সমূহ পদাৰ্থ বিজ্ঞানৰ সৈতে জড়িত। খাদ্যৰ প্ৰয়োগ হোৱা ৰাসায়ানিক দ্ৰব্যৰ হিচাপ, খাদ্য সংৰক্ষণত ৰাসায়নিক দ্ৰব্যৰ প্ৰয়োগ আদি বিষয় ৰসায়ন বিজ্ঞানৰ সৈতে জড়িত। খাদ্য প্ৰস্তুত কৰণৰ বাবে প্ৰয়োজনীয় ভূমি, খাদ্যৰ সৈতে খাপ খোৱা পাৰিপাৰ্শ্বিকতা আদি বিষয় ভূগোলৰ সৈতে জড়িত আৰু কবিতা, গল্প, শব্দকোষ, শিক্ষা, ৰচনা আদি খাদ্যৰ সতে জড়িত বিষয়বোৰ সাহিত্য আৰু ভাষাৰ সৈতে সম্পৰ্কিত। একে ধৰণে খাদ্য বিষয়টো আন বিভিন্ন শিক্ষাৰ ক্ষেত্ৰ আৰু বিষয়ৰ সৈতে জড়িত। খাদ্যৰ ধাৰণাৰ দৰে সমাজ বিজ্ঞানৰ আন বহু বিষয় শিক্ষণ, শিকন আৰু আন বহুতো উপলক্ষ্যৰ সতে সমন্বিত। এটা ক্ৰিয়া-কলাপৰ জৰিয়তে জ্ঞানৰ সমন্বয়তা আৰু সমাজ বিজ্ঞানৰ শিক্ষাক বুজি লওঁ আহক।

**সমাজ বিজ্ঞানত বুৰ গৈ থকা জ্ঞানৰ সমন্বয়তাৰ এক ক্ৰিয়া-কলাপ ঃ**

শ্ৰেণীকোঠাত সমাজ বিজ্ঞান শিকাৰ ক্ষেত্ৰত এইটো এটা জ্ঞানৰ সমন্বয়তাৰ কাৰ্যকলাপ আৰু ই উচ্চ প্ৰাথমিক পৰ্যায়ত শ্ৰেণীবদ্ধ। ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ভূগোল বিজ্ঞানৰ পৰা 'অৰণ্য' এই ধাৰণাটো লৈ ই কেনেদৰে ছাত্ৰ-ছাত্ৰীক আন্তঃনিয়মানুৱৰ্ত্তী আৰু সমন্বিত জ্ঞান দিব পাৰে, তাক চাওঁ আহক। তলত ক্ৰিয়া-কলাপৰ আকাৰ, অগ্ৰগতি আৰু শিক্ষাৰ নিৰ্দ্ধাৰণ আদি বিতং ভাৱে দিয়া হ'ল।

## A: ক্ৰিয়া কলাপৰ প্ৰতিচ্ছবি (Profile)

শ্ৰেণী ঃ ষষ্ঠ

| | |
|---|---|
| শিক্ষাৰ বিষয় | ঃ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম। |
| শিক্ষাৰ ক্ষেত্ৰ | ঃ ভূগোল আৰু সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম। |
| শিক্ষাৰ বিষয় | ঃ অৰণ্য। |
| শিক্ষাৰ লক্ষ্য | ঃ অৰণ্যৰ সতে সম্পৰ্কিত ধাৰণাৰ সমন্বিত জ্ঞানৰ উৎকৰ্ষ ঘটোৱা। |
| আৱশ্যকীয় আহিলা | ঃ অৰণ্যৰ সতে সম্পৰ্ক থকা পোষ্টাৰ। |
| শিক্ষাৰ কৌশল | ঃ পোষ্টাৰ প্ৰদৰ্শন। |
| শিক্ষাৰ উৰণ | ঃ ব্যক্তিগত কৰণ। |

## B: ক্ৰিয়াকলাপৰ নিয়ম ঃ

এই ক্ৰিয়াকলাপটোত ছাত্ৰ-ছাত্ৰীক শিক্ষকে অৰণ্যৰ ধাৰণা সম্পৰ্কে সমন্বিত জ্ঞান প্ৰদান কৰাত নিৰ্দেশনা দিব ঃ মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, তলত দুখন পোষ্টাৰ দিয়া আছে যাৰ অৰণ্যৰ সতে সম্পৰ্ক আছে। দুয়োখন পোষ্টাৰ বাহিৰে প্ৰথমখন আইন বিষয়টোৰ সৈতে সম্পৰ্কিত হ'ব পাৰে আৰু দ্বিতীয়খন জীৱ বিজ্ঞান বিষয়ৰ সৈতে জড়িত হ'ব পাৰে। এতিয়া আমি ফঁহিয়াই চাওঁ আহা কিয় প্ৰথমখন আইন আৰু দ্বিতীয়খনক জীৱ বিজ্ঞানৰ সৈতে সম্পৰ্কিত কৰা হ'ল।

১ নং পোষ্টাৰ ঃ কিয় এই পোষ্টাৰখন আইন বিষয়ৰ সৈতে সম্পৰ্কিত?

বিভিন্ন ক্ষেত্ৰত গছ কটা নিষিদ্ধ। যিজন মানুহে গছ কাটে তেওঁক আদালতৰ আইনে শাস্তি দিয়ে। ছবিখনত মানুহজনক জেললৈ লৈ যোৱা হৈছে আৰু গছ কটাৰ বাবে শাস্তি দিয়া হৈছে। যিহেতু শাস্তি আইন বিষয়ত অধ্যয়ন কৰা হয়। গতিকে এই পোষ্টাৰখনৰ আইন বিষয়ৰ লগত সম্পৰ্ক আছে।

২ নং পোষ্টাৰ ঃ এই পোষ্টাৰখন কিয় জীৱ বিজ্ঞানৰ সৈতে সম্পৰ্কিত?

বায়ু, পানী আদি মানুহৰ জীৱনৰ মৌলিক উপাদান। বায়ু পানীৰ দৰে অৰণ্যও মানুহৰ বাবে এৰাব নোৱাৰা বিষয়, কাৰণ অৰণ্যৰপৰা আমি অক্সিজেন পাওঁ আৰু ই মানুহৰ জীৱনৰ মৌলিক প্ৰয়োজন। ছবিখনত অৰণ্যই মানুহক অক্সিজেনৰ যোগান ধৰিছে আৰু মানুহে উশাহ ল'ব পাৰিছে। যিহেতু জীৱনৰ প্ৰয়োজনবোৰ জীৱ বিজ্ঞানত অৱস্থিত, গতিকে এই পোষ্টাৰখন জীৱ বিজ্ঞানৰ সতে সম্পৰ্কিত।

ওপৰৰ দুয়োখন পোষ্টাৰৰ দৰে আন বহুতো অৰণ্যৰ সৈতে জড়িত পোষ্টাৰ নিৰ্মাণ কৰিব পাৰি যাৰ বিভিন্ন অধ্যয়ন ক্ষেত্ৰৰ সৈতে জড়িত থাকে।

## C: ক্ৰিয়া-কলাপ ভিত্তিক কাৰ্য ঃ

শিকাৰুসকলৰ বাবে তলত বিভিন্ন ধৰণৰ ভালেমান কাৰ্য দিয়া হ'ল। এইবোৰ কৰাৰ ক্ষেত্ৰত শিকাৰুসকৰ শিক্ষকে নিৰ্দেশনা দিব এনেধৰণে ঃ

মৰমৰ ছাত্ৰ-ছাত্ৰীহঁত, তলত তোমালোকলৈ অতি মনোগ্ৰাহী কাৰ্য কেতবোৰ দিয়া হ'ল। কাৰ্যবোৰ সম্পূৰ্ণ কৰা আৰু সেইবোৰ উপস্থাপন কৰিবৰ বাবে জমা দিয়া ঃ

১) 'অৰণ্য' বিষয়ক সামৰি পোষ্টাৰ প্ৰস্তুত কৰা যাৰ বিষয়ৰ সৈতে কাৰ্য সম্বন্ধীয় সম্পৰ্ক থাকিব আৰু ক্ষেত্ৰ

হ'ব গণিত, ভাষা আৰু সাধাৰণ বিজ্ঞানত।

২) 'দুৰ্য্যোগ' এটা সমাজ বিজ্ঞানৰ বিষয়। এই বিষয়টো কেনেদৰে আইন, ৰাজনীতি, গণিত, স্বাস্থ্য আৰু পুষ্টি আৰু অৰ্থনীতিৰ সৈতে জড়িত ব্যাখ্যা কৰা।

৩) 'শতাংশ' এক গাণিতিক ধাৰণা। এই ধাৰণাটোৰ যিকোনো ছয়টা ক্ষেত্ৰৰ লগত সম্পৰ্ক দেখুওৱা আৰু এই সম্পৰ্ক স্পষ্ট কৰাৰ বাবে সঠিক উদাহৰণ দিয়া।

৪) CBSE পাঠ্যক্ৰমৰ ভূগোল, বুৰঞ্জী আৰু সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম পঢ়া (সপ্তম শ্ৰেণীৰ)। ত্ৰিশৰ পৰা চল্লিশটা ধাৰণাৰ তালিকা প্ৰস্তুত কৰা, যিকেইটা তিনিওখন কিতাপতে একেবাৰে সাধাৰণ ভাৱে পোৱা যায়।

**আপোনাৰ অগ্ৰগতিৰ পৰীক্ষা কৰক ঃ**
প্ৰশ্ন ঃ বুৰঞ্জী বিষয়ৰ আন্তঃনিয়মানুৱৰ্ত্তী চৰিত্ৰ আলোচনা কৰক।
(আপোনাৰ উত্তৰ আৰ্হি উত্তৰৰ সৈতে ৰিজাই চাওঁক)

## ১.৭ আমি কি শিকিলোঃ

এই অধ্যায়ত আপোনাক সমাজ বিজ্ঞানৰ প্ৰকৃতিৰ সৈতে চিনাকি কৰি দিয়াৰ প্ৰয়াস কৰা হৈছে। এই অধ্যায়ত সমাজ বিজ্ঞানৰ প্ৰকৃতিক সূত্ৰভিত্তিক আলোচনা আৰু ব্যাখ্যা, উদ্ধৃতি আৰু বাস্তৱিক উদাহৰণ, গৃহকাৰ্য আৰু কৌশল আদিৰ দ্বাৰা বুজাবলৈ প্ৰয়াস কৰা হৈছে। এই অধ্যায়ে প্ৰধানতঃ সেইবোৰ অধ্যয়ন ক্ষেত্ৰ সামৰি লৈছে, য'ত সমাজ বিজ্ঞানৰ ক্ৰমবিকাশ ঘটিছে, যুগ যুগ ধৰি সমাজ বিজ্ঞানৰ স্থিতি, সমাজ বিজ্ঞানৰ আন্তঃনিয়মানুৱৰ্ত্তী আৰু সমন্বিত যথাৰ্থতা আদি আলোচিত হৈছে। এই পাঠটোত শিকা মূখ্য চিহ্নসমূহ তলত সংক্ষেপে আগবঢ়োৱা হ'ল ঃ

সমাজ বিজ্ঞানে এক বহল পৰিসৰত মানুহৰ কাৰ্য-কলাপ অথবা সম্পৰ্ক অধ্যয়ন কৰি এখন ক্ষেত্ৰ গঠন কৰে। ওঠৰ শতিকাত (উচ্চ শিক্ষা আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ) সমাজ বিজ্ঞানক এটা সাধাৰণ বিষয় হিচাপে লোৱা হৈছিল আৰু ইয়াৰ লক্ষ্য আছিল সামাজিক সমস্যা আৰু প্ৰত্যাহ্বানসমূহ সমাধান কৰা, যিবোৰ আধুনিক বিজ্ঞান, ঔদ্যোগিক বিকাশ, আধুনিকীকৰণ আদিৰ দ্বাৰা প্ৰভাৱিত আছিল। শিকাৰুৰ মনত গণতান্ত্ৰিক আৰু সামাজিক নাগৰিকত্বৰ উন্নতি অনাৰ বাবে সমাজ বিজ্ঞান বুজাটো প্ৰয়োজনীয় আছিল। যিহেতু যোৱাটো শতিকাত সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ এটা অংশ হৈ পৰিল আৰু ভাৰতকে ধৰি সমগ্ৰ বিশ্বতে এই বিষয়টো প্ৰসাৰিত হৈ পৰিল।

উচ্চশিক্ষা আৰু হাইস্কুল পৰ্যায়ত বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, নৃতত্ত্ব বিজ্ঞান, আইন আদি বিষয়সমূহ স্বতন্ত্ৰ অথবা পৰিপূৰক বিষয় হিচাপে শিকোৱা হয়। বুনিয়াদী বিদ্যালয়বোৰত সমাজ বিজ্ঞানক একক সংযুক্ত অধ্যয়নৰ ক্ষেত্ৰ হিচাপে গণ্য কৰা হয় আৰু ইয়াক 'সমাজ অধ্যয়ন পাঠ্যক্ৰম' অথবা সমাজ বিজ্ঞান পাঠ্যক্ৰম' বুলি নামাকৰণ কৰা হয়।

সভ্যতাৰ আৰম্ভণিৰ পৰা সমাজ বিজ্ঞানে দীৰ্ঘ পৰিক্ৰমা আৰু সময় অতিবাহিত কৰি আহি আজিৰ অৱস্থা প্ৰাপ্ত হৈছে। প্ৰাচীন আৰু মধ্যযুগত সমাজ বিজ্ঞান শিক্ষাটো বাস্তৱিক নাছিল আৰু সুসংগঠিতও নাছিল। তাৰ বিপৰীতে আধুনিক আৰু আধুনিকোত্তৰ সমাজত সমাজ বিজ্ঞানৰ শিক্ষা অধিক সঠিক আৰু সংগঠিত হৈ পৰিল। আমাৰ দেশ ভাৰতত বৈদিক আৰু উপনিষদৰ কালৰ পৰাই সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম আৰম্ভ হৈছিল আৰু বৰ্তমানে ই শিক্ষাৰ এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি লৈছে।

বিজ্ঞান আৰু প্ৰযুক্তিৰ সঘন উত্তৰণৰ বাবে আৰু ঔদ্যোগিকৰণৰ বহল প্ৰসাৰৰ লগতে সমসাময়িক সমাজৰ আধুনিকীকৰণৰ বাবে শোষণ, জনসংখ্যা বৃদ্ধিৰ সমস্যা, অপৰাধ সমস্যা আদি দিনে দিনে বাঢ়ি আহি আছে। এনে নতুন নতুন সামাজিক সমস্যাৰ মুখামুখী হ'বলৈ বহুতো নতুন নতুন সমাজ বিজ্ঞানে দিনে দিনে ভূমুকি মাৰিবলৈ ধৰিছে। অপৰাধ নিবাৰণ আদি নতুন সমাজ বিজ্ঞানৰ উদাহৰণ।

অধ্যয়নৰ ক্ষেত্ৰ হিচাপে সমাজ বিজ্ঞানে ৰাজনীতি বিজ্ঞান, নৃতত্ত্ব বিজ্ঞান, আইন, অৰ্থনীতি, ভূগোল আদি অনেক অধ্যয়ন ক্ষেত্ৰ অন্তৰ্ভূক্ত কৰি লয়। বিদ্যালয় পৰ্যায়ত সমাজ বিজ্ঞানে এক সমন্বিত পাঠ্যক্ৰমৰ ক্ষেত্ৰ গঠন কৰে। য'ত যথেষ্ট সংখ্যক সমাজ বিজ্ঞানৰ বিষয় অন্তৰ্ভূক্ত কৰা হয়। কিন্তু এনে বিষয়বোৰ তিনিটা বা চাৰিটা নিৰ্দেশাত্মক শিতানত বিভক্ত কৰি লোৱা হয় (যেনে- বুৰঞ্জী, ভূগোল আদি)। ইয়াৰ উদ্দেশ্য হ'ল শিকাৰুসকলক সমাজ বিজ্ঞানৰ সঠিক শিক্ষা দিয়া।

সমাজ বিজ্ঞানৰ বিষয়বোৰ প্ৰধানতঃ আন্তঃনিয়মানুৱৰ্ত্তী আৰু আন্তঃনিৰ্ভৰশীল স্বভাৱৰ। যিহেতু সিহঁতৰ বিষয়বোৰৰ সৈতে গঠনৰ সম্পৰ্ক আছে। উদাহৰণ হ'ল পদাৰ্থ বিজ্ঞান, গণিত বিজ্ঞান, জীৱবিজ্ঞান আদি। গতিকে যেতিয়া সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম চলাবলৈ লোৱা হয়, ইয়াক বিভিন্ন বিষয়ৰ লগত সমন্বিত কৰি ল'ব লাগে। এই অধ্যায়ৰ পিচৰবোৰত এই বিষয়ে আপোনালোকে শিকিব পাৰিব।

## ১.৮ শব্দকোষ

**নৱজাগৰণ ঃ** নৱজাগৰণে জ্ঞানৰ পুনৰ জাগ্ৰতকৰণক বুজায়। ওঠৰ শতিকা আৰু তাৰ পিচৰ কালচোৱাক নৱজাগৰণ মহৎ কাল বুলি কোৱা হয় আৰু এই সময়তো জ্ঞানৰ পুনৰুত্থান, সমাজ জীৱন, অৰ্থনীতি, ৰাজনীতি, সংস্কৃতি আদি বিভিন্ন ক্ষেত্ৰৰপৰা আৰম্ভ হৈছিল। বিজ্ঞানৰ সঘন আৰু দ্ৰুত উত্থান, ঔদ্যোগিকৰণ, আধুনিকীকৰণ আদিয়ে আধুনিক যুগৰ নৱজাগৰণত যথেষ্ট প্ৰভাৱ পেলাইছে।

**গান্ধীজীৰ বুনিয়াদী শিক্ষা ঃ** ১৯৩৭ চনত গান্ধীজীয়ে শিক্ষাৰ এখন আঁচনি চূড়ান্ত কৰিছিল আৰু এই আঁচনিখন All India National Education Conference ত উপস্থাপন কৰিছিল (ৱাৰ্ধা, ২২ আৰু ২৩ অক্টোবৰ, ১৯৩৭)। এই আঁচনিখন Basic Education নতুবা Wardha Scheme of Education নামেৰে জনপ্ৰিয় হৈছিল। গান্ধীজীৰ বুনিয়াদী শিক্ষাৰ আঁচনিখন ভাৰতীয় শিশুৰ মৌলিক প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি কৰা হৈছিল।

**অৰ্থনৈতিক ক্ষতি ঃ** অৰ্থনৈতিক ক্ষতিয়ে বিত্তীয় অৰ্থনৈতিক যান্ত্ৰিকতালৈ ভাঙোন আনে। বস্তুৰ উৎপাদন

আৰু সেৱা, বস্তুৰ বাণিজ্য আৰু সোণ, মুদ্ৰাস্ফীতিৰ সৈতে মোকাবিলা কৰা আদি যেতিয়া সমন্বিত অৰ্থনৈতিক প্ৰতিষ্ঠান সমূহত যেতিয়া অৰ্থনৈতিক হতাশাই দেখা দিয়ে উৎপাদন আৰু সেৱা, বস্তুৰ বাণিজ্য আৰু সেৱা, অৰ্থনৈতিক সংকোচন আৰু প্ৰসাৰন আদি বিষয় অনুত্তীৰ্ণ হয়। ১৯৩০ চনৰ সময়চোৱাক অৰ্থনৈতিক হতাশাৰ সময় বুলি গণ্য কৰা হয়, কাৰণ এই সময়চোৱাত অৰ্থনৈতিক হতাশাৰ যথেষ্ট অৱনতি ঘটিছিল।

## ১.৯ আপোনাৰ অগ্ৰগতিৰ পৰীক্ষাৰ উত্তৰসমূহ ঃ

১ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজ বিজ্ঞান শিক্ষাৰ যথাৰ্থতা হ'ল (National Focus Group of Teaching Social Sceince 16 ৰ মতে উচ্চ প্ৰাথমিক শাখাত)

- পৃথিৱীখন মানুহ আৰু আন জীৱকুলৰ বাসস্থান হিচাপে বুজাৰ ক্ষেত্ৰত উন্নতি কৰা।
- এজন শিকাৰুক তেওঁৰ নিজৰ অঞ্চল, ৰাজ্য আৰু দেশক বিশ্বায়নৰ সূচীত অধ্যয়নৰ বাবে উৎসাহিত কৰা।
- শিকাৰু এজনক ভাৰতৰ অতীতৰ লগতে বিশ্বৰ আন অংশৰ সমসাময়িক উন্নতিৰ বিষয়ে শিকিবলৈ উৎসাহিত কৰ।
- শিকাৰুজনক সামাজিক আৰু ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ লগতে দেশৰ পৰিচালনাৰ ক্ৰিয়াত্মক গতিশীলতা সম্বন্ধে জ্ঞান দিয়া।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজ বিজ্ঞানৰ অধ্যয়নে পুৰণি ভাৰতৰ সাংস্কৃতিক আৰু শৈক্ষিক ধৰণত এক দৰ্শনীয় স্থান অধিকাৰ কৰি আহিছে। নৈতিকতা, আধ্যাত্মিকতা, সামাজিক মূল্যবোধ আৰু অবনমন আদি পুৰণি ভাৰতৰ নিৰ্দেশক দৰ্শন আছিল। বেদ, উপনিষদ, স্মৃতি, ৰামায়ণ, মহাভাৰত আদি ঐতিহাসিক বা বুৰঞ্জীৰ প্ৰথমাংশৰ ধৰ্মগ্ৰন্থ, যিবোৰে সামাজিক মূল্যবোধ আৰু স্বাস্থ্য সন্মত জীৱন-যাপনৰ নীতি আগবঢ়াই দিছে। কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু বিষ্ণুশৰ্মাৰ পঞ্চতন্ত্ৰ আদি প্ৰাচীন ভাৰতৰ কেতবোৰ সৃষ্টি বা পাঠ্যপুথি যিবোৰ সমাজ বিজ্ঞান নীতিৰে ভৰপূৰ আছিল। এই আটাইবোৰ সূচীৰ প্ৰসঙ্গ উল্লেখ কৰি আমি ক'ব পাৰো যে সমাজ বিজ্ঞান পুৰণি ভাৰতৰ সাংস্কৃতিক আৰু শৈক্ষিক বিষয় হৈ পৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ যিহেতু বৰ্তমান সমাজখন দ্ৰুত বেগত পৰিৱৰ্ত্তিত হ'ব ধৰিছে আৰু ইয়াৰ কাৰণ হৈছে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা, প্ৰচাৰ মাধ্যম আৰু এনে নানা ধৰণৰ বস্তু আৰু নতুন নতুন সামাজিক সমস্যাবোৰ প্ৰতিদিনে বাঢ়ি গৈ আছে। এনে নতুন সমস্যাসমূহ কমাই আনিবলৈ নতুন সমাজ বিজ্ঞানৰ সৃষ্টি হৈছে আৰু ৰীতি অনুযায়ী শিক্ষাৰ অংগ হৈ পৰিছে। ওঠৰ আৰু উনৈশ শতিকাত সামাজিক কাম-কাজ, ৰাজহুৱা প্ৰশাসন, অপৰাধ নিৰ্মূল, মনস্তত্ব আদি বিষয়ৰ অস্তিত্ব প্ৰায় নাছিলেই। কিন্তু যোৱা শতিকা আৰু বৰ্তমান শতিকাত এনে বিষয়বোৰক অধিক প্ৰাধান্য দিয়া হৈছে আৰু ইয়াৰ কাৰণ হৈছে এনে বিষয়ৰ লগত সম্পৰ্কিত বহুতো নতুন সমস্যা যোৱা আৰু বৰ্তমান শতিকাত দেখা দিছে। উদাহৰণ স্বৰূপে ওঠৰ আনকি উনৈশ শতিকাতো জনসংখ্যা বৃদ্ধিৰ সমস্যাক গুৰুত্বৰ সমস্যা হিচাপে গণ্য কৰা হোৱা নাছিল। কিন্তু যোৱা শতিকা

আৰু বৰ্তমান শতিকাত জনসংখ্যা বৃদ্ধিৰ হাৰে সমাজ বিজ্ঞানৰ বহু ক্ষেত্ৰ প্ৰভাৱিত কৰিছে, যাৰ ফলত জনসংখ্যাৰ অধ্যয়ন বিষয়টো শিক্ষা ব্যৱস্থাৰ এটা প্ৰয়োজনীয় অংশ হৈ পৰিছে। এনে ধৰণে সমাজ বিজ্ঞানৰ বহুতো বিষয় দিনে দিনে সন্নিৱিষ্ট হৈ গৈ আছে যাতে সামাজিক সমস্যাৰ পৰিৱৰ্ত্তিত ধৰণৰ সৈতে মোকাবিলা কৰিব পৰা যায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অধ্যয়নৰ ক্ষেত্ৰ চিহ্নিত কৰাৰ তিনিটা চুক্তি।

ক) এনে ক্ষেত্ৰই নিশ্চিত ভাৱে বহুতো স্বতন্ত্ৰ বিষয় সামৰি ল'ব লাগিব।

খ) এখন ক্ষেত্ৰৰ অধীনৰ বিষয়বোৰৰ ভিতৰত ক্ৰিয়াত্মক সম্পৰ্ক থাকিব লাগিব।

গ) বিভিন্ন ক্ষেত্ৰৰ বিভিন্ন বিষয়ৰ ভিতৰত ক্ৰিয়াত্মক সম্পৰ্ক থাকিব লাগিব।

সমাজ বিজ্ঞানৰ ক্ষেত্ৰৰ ভিতৰত সাধাৰণতে বিবেচিত পাঁচটা বিষয় হ'ল— ৰাজনীতি বিজ্ঞান, ভূগোল, আইন, সমাজতত্ত্ব আৰু বুৰঞ্জী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বুৰঞ্জী বিষয়টো স্বাভাৱিকতে আন্তঃনিয়মানুৱৰ্ত্তী। ই আন্তনিয়মানুৱৰ্ত্তী এই কাৰণেই যে আমি যেতিয়া বুৰঞ্জী অধ্যয়ন কৰো, আমি সমাজ বিজ্ঞানৰ আন বহুতো বিষয়ৰ বুৰঞ্জী অধ্যয়ন কৰো। যেনে— অৰ্থনীতিৰ বুৰঞ্জী, ৰাজনীতিৰ বুৰঞ্জী, মনস্তত্বৰ বুৰঞ্জী, ধৰ্মীয় বুৰঞ্জী আদি। ইয়াৰ উপৰিও বহুতো সমাজ বিজ্ঞানৰ অন্তৰ্ভূক্ত নোহোৱা বিষয় যেনে— পদাৰ্থ বিজ্ঞানৰ বুৰঞ্জী, উদ্ভিদ বিজ্ঞানৰ বুৰঞ্জী, প্ৰণী বিজ্ঞানৰ বুৰঞ্জী, গণিতৰ বুৰঞ্জী, বিভিন্ন ভাষাৰ বুৰঞ্জী আদিও বুৰঞ্জীৰ অংশীভূত হয়।

**অধ্যয়ন আৰু প্ৰসংগ পুথি ঃ**


- Barker. E. Principles of Social and Political Theory, Oxford.
- Basantia T.K & Purkayastha, B. Contemparory Based Teaching Learning Process at Primary Level : An Analysis In K.D. Gaur, R. Prasad and H. Bergal (Eds.), Globalization and Economy, New Delhi : Sunrise Publication.
- Basanti T.K. (2003) Effect of Activity Based Learning Ap proach in Achieving Interdisciplinary MLL Competencies though Teaching of Enviromantel Studies at Primary Level.
- Basanti T.k. (2006) Effect of Multi-Dimensional Activity Based Intrigated Approach in Enhaveing Cognitive and Creative Abili ties in Social Studies of Elementary School Children.
- Coombs, P.H. (1985) The World Crisis in Education, New York, Oxford Uniersity Press.
- Delors. J (1996) Learning for Treasure within-Report to UNESCO

of the International Commission on Education for Twenty First Century UNESCO.

- Govt of India (1952-53) Secondary Education Commission (1952-53) New Delhi, Ministtry of Education.
- Govt of India (1966) The Education Commission (1964-66) New Delhi, Ministry of Education.
- Govt of India(1986) Nation Policy of Education (1986) New Delhi, MHRD.
- Jarolimek. J. (1962) Social Studies in Elementary Education, New York : The Mae Millan Company.
- Mishra, S & Basantia, T.K (2003) The Modalities of Teacher's empowerment for organizing Creative Activities for Development of Various abilities in Elementary School Children. The Primary Teacher's 28 (4), 43-47.
- NCERT : The Curriculum for Elementary and Secondary Educa tion, New Delhi, NCERT (1975)
- NCERT (1988) National Curriculum for Elementary and Second ary Education, New Delhi, NCERT.
- NCERT (2006) : Position Paper National Focus Group on Teach❍ ing of Social Sciences, New Delhi, NCERT.
- NCERT (2000) National Curriculum Farmework for School Edu cation, New Delhi : NCERT
- NCERT (2005) National Curriculum Farmework-2005, New Delhi : NCERT
- Panda B. N. & Basantia T.K. (2006) Civic awarness: A recurring Challenge of Present day Education-Educational Strategies for its Enhancement. The Social Science International 22 (1) 84-96.
- Ross, D. (1991). The Origin of American Social Science, New york: Cambridge University Press.
- Traill, R.D.,Logan, L.M., & Remmington, G.T. (1968). Teaching the Social Sciences: A Creative Direction. Sidney: McGraw Hill

Company.

**অধ্যায়ৰ শেষৰ অনুশীলনী ১.১১**

১) যিকোনো শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথি এখন লওক। একেলগে তিনিখন বোৰ্ডৰ পৰা লওক CBSE, ICSC আৰু আপোনাৰ স্থানীয় বোৰ্ড। তিনিওখন বোৰ্ডৰ পাঠ্যপুথিসমূহত কি কি মিল আছে আৰু অমিল আছে তাক উলিয়াওক। এনে পাঠ্যপুথিবোৰৰ সন্তুলন সঠিক কৰাৰ বাবে পৰামৰ্শ আগবঢ়াওক।

২) প্ৰাথমিক বিদ্যালয় সমাজ বিজ্ঞানৰ যিকোনো এটা পাঠ লৈ পাঠ পৰিকল্পনা (Lesson Plan) তৈয়াৰ কৰক যাৰ সহায়ত সেই একে পাঠটোকে শিক্ষণ শিকনৰ আন্তঃনিয়মানুবৰ্ত্তী আৰু সমন্বিত ধৰণে আগবঢ়াই নিব পাৰি।

৩) বৰ্ত্তমান দিনবোৰ একবিংশ শতিকাৰ আৰম্ভণীৰ দিন। আজিৰ দিনটোৰ পৰা আৰম্ভ কৰি একবিংশ শতিকাৰ অন্তিম দিনটোলৈ বহুতো নতুন সামাজিক সমস্যাই সমাজক হয়তো প্ৰভাৱিত কৰিব। একবিংশ শতিকাক প্ৰভাৱান্বিত কৰিব পৰা এনে সামাজিক সমস্যাবোৰৰ এখন তালিকা প্ৰস্তুত কৰক আৰু এনে সমস্যাবোৰ আঁতৰাব পৰাকৈ এখন আঁচনি প্ৰস্তুত কৰক।

# দ্বিতীয় অধ্যায় ঃ বিদ্যালয় পাঠক্ৰমত সমাজ বিজ্ঞান

***গঠন***


*২.০ পাতনি*

*২.১ শিক্ষাৰ বিষয়*

*২.২ সমাজ বিজ্ঞানক প্ৰভাৱিত কৰা শক্তিসমূহ*

*২.২.১ ঔপনিবেশিক সম্পত্তি আৰু ৰাষ্ট্ৰবাদী দৰ্শন*

*২.২.২ স্বাধীনোত্তৰ সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ পৰিক্ৰমা / ক্ৰমবিকাশ*

*২.২.৩ ৰাষ্ট্ৰীয় সমন্বয় আৰু আন্তঃৰাষ্ট্ৰীয় বুজাপৰা*

*২.২.৪ ধৰ্মনিৰপেক্ষতা আৰু সাম্প্ৰদায়িকতা*

*২.২.৫ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ ওপৰত ক্ৰম (Subaltern) ৰ ভূমিকা*

*২.২.৬ লিংগ, জাতি আৰু জনজাতিৰ ভূমিকা*

*২.২.৭ সমাজ বিদ্যাৰ পাঠ্যক্ৰমত আন্তঃৰাষ্ট্ৰীয় ভূমিকা*

*২.২.৮ জাতীয় পৰ্যায়ত সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত প্ৰচলিত চিন্তাচৰ্চা আৰু অভ্যাস*

*২.৩ সাৰাংশ কৰো আহক*

*২.৪ আপোনাৰ অগ্ৰগতি পৰীক্ষাৰ উত্তৰ সমূহ*

*২.৫ আনুসাংগিক পুথিৰ নিৰ্দেশনা*

*২.৬ অধ্যয়নৰ শেষৰ প্ৰশ্নমালা*


## ২.০ পাতনি

প্ৰথম অধ্যায়ত আপোনালোকে সমাজ বিজ্ঞানৰ লক্ষণ আৰু এটা বিষয় হিচাপে ইয়াৰ অংশীভূত বিষয়, ইয়াৰ ক্ৰমবিকাশ আৰু ধাৰণা সম্বন্ধে শিকি আহিছে। প্ৰচলিত সমাজৰ স্থিতি সম্বন্ধেও আপোনালোকে অধ্যয়ন কৰিছে।

আপোনালোকে সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ বৰ্ত্তমানৰ দৰে আকৃতি হ'ব বুলি কেতিয়াবা চিন্তা কৰিছিলনে ?শিক্ষানীতিয়ে বিকাশ লাভ কৰি কেনেদৰে আজিৰ নিচিনা আকৃতি লাভ কৰিলে ? সমাজ বিজ্ঞানত উপলব্ধ ক্ষেত্ৰখন অতি বিশাল আৰু ছাত্ৰ-ছাত্ৰীক শিকাবলৈ লোৱা বিষয়সমূহ নিৰ্বাচন কৰাটো তাতোকৈও সংকটপূৰ্ণ, যিহেতু এইবোৰ ছাত্ৰ-ছাত্ৰীৰ উত্থানত প্ৰভাৱ পেলায়। স্পষ্টভাৱে পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত বিষয়বোৰৰ নিৰ্বাচন শিক্ষাৰ লক্ষ্যৰ ওপৰত ভিত্তি কৰি আৰু সমাজ বিজ্ঞান শিকোৱাৰ লক্ষ্যৰ ওপৰত কৰা হয়। সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ ভিতৰত কি থাকিব তাৰ সিদ্ধান্ত কোনে লয় ? এইবোৰৰ বোধগম্যতাই আপোনাক সমাজ বিজ্ঞানৰ শিক্ষানীতি ভালধৰণে বুজাত আৰু বিদ্যালয়ত সূচাৰু ৰূপত

চলাই নিয়াত সহায় কৰিব। সমাজ বিজ্ঞানে বুৰঞ্জী, ভূগোল, অৰ্থনীতি বিজ্ঞান আদিৰ বিভিন্ন বিষয়ৰ পৰা বিভিন্ন পাঠ সামৰি লয়। এই অধ্যায়ত আমি সেইবোৰ শক্তিৰ কথা আলোচনা কৰিবলৈ লৈছো, যিবোৰে এইবোৰ নিয়মামুবৰ্ত্তিতা আৰু বিশেষকৈ ভাৰতৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমক প্ৰভাৱিত কৰিছে। এইবোৰ শক্তিয়ে সমাজ বিজ্ঞানৰ শিক্ষণৰ লক্ষ্য বিলাকলৈ কিবা পৰিবৰ্তন আনিছে নেকি, তাক পৰীক্ষা কৰিম।

## ২.১ শিক্ষণীয় উদ্দেশ্য ঃ

এই অধ্যায়ৰ অন্তত আপুনি সক্ষম হ'ব ঃ

- সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ ক্ৰমবিকাশত প্ৰভাৱ বিস্তাৰ কৰা শক্তিসমূহৰ চিনাক্তকৰণ।
- সমাজ বিদ্যাৰ পাঠ্যক্ৰমৰ ওপৰত বিভিন্ন ঔপনিবেশিক সম্পদৰ প্ৰভাৱ সম্বন্ধে আলোচনা।
- সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ ওপৰত ৰাষ্ট্ৰীয় প্ৰভাৱ ব্যাখ্যা।
- সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ ওপৰত ৰাষ্ট্ৰীয় সমন্বয় আৰু আন্তঃৰাষ্ট্ৰীয় বুজাপৰাৰ প্ৰভাৱ ব্যাখ্যা।
- সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ ওপৰত ধৰ্মনিৰপেক্ষতা আৰু সম্প্ৰদায়িকতাৰ প্ৰভাৱৰ ব্যাখ্যা।
- সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ ওপৰত ক্ৰমন্বিত দৰ্শন (Subaltern Perspective)ৰ প্ৰভাৱৰ বিশ্লেষণ।

- সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ লিংগ, জাতি আৰু জনজাতীয় ভূমিকাৰ প্ৰভাৱৰ উদাহৰণ দিয়ক।
- সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম প্ৰচলিত আন্তঃৰাষ্ট্ৰীয় দৰ্শনৰ ভূমিকা আলোচনা কৰক।
- ৰাষ্ট্ৰীয় পৰ্যায়ত সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত প্ৰচলিত চিন্তাচৰ্চা আৰু ৰীতি-নীতি পৰ্যালোচনা কৰক।

## ২.২ সমাজ বিজ্ঞানক প্ৰভাৱিত কৰা শক্তিসমূহ

বহুতো শক্তি যেনে— ধাৰণা, আদৰ্শ, ঘটনা, সংঘটন, আন্দোলন, বিপ্লৱ, সংঘাট আৰু সম্বন্ধ, পাৰিপাৰ্শ্বিকতা আৰু সম্পদ আদিয়ে সমন্বিতভাৱে সমাজ বিজ্ঞানৰ আকৃতি প্ৰদান কৰিছে। উনৈশ শতিকাত ভাৰতত আৰম্ভ হোৱা আধুনিক ইংৰাজী শিক্ষানীতি প্ৰৱৰ্তনৰ আগতে সমাজ বিজ্ঞানে এটা স্বতন্ত্ৰ ৰূপ লাভ কৰা নাছিল। ঔপনিবেশিক শাসকসকলে বৃটিছসকলক শিক্ষা দিব পৰা ধৰণেৰে পাঠ্যক্ৰম প্ৰস্তুত কৰিছিল, কিছু ভাৰতীয়কো সেই শিক্ষা প্ৰদান কৰিছিল, যাতে তেওঁলোক ঔপনিবেশিক চৰকাৰখনৰ দক্ষ আৰু যোগ্য বিষয়া আৰু কেৰাণী হ'ব পাৰে। সময়ৰ লগে লগে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ জাতীয়তাবাদী ভাৱধাৰা, বৈশিষ্ট্য আৰু ধাৰণাৰ লগতে স্বাধীন ভাৰতৰ সংবিধানখনক সমৃদ্ধ কৰা মূল্যবোধে সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ বিষয়ত কি কি বিষয় সন্নিৱিষ্ট কৰা হ'ব তাক প্ৰভাৱান্বিত কৰিছিল। এই সন্দৰ্ভত ভাৰতৰ বিশাল জনসংখ্যা, সিহঁতৰ উন্নয়ন আৰু আৰ্থ-সামাজিক অৱস্থা, সামাজিক উত্থান আৰু সংঘাটেও সাঁচ বহুৱাই থৈছিল। পাৰিপাৰ্শ্বিকতা, সম্পদ, ৰাজনীতি, ক্ষমতা, সংঘৰ্ষ আৰু মানৱতাই পৃথিৱীত ভাৰতৰ স্থান কি, তাক সমাজ বিজ্ঞানত নিৰূপন কৰিছিল। আমাৰ দেশখনে অনেক জলন্ত সমস্যা যেনে— জনসংখ্যা বিস্ফোৰণ, দৰিদ্ৰতা,

নিৰপেক্ষতা, শোষণ, উন্নতি, অন্তৰ্ভূক্তি আদিৰ সন্মুখীন হৈ আহিছে। এই সকলোবোৰেই সমাজ বিজ্ঞানে কি শিকাব আৰু পঢ়ুৱাব তাত অন্তৰ্ভূক্ত কৰা হৈছে।

**২.২.১ ঔপনিবেশিক সম্পত্তি আৰু ৰাষ্ট্ৰবাদী দৰ্শন**

ভাৰতৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত ঔপনিবেশিক সময়চোৱাই যথেষ্ট উন্নতিৰ অৰিহণা আগবঢ়াইছিল। সমাজ বিজ্ঞান এক স্বতন্ত্ৰ বিষয় হিচাপে আত্মপ্ৰকাশ কৰাৰ এইখিনিয়েই সময় আছিল আৰু পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত বিষয়সমূহো এইডোখৰ সময়তে নিৰ্বাচন কৰা হৈছিল। বুৰঞ্জী ৰচনা কৰাটো ভাৰতৰ বৰ দীৰ্ঘ পৰিক্ৰমা নহয়। এইটো স্বীকাৰ কৰিব লাগিব যে বৃটিছসকলেই প্ৰথম আছিল, যিয়ে ভাৰতৰ বুৰঞ্জী লিপিবদ্ধ কৰিছিল। আকৌ সেইসকল বৃটিছেই আছিল, যি সকলে ভাৰতবৰ্ষৰ দীঘ আৰু প্ৰস্থ মাপ কৰিছিল আৰু এই ক্ষেত্ৰত তেওঁলোকে জৰীপ আৰু লোকপিয়লৰ আধুনিক আৰু বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰ কৰিছিল। এই সকলোবোৰে এক সুদূৰ বাস্তৱতা, অৱয়ব আৰু তথ্য আগবঢ়াইছিল, যিবোৰ সম্বন্ধে ভাৰত তথা পৃথিৱী অজ্ঞ আছিল। ভাৰতবৰ্ষ আৰু ভাৰতীয় সকল নতুন আলোকেৰে উদ্ভাষিত হৈ উঠিছিল। ঔপনিবেশিক শাসকসকলে ভাৰতৰ এই সমৃদ্ধ জ্ঞানৰাশিক নিজৰ অভিপ্ৰায় আৰু লক্ষ্যৰ সৈতে সংযোগ কৰিছিল যাৰ দ্বাৰা এই অনিবাৰ্য সুসভ্য শাসক সকলে দেশখনত লাভান্বিত কৰিছিল আৰু সমাজ বিজ্ঞানৰ সূচীসমূহ প্ৰস্তুত কৰিছিল।

আপোনালোকে নিশ্চয় সিন্ধু উপত্যকাৰ সভ্যতাৰ কথা পঢ়িছে। ভাৰতীয় উপমহাদেশখন উত্তৰ পশ্চিম প্ৰান্তত খ্ৰীষ্টপূৰ্ব ৩৩০০ বছৰৰ পৰা ১৩০০ বছৰ পৰ্যন্ত সিন্ধু সভ্যতাৰ বিকাশ হৈছিল, যাক ভাৰতৰ প্ৰথমটো মূখ্য সভ্যতা বুলি বিবেচনা কৰা হৈছিল। এই প্ৰাচীন সভ্যতাৰ প্ৰযুক্তিবিদ্যাৰে বিলাসী চহৰীয়া সংস্কৃতি আছিল। আধুনিক বিশ্বৰ ১৮২৬ চনত প্ৰথম বাৰৰ বাবে সিন্ধু সভ্যতাৰ কথা জ্ঞাত হৈছিল। যেতিয়া বৃটিছ সেনাধ্যক্ষ চাৰ্লচ মেচনে এক বিশাল ভগ্নস্তুপত খননকাৰ্য চলাইছিল যাক এতিয়া হৰপ্পা নামে জনা যায়, য'ৰ পৰা পুৰাতত্ত্ব বিভাগৰ এই ঠাইখনে এই নাম পাইছিল। ১৮৫৬ চনৰ পৰা ১৮৭২ চনলৈ চাৰ আলেকজেণ্ডাৰ কানিংহামে (ভাৰতীয় পুৰাতত্ত্ব জৰীপ বিভাগৰ সঞ্চালক) হৰপ্পাৰ ওচৰে পাজৰে সৰু সৰু খনন কাৰ্য চলাইছিল। তাৰ ওচৰ পাজৰত বাস কৰা মানুহে সেই ভগ্নাৱশেষৰ ইটাবোৰ যি নিজৰ নিজৰ ঘৰ সজা কামত লগাইছিল। আনকি এই ইটাবোৰ কৰাচী-লাহোৰ ৰেল পথ নিৰ্মাণৰ কামতো ১৮৬৪ চনত ব্যৱহাৰ হৈছিল। ১৯১৪ চনত চাৰ জন মাৰ্চালেও (সঞ্চালক, ভাৰতীয় পুৰাতত্ত্ব বিভাগ) হৰপ্পাত জৰীপ চলাইছিল আৰু এটা প্ৰকাণ্ড পানী সোমাব নোৱাৰা গা ধোৱা টেংকী আৰু এটা ভঁৰাল আৱিষ্কাৰ কৰিছিল। আৰ. ডি. বেনাৰ্জী, ভাৰতীয় পুৰাতত্ত্ব বিভাগৰ আন এজন বিষয়াই ১৯২১-২২ চনত প্ৰথম মহেঞ্জ'দাৰোৰ আৱিষ্কাৰ কৰিছিল। এনেদৰে আমি প্ৰাচীন ভাৰতীয় মহান বুৰঞ্জীৰ কথা জানিব পাৰো।

ভাৰতৰ বুৰঞ্জীৰ আন এটা উদাহৰণ চাওঁ আহক। মহান সম্ৰাট অশোকক বিশ্ব-বুৰঞ্জীৰ আদৰ্শ শাসক সকলৰ ভিতৰত এজন বুলি গণ্য কৰা হয়। বৃটিছ বুৰঞ্জীবিদ এইচ. জি. ৱেলছ য়ে লিখিছিল— "বুৰঞ্জীৰ শিতান দখল কৰি থকা এহেজাৰজন সম্ৰাটৰ ভিতৰত যদি দহজন শ্ৰেষ্ঠ বাচি উলিওৱা হয়, অশোকৰ নাম

তেতিয়াই এটা নক্ষত্ৰৰ দৰে অকলে উজ্জ্বলি উঠে। কিন্তু অশোক আৰু তেওঁৰ কাৰ্যাৱলীবোৰ একেবাৰে অপৰিচিত হৈ ৰ'ল, কেৱল তেওঁৰ কাহিনীৰ বাহিৰে, বিশেষকৈ বৌদ্ধ সাহিত্যত, যিটোৰ বুৰঞ্জীৰ সঠিকতা আৰু নিশ্চয়তা নাছিল। ১৮৩৭ চনত জেমচ প্ৰিঞ্চেপে দিল্লীত এটা প্ৰকাণ্ড শিলৰ খুটাত শিলালিপি উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। প্ৰিঞ্চেপৰ এই সফলতাই আন আন শিলালিপি উদ্ধাৰ কৰিবলৈ প্ৰেৰণা যোগাইছিল। এই শিলালিপিয়ে ভাৰত আৰু পাকিস্তান, আফগানিস্তান আৰু নেপালৰ মাজত বহুতো বিক্ষিপ্ত ঘটনাৰ সৃষ্টি কৰিছিল আৰু শিলৰ ৰাজ আজ্ঞান শৃংখল হিচাপে কাম কৰিছিল, যিবোৰ এজন ৰজাৰ দ্বাৰা জাৰি কৰা হৈছিল আৰু নিজকে ভগৱানৰ প্ৰিয়ভাজন ৰজা পিয়াদাসী" বুলি কৈছিল। এই ভগৱানৰ প্ৰিয়ভাজন ৰজা পিয়াদাসীৰ চিনাক্তকৰণ সম্ৰাট অশোকৰ সৈতে ১৯১৫ চনত সম্পন্ন হৈছিল আন এটা শিলালিপি আৱিষ্কাৰৰ জৰিয়তে। এই গ্ৰহণযোগ্য পুৰাতাত্ত্বিক আৰু বুৰঞ্জীৰ পুৰুষাৰ্থৰ ফল স্বৰূপে আমি সম্ৰাট অশোকৰ দৰ্শনীয় জীৱন আৰু গুণৰ প্ৰাপ্তি জানিবলৈ সক্ষম হওঁ। এইবোৰ আৰু এনেকুৱা অন্যান্য আৱিষ্কাৰে ঔপনিবেশিক সময়ত ভাৰত বুৰঞ্জীৰ ধৰণকে সলাই পেলাইছিল। উপৰোক্ত দুয়োটা উদাহৰণৰ আপুনি কি সামৰণি কৰিব বিচাৰে?

কেইজনমান বৃটিছ শাসক আৰু বিষয়াই ভাৰতৰ বুৰঞ্জী লিপিবদ্ধ কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিল। ১৭৮৪ চনত ৱাৰেন হেষ্টিংচে চাৰ উইলিয়াম জনচক কলিকতা উচ্চ ন্যায়ালয়ৰ মূখ্য ন্যায়পালিকা হিচাপে নিযুক্তি দিছিল আৰু তেওঁক ভাৰতৰ বুৰঞ্জী লিখিবলৈ নিৰ্দেশনা দিছিল। অতি বুদ্ধিমান উইলিয়াম জনচে লগে লগে "এছীয় বেঙ্গল সমাজ" গঠন কৰিলে আৰু ইয়াৰ হকে ভাৰতৰ বুৰঞ্জী লিখিবলৈ আৰম্ভ কৰিলে। উইলিয়াম জনচে আগবঢ়োৱা এই প্ৰচেষ্টাৰ পিচত অনেক অনুৰাগীয়ে তেওঁৰ পস্বাদগমন কৰিছিল। ১৭৮৮ চনত আৰম্ভ কৰা তেওঁৰ সাময়িক আলোচনী "Asiatic Researches" প্ৰকাশ হোৱাৰ লগে লগে তেওঁৰ প্ৰচেষ্টাই চূড়ান্ত ৰূপ পাইছিল। এই আলোচনীখনে সেই গৱেষণা আৰু জৰীপবোৰ পোহৰলৈ আনিলে যিবোৰৰ দ্বাৰা মানুহে ভাৰতৰ অপৰিসীম সম্পদৰ বিষয়ে জানিবলৈ সুবিধা পালে। নিৰৱিচ্ছিন্ন ক্ষেত্ৰ কাৰ্যবোৰে অতি সোনকালে আন বহুতো অপ্ৰচলিত আৰু আন বহুতো সম্পদৰ কথা প্ৰকাশ কৰিলে। ইয়াৰ পিচত বোম্বে আৰু মাদ্ৰাজত একেধৰণৰ সমিতিবোৰ গঢ়ি উঠিল। ১৮৩৩ চনত জেমচ প্ৰিঞ্চ "Asiatic Society" ৰ সম্পাদক হ'ল। তেওঁৰ আটাইতকৈ ডাঙৰ সফলতা আছিল Brahmi আৰু Kharoshthi লিপিৰ উদ্ধাৰ (১৮৩৪) আৰু পিয়াদাসীৰ সৈতে অশোকৰ চিনাক্তকৰণ। বঙ্গৰ Asiatic Society ৰ এই মহৎ অৱদান ভাৰত বুৰঞ্জীৰ বাবে আজিও স্মৰণীয় হৈ আছে। ঔপনিবেশিক সময়চোৱাই আন বহুতো পুৰাতত্ত্ব বিষয়ৰ সম্পদ আৱিষ্কাৰ কৰিবলৈ আৰু বুজিবলৈ অনেকবাৰ চেষ্টা কৰা পৰিলক্ষিত হৈছিল আৰু ই ভাৰত বুৰঞ্জী পুনৰ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। Bengal Engineers ৰ দ্বিতীয় লেফটেনেণ্ট কানিংহামক ১৮৬১ চনৰ পৰা আৰম্ভ হোৱা প্ৰথম পুৰাতত্ত্ব জৰীপৰ বিষয়া হিচাপে নিয়োগ কৰা হৈছিল। তেতিয়াৰ পৰাই পূৰ্ণ পৰ্যায়ৰ পুৰাতত্ত্ব জৰীপ আৰম্ভ হৈছিল। 'ভাৰতৰ পুৰাতত্ত্ব জৰীপ' পিচলৈ চৰকাৰৰ এটা বিভাগ হৈ পৰিছিল আৰু ভাৰতত পুৰাতত্ত্ব জৰীপ আৰু সংৰক্ষণৰ কাম-কাজ আৰম্ভ হৈছিল।

জেমচ মিল, যিজনে প্ৰথম বিস্তৃতভাৱে ভাৰতৰ বুৰঞ্জী ৰচনা কৰিছিল, তেওঁক কৃতিত্ব দিবই লাগিব। তেওঁ কিন্তু কেতিয়াও ভাৰতলৈ অহাই নাছিল, অথচ বুৰঞ্জী লিখাৰ সময়ত তেওঁ সেইটো অতি প্ৰয়োজনীয় বুলি ভাবিছিল। ১৮০৬ ৰপৰা আৰম্ভ কৰি ১৮১৮ চনলৈকে তেওঁ আত্মনিয়োগ কৰি "The History of British India" ৰচনা কৰিছিল। আন বহুতো বৃটিছ বিষয়া আৰু সৈন্য বাহিনীৰ বিষয়াইও ভাৰতৰ বুৰঞ্জী লিখিবলৈ চেষ্টা কৰিছিল। তেওঁলোকৰ ভিতৰত কেইজনমান হ'ল— Major General John Malcolm (কেন্দ্ৰীয় ভাৰতৰ স্মাৰক, ১৮২৪) Captain Grant Duff (মাৰাঠাৰ বুঞ্জী, ১৮২৬), Gen Briggs (ভাৰতত মুছলিম ক্ষমতাৰ উত্থান, ১৮২৯) Mount Stuart Elphinstone (ভাৰতৰ বুৰঞ্জী, ১৮৪১) আৰু Joseph Cunningham (শিখ সকলৰ বুৰঞ্জী, )। এই কিতাপবোৰ অতি সেনকালে জ্ঞানৰ উচ্চ সম্পদ বুলি বিবেচিত হৈছিল আৰু ভাৰত আৰু ভাৰতৰ বাহিৰৰ সাধাৰণ ভাৰতীয়সকল যথেষ্ট উপকৃত হৈছিল। ভাৰতত যেতিয়া ইংৰাজী শিক্ষাৰ ধাৰণা প্ৰৱৰ্তন হৈছিল, সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত ভাৰত বুৰঞ্জী অন্তৰ্ভূক্ত হৈছিল, যিবোৰ বৃটিছ লিখক সকলে লিখা আছিল।

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৭৬৭ চনত “ভাৰতৰ জৰীপ” আৰম্ভ কৰিছিল আৰু ইয়াৰ লক্ষ্য আছিল ভাৰত ভূখণ্ডৰ প্ৰতিটুকুৰা মাটি আৱিষ্কাৰ কৰা আৰু সৈন্যবাহিনী অথবা সাধাৰণ লোকৰ কামত অহাকৈ মানচিত্ৰকৰণৰ কাম তেওঁলোকে আৰম্ভ কৰিছিল। এই জৰীপবোৰ ভাৰতৰ ভূমি আৰু সম্পদ সমূহৰ অতি চহকী সম্পদ হৈ পৰিছিল। প্ৰাকৃতিক সম্পদসমূহৰ শোষণৰ বাবে এনে জ্ঞানবোৰ অতি আৱশ্যকীয় আছিল আৰু বাণিজ্য, ব্যৱসায়, প্ৰশাসন আৰু উন্নয়নৰ আঁচনিৰ কাৰণে বৰ প্ৰয়োজনীয় আছিল। এই জৰীপ বিলাকৰ পৰা পোৱা জ্ঞান আৰু সমলবোৰে দেশখনৰ লগতে ইয়াৰ বাসিন্দাসকলক জনাৰ অধিক সুযোগ আগবঢ়াইছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত এনে জৰীপ কিয় আৰম্ভ কৰিছিল তাৰ উদ্দেশ্য আপুনি অনুমান কৰিব পাৰিছেনে? সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমে বৰ্তমান ছাত্ৰসকলক তেওঁলোকে বাস কৰা ঠাইখন, ভাৰতৰ জনসাধাৰণ, ইয়াৰ নদীসমূহ, পৰ্বতসমূহ, অৰণ্যসমূহ, কৃষি, অৰ্থনৈতিক অৱস্থা, জনসংখ্যা, ধৰ্ম, চৰকাৰ আৰু এনে নানা বিষয়বস্তু জানিবলৈ সুবিধা কৰি দিছে। জ্ঞান আৰু বোধগম্যতাৰ এই আটাইবোৰ ক্ষেত্ৰ সমাজ বিজ্ঞান নতুন অংশ হৈ পৰিল, যাৰ পৰিসৰে বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞন, অৰ্থনীতি আদি অনেক বিষয় সামৰি ল'লে।

আপুনি জানে যে বিভিন্ন জনগাঁঠনিৰে ভাৰত এখন সমৃদ্ধ দেশ। ভাৰতৰ লোকপিয়ল একক ভাৱে অতি প্ৰয়োজনীয় জ্ঞানৰ ভাণ্ডাৰ হৈ পৰিল, যিয়ে ভাৰতীয় মানুহ, ভাৰতীয় মানুহৰ কিমান সংখ্যক ভাৰতত বাস কৰে, লিঙ্গৰ অনুপাত, সাক্ষৰতা আৰু এনে অনেক বৈশিষ্ট্যৰ সমল আগবঢ়ালে। এনে তথ্যবোৰে আমাৰ স্পষ্ট ধাৰণা উন্নত কৰাত যথেষ্ট সহায় কৰিলে। আপুনি কেতিয়াবা লোকপিয়লৰ ফলাফল বিশ্লেষণ কৰিছেনে? লোকপিয়লবোৰে জ্ঞান আৰু বোধগম্যতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। ১৮৭২ চনত বৃটিছ চৰকাৰে প্ৰথম লোকপিয়ল আৰম্ভ কৰিছিল। তাৰ পিছৰটো লোকপিয়ল ১৮৮১ চনত অনুস্থিত হৈছিল। তাৰ পিচত প্ৰতি দহ বছৰৰ অন্তৰে অন্তৰে লোকপিয়ল অনুষ্ঠিত হৈ আহিছে। এই লোকপিয়লবোৰে উন্মুক্ত কৰা নতুন নতুন তথ্য আৰু জ্ঞানসমূহে আমাৰ দেশখনক বহুতো অন্তৰ্ভূক্তি আৰু প্ৰভাৱ আগবঢ়াইছিল,

যিবোৰ সমাজ বিদ্যাৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হৈছিল।

১৮৩৫ চনত আৰম্ভ কৰা ইংৰাজী শিক্ষাৰ পাতনিয়ে ভাৰতীয় ছাত্ৰসকলক পশ্চিমীয়া বিজ্ঞান আৰু প্ৰযুক্তি অধ্যয়ন কৰাৰ সুযোগ দিছিল আৰু নিজকে প্ৰকৃতি আৰু সমাজক অধ্যয়ন কৰাৰ ক্ষেত্ৰত নিজৰ মাটিতেই গৃহস্থৰ গৌৰৱ বোধ কৰিবলৈ সুযোগ দিছিল। ১৮৫৪ চনৰ The Woods Dispatch এ দেশখনত এক আধুনিক শিক্ষা ব্যৱস্থাৰ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছিল আৰু শিক্ষাৰ বিভিন্ন স্তৰৰ বাবে প্ৰশাসন আৰু ব্যৱস্থাপনাৰ এক বিস্তৃত প্ৰস্তুতি প্ৰয়োগ কৰিছিল। তাৰ পাছতেই ১৮৫৭ চনত বোম্বে, কলিকতা আৰু মাদ্ৰাজত প্ৰথম তিনিখন বিশ্ববিদ্যালয় স্থাপন হৈছিল। এই বৃটিছ চৰকাৰখন প্ৰশাসন, পৰিবহণ আৰু যোগাযোগৰ নতুন ধৰণ প্ৰয়োগৰ বাবে দায়বদ্ধ আছিল, য'ত ৰেল আৰু টেলিগ্ৰাফ লাইনবোৰো সামৰি লোৱা হৈছিল। আইন প্ৰণয়নৰ নিয়ম আৰু মূল কাৰ্যবাহৰ পৰা ইয়াৰ পৃথকীকৰণেও প্ৰয়োজনীয় উন্নয়ন আনিছিল। একে সময়তে বালিকা শিক্ষা, সতীদাহ প্ৰথাৰ নিৰ্মূলকৰণ আদি সমাজ সংস্কাৰমূলক কাম-কাজবোৰো সামৰি লৈছিল। এই সময়চোৱাত ভাৰতীয়া সংস্কৃতি আৰু সভ্যতাৰ প্ৰতিও আকৰ্ষণ বৃদ্ধি হৈছিল। ভাৰতৰ বহুতো ধৰ্মীয় আৰু পৱিত্ৰ গ্ৰন্থ ইউৰোপীয় ভাষালৈ অনুদিত হৈছিল আৰু এই কিতাপবোৰৰ প্ৰকাশে ভাৰতীয় সভ্যতালৈ নতুন পোহৰৰ বিকিৰণ কৰিছিল। এই ক্ষেত্ৰত প্ৰাচ্যৰ প্ৰখ্যাত ভাষাবিদ (জাৰ্মান) Friedrich Max Muller এ অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। "Sacred Books of the East" নামেৰে এনে কিতাপৰ এটা শৃঙ্খল তেওঁ প্ৰকাশ কৰিছিল।

পুৰাতত্ত্ব, বুৰঞ্জী, সংস্কৃতি, সভ্যতা, ভাৰতৰ মাটি আৰু প্ৰাকৃতিক সম্পদসমূহ, লোকপিয়ল, ভাৰতীয় প্ৰশাসনৰ ৰদ-বদল, শিক্ষা, যাতায়াত আৰু যোগাযোগ আৰু সমাজ সংস্কাৰ আদি বিভিন্ন ক্ষেত্ৰৰ উন্নতিয়ে সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমক যথেষ্ট সমৃদ্ধ কৰিছিল।

**ৰাষ্ট্ৰীয়তাবাদী বিকল্প ঃ**

বৃটিছ প্ৰশাসক সকল উপৰিউক্ত ক্ষেত্ৰ আৰু বিষয়বোৰত ব্যস্ত থকাৰ কাৰণ এয়াই নাছিল যে তেওঁলোকে কেৱল দেশখনকেই উন্নতি কৰিব, এই কাৰ্যাৱলীৰ ভালেসংখ্যকে ভাৰতত বৃটিছ শাসনৰ যুক্তিযুক্ততা সম্পৰ্কেও প্ৰশ্ন উত্থাপন কৰাইছিল। ঔপনিবেশিক শাসক সকলে ভাৰতত তেওঁলোকৰ শাসনৰ হকে সজোৰ যুক্তি উপস্থাপন কৰিছিল। Rudyard Kipling ৰ "White man's burden" খন ইয়াৰ এক উদাহৰণ, যিয়ে শিক্ষাক এক প্ৰতিষ্ঠান হিচাপে দাঙি ধৰিছিল আৰু কৈছিল যে বগা মানুহবোৰে এই দেশৰ বাসিন্দাবোৰক লাভান্বিত কৰিবলৈ দেশখন শাসন কৰা উচিত। বহুতো শিক্ষিত ভাৰতীয়ই ভাৰতীয় সংস্কৃতি আৰু সমাজৰ আলোকিত কৰাৰ প্ৰয়াস কৰাও দৃষ্টিগোচৰ হৈছিল।

**মেকলেই লিখিছিল ঃ** "সংস্কৃত অথবা আৰবীৰ মোৰ কোনো জ্ঞান নাই। কিন্তু ইয়াৰ সঠিক মূল্যায়ন কৰিবলৈ মই যত্ন কৰিলো। অতি বিস্তৃত আৰবী আৰু সংস্কৃত ভাষাৰ অনুদিত গ্ৰন্থসমূহ মই পঢ়িলো। ইয়াত আৰু নিজৰ দেশত মই বিভিন্ন মানুহৰ সতে আলোচনা কৰিছো, যিসকলে প্ৰাচ্যত নিজৰ দক্ষতা প্ৰমাণিত

কৰিছে। প্ৰাচ্যৰ শিক্ষাবিদ সকলে পোষকতা কৰা শিক্ষা ব্যৱস্থা মানি ল'বলৈ মই প্ৰস্তুত। (তেওঁলোকৰ মাজত মই এনে এজনো বিচাৰি পোৱা নাই, যিয়ে ভাৰত আৰু আৰবৰ সমগ্ৰ সাহিত্যতকৈ এটা শ্ৰেষ্ঠ ইউৰোপীয়ান পুথিভঁৰালৰ এখন চেলফেই যথেষ্ট মূল্যৱান) ইউৰোপীয় সাহিত্যৰ এনে শ্ৰেষ্ঠত্বৰ বাবেই কমিটিখনৰ সকলো সদস্যই ইয়াক মানি লৈছে আৰু "Oriental Plan of Education" মানি লৈছে। (Macaulay's Minutes, 1835)

মেকলেৰ কথাখিনি আপুনি কি ভাৰে বিবেচনা কৰিলে ?

**সমল ঃ** Thomas Babington Macaulay, "Minute on Education," in *Through Indian Eyes: The Living Tradition*, Donald J. Johnson, et al. (New Y0rk: CITE Books, 1992).

বুৰঞ্জী লিখোতে আৰু সামাজিক আৰু ধৰ্মীয় অভ্যাসবোৰ ব্যাখ্যা কৰোতে বহুতো বৃটিছ লিখক আৰু প্ৰশাসকে ভাৰতীয় জীৱন আৰু সংস্কৃতিৰ নেতিবাচক দিশবোৰ অতিৰিক্ত ভাৱে উপস্থাপন কৰাৰ চেষ্টা কৰিছিল আৰু তেওঁলোকে বৃটিছ আৰু ইউৰোপীয় শ্ৰেষ্ঠত্বৰ ধাৰণাবোৰৰ দ্বাৰা ভাৰতবৰ্ষ বহুটো ধৰণে লাভান্বিত হোৱা বুলি প্ৰকাশ কৰিছিল। জাতীয়তাবাদী ভাৱধাৰাৰে উদ্বুদ্ধ ভাৰতীয়সকলে এনেবোৰ কথা মানি ল'ব খোজা নাছিল। তেওঁলোকে বিচাৰিছিল যে ভাৰতৰ নিজৰ বুৰঞ্জী ভাৰতীয় সকলেই লিখক।

আপুনি ভাবেনে যে বুৰঞ্জীৰ ঘটনাসমূহ বিভিন্ন ধৰণে ব্যাখ্যা কৰিব পাৰি? ১৮৫৭ চনৰ উত্থানক আপুনি কেনেদৰে ব্যাখ্যা কৰিব? এইটো অকল চিপাহী বিদ্ৰোহ আছিলনে, যাক বহুতো বৃটিছ বুৰঞ্জীবিদে তেনে ধৰণেই ব্যাখ্যা কৰিছিল? নে এইটো স্বাধীনতাৰ প্ৰথমখন যুদ্ধ বুলি ব্যাখ্যা কৰিব পাৰি? যেনেদৰে জাতীয় বুৰঞ্জীবিদ সকলে ব্যাখ্যা আগবঢ়াইছে। আপোনাৰ উত্তৰ প্ৰস্তুত কৰোতে যুক্তি প্ৰদৰ্শন কৰক।

ভাৰতীয় জাতীয়তাবাদীসকলে বৃটিছৰ ভাৰত বুৰঞ্জীৰ সভ্যতা, সংস্কৃতি আৰু সম্পত্তিৰ ব্যাখ্যাৰ ধৰণৰ ওপৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল। ভাৰতীয় অৰ্থনৈতিক আকৰ্ষণ, ৰাজনৈতিক পৈণতা, মানুহৰ আকাংক্ষা আদিক তেওঁলোকে আন বিভিন্ন ধৰণে ব্যাখ্যা কৰিছিল। স্বামী বিবেকানন্দ সেই ব্যক্তিসকলৰ মাজত এজন আছিল, যিয়ে ভাৰতীয় দৃষ্টিৰে চালিজাৰি চাইহে ভাৰতীয় বুৰঞ্জী লিখনৰ প্ৰয়োজনীয়তাৰ চৰ্চা কৰিছিল। তেওঁ লক্ষ্য কৰিছিল, ইংৰাজ সকলে লিপিবদ্ধ কৰা আমাৰ দেশৰ বুৰঞ্জীয়ে আমাৰ মনক দুৰ্বল কৰিব নোৱাৰে, নতুবা তেওঁলোকে কেৱল আমাৰ পতনৰ কথাকে কৈছে। আমাৰ ধৰণ-কৰণ, ৰীতি-নীতি, ধৰ্ম আৰু দৰ্শন ভালদৰে বুজি নোপোৱা বিদেশীয়ে কেনেদৰে ভাৰতৰ বুৰঞ্জী প্ৰণয়ন কৰিব। ভাৰতৰ বুৰঞ্জী ভাৰতীয়ই লিখিব।

জাতীয়তাবাদী সকলে অনুভৱ কৰিছিল যে ভাৰত বুৰঞ্জী লিখা বৃটিছ লিখক সকলে ভাৰতত বিদেশী শক্তিৰ আক্ৰমণক অধিক গুৰুত্ব দিছিল। তাৰোপৰি সামাজিক ব্যৱস্থাত স্থানীয় উপাদান যেনে- জাতিগত প্ৰথা, অস্পৃশ্যতা, সংস্কৃতৰ ব্যৱহাৰ আদি নেতিবাচক দিশবোৰক তেওঁলোকে বেছি প্ৰাধান্য দিছিল। কিন্তু ভাৰতে কিদৰে বিদেশী শক্তিৰ আক্ৰমণ প্ৰতিহত কৰিছিল, তীব্ৰ আগ্ৰাসনৰ বিৰুদ্ধে কেনেদৰে স্থিতিস্থাপকতা প্ৰদৰ্শন কৰিছিল, বহু হাজাৰ বচৰ ধৰি কেনেদৰে ভাৰতীয় সামাজিক প্ৰথাই গৌৰৱেৰে মূৰ দাঙি আছিল

আৰু সমগ্ৰ উপমহাদেশখনত কেনেদৰে হাজাৰ হাজাৰ বছৰ ধৰি সংস্কৃত ভাষা একক আৰু অনন্য অতি প্ৰাচীন ভাষা হিচাপে মানুহৰ মাজত প্ৰচলিত হৈ আছিল, এইবোৰৰ কিন্তু কোনো উল্লেখ নাছিল। জাতীয়তাবাদী সকলে দেশৰ স্বাভাৱিক বিশিষ্টতা, প্ৰমূল্য আৰু পৰম্পৰা ৰক্ষা কৰি বুৰঞ্জী প্ৰণয়নৰ পোষকতা কৰিছিল যাতে এক জাতীয় পৰিচয়ৰ প্ৰাপ্তি হয়। ঔপনিবেশিক প্ৰশাসনৰ এজন বিষয়া বঙ্কিমচন্দ্ৰ চেটাৰ্জীয়ে ভাৰতৰ সাংস্কৃতিক আৰু ধৰ্মীয় উত্থানৰ সজোৰে পোষকতা কৰিছিল। তেওঁৰ “বন্দে মাতৰম” ভাৰতীয় জাতীয়তাবোধৰ এক অগ্ৰণী উদাহৰণ আছিল।

বহুটো জাতীয়তাবাদী নেতাই সমাজ উন্নয়নৰ পৰিপুৰক আৰ্হিৰ প্ৰস্তাৱ আগবঢ়াইছিল। গোখলেই বিশ্বজনীন প্ৰাথমিক শিক্ষা প্ৰবৰ্তনৰ পোষকতা কৰিছিল। বৰোডাৰ মহাৰাজা শিৱাজীৰাও গাইক’ৱাৰ্ডে নিজৰ প্ৰদেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰবৰ্তন কৰিছিল। মহাত্মা গান্ধীয়ে শিক্ষাৰ এক বিস্তৃত আঁচনি প্ৰস্তুত কৰিছিল, যিটো ভাৰতৰ মূখ্য শিক্ষা ব্যৱস্থা আছিল। আন আন নেতা সকলে শৈক্ষিক প্ৰতিষ্ঠানৰ জন্ম দিছিল, য’ত ছাত্ৰসকলক নিজৰ ভবিষ্যত গঢ়াৰ বাবে সুবিধা দিয়াৰ লগতে ছাত্ৰ সকলক গৌৰৱবোধ আৰু আত্মবিশ্বাসী কৰি গঢ়ি তোলাৰ বাবে প্ৰয়াস কৰিছিল আৰু ঔপনিবেশিক প্ৰশাসকসকলৰ শ্ৰেষ্ঠত্বৰ পিনে চকু নিদিব শিকাইছিল, যিসকলে ভাৰতীয় ছাত্ৰক কেনেকৈ জীয়াই থাকিব লাগে তাৰ শিক্ষা দিছিল। এটা ধাৰণা স্পষ্ট আছিল যে কেৱল মাত্ৰ কেৰাণী হোৱাৰ জোখাৰে শিক্ষা গ্ৰহণ কৰাৰ সলনি সৎ নাগৰিক হ’ব পৰাৰ জোখাৰে শিক্ষা গ্ৰহণ কৰা আৰু ছাত্ৰসকলৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ভাৱে উপযুক্ত কৰি গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল। স্বামী দয়ানন্দৰ Dayanand Anglo Vedic (DAV) আন্দোলন আন এটা প্ৰকাৰ আছিল, যিয়ে সামাজিক, ধৰ্মীয় আৰু শৈক্ষিক সংস্কাৰৰ পোষকতা কৰিছল। আৰ্য সমাজ আৰু ব্ৰাহ্ম সমাজ আন্দোলনেও ভাৰতৰ সামাজিক -ধৰ্মীয় সংস্কাৰ আনিবলৈ প্ৰয়াস কৰিছিল। তাৰোপৰি ব্যক্তিগত ভাৱে আন বহুতেও বিকাশ শিক্ষানীতিৰ হকে মাত মাতি আহিছিল।

মহাত্মা গান্ধীয়ে সামাজিক আৰু আৰ্থিক উন্নয়নৰ এক উপন্যাস সদৃশ আৰ্হিৰ প্ৰস্তাৱ আগবঢ়াইছিল। তেওঁৰ এই আৰ্হিত ঔদ্যোগীক বিকাশ অথবা পশ্চিমীয়া ধাৰণাৰ কোনো অৱকাশ নাছিল। তেওঁৰ স্বাধীনতাৰ ধাৰণাও আৰ্থিক আৰু সামাজিক স্বাধীনতাৰে সম্পৃক্ত আছিল। ভাৰতীয় গাঁওবোৰ আত্মনিৰ্ভৰশীল হোৱাৰ পোষকতা গান্ধীজীয়ে কৰিছিল, য’ত প্ৰত্যেকে স্বতন্ত্ৰ ভাৱে একোটা মৰ্যদা সম্পন্ন, শোষণ বিহীন জীৱন যাপন কৰিবলৈ সমৰ্থ হ’ব। যেতিয়া স্বাধীনতাৰ জাতীয় আন্দোলনে সমগ্ৰ জনগণ আন্দোলন হৈ পৰিছিল, জাতীয়তাবাদী সকলৰ সামাজিক আৰু অৰ্থনৈতিক দৃষ্টিভংগী অধিক শক্তিশালী হৈ পৰিছিল আৰু ৰাজনৈতিক ক্ষমতা আৰু পূৰ্ণ স্বৰাজৰ দাবীও সজোৰ হৈ উঠিছিল। সমাজ বিদ্যাৰ পাঠ্যক্ৰমত এই জাতীয়তাবাদী ভাৱধাৰা আৰু বিকল্প চিন্তাই মূখ্য প্ৰভাৱ বিস্তাৰ কৰিছিল।

**কাৰ্যৱলী — ১**

১) ভাৰতৰ মানুহৰ মাজত আপুনি লক্ষ্য কৰা কিছুমান বিভিন্নতাৰ তালিকা প্ৰস্তুত কৰক।

২) ভাৰতৰ এই বিভিন্নতাৰ প্ৰত্যাহ্বান সমূহক আপুনি কি বুলি বিবেচনা কৰে?

৩) আপোনাৰ পঞ্চায়ত, খণ্ড আৰু মৌজাৰ শেহতীয়া লোকপিয়লৰ তথ্য সংগ্ৰহ কৰক। আপোনাৰ অঞ্চলত বাস কৰা লোকৰ সংখ্যা আপুনি উলিয়াব পাৰিব। আপোনাৰ কি হাৰত জনসংখ্যা বৃদ্ধি হৈ গৈ আছে, তাকো উলিয়াব পাৰিব। কোন কোন মানুহে কি সম্প্ৰদায় আৰু ধৰ্মত জন্ম গ্ৰহণ কৰিছে, তাকো জানিব পাৰিব আৰু তেওঁলোকৰ সাক্ষৰতাৰ হাৰ, লিঙ্গৰ অনুপাত আদিও জানিব পাৰিব। এইখিনি কাৰ্য কৰাৰ পাছত আপোনাৰ বিশ্লেষণবোৰৰ বৈশিষ্ট্য আৰু আপোনাৰ ঠাইৰ মানুহৰ অৱস্থাৰ বিষয়ে জানিব পাৰিব।

**আপোনাৰ অগ্ৰগতিৰ পৰীক্ষা কৰক ঃ**

১) ভাৰতৰ বুৰঞ্জী লিখা প্ৰথমগৰাকী ব্যক্তি কোন আছিল?

২) অশোকৰ শিলালিপি উদ্ধাৰ কৰা প্ৰথমজন ব্যক্তি কোন আছিল?

৩) ভাৰতৰ জৰীপ কিয় প্ৰতিষ্ঠা হৈছিল?

৪) কোনজন ভাৰতীয় প্ৰশাসকে বাধ্যতামূলক বুনিয়াদী শিক্ষা তেওঁৰ ৰাজ্যত পোন প্ৰথমবাৰৰ বাবে প্ৰয়োগ কৰিছিল?

## ২.২.২ স্বাধীনোত্তৰ সমাজ বিজ্ঞান পাঠ্যক্ৰমৰ পৰিক্ৰমা / ক্ৰমবিকাশ

স্বাধীনতাই এটা দায়বদ্ধতা লৈ আহিছিল। আমাৰ নিজৰ কাৰ্য, স্ব-শাসন, নতুন গণতন্ত্ৰৰ বাবে প্ৰয়োজনীয় জ্ঞান আৰু কৌশলৰ আধাৰ আৰু আমাৰ শৈক্ষিক পদ্ধতিৰ আৰ্হি বনোৱাৰ দায়বদ্ধতা। এক সুদীৰ্ঘ সংঘাটৰ অন্তত ভাৰতৰ স্বাধীনতা লাভ সম্ভৱ হৈছিল। যি মূল্যবোধে ভাৰতৰ স্বাধীনতা আন্দোলনৰ গতি কৰাইছিল, এক নতুন গণতন্ত্ৰৰ যি ধাৰণা, সেয়া ভাৰতৰ সংবিধানৰ ৰূপৰেখাত প্ৰতিফলিত হৈছিল। এখন ন্যায় সংগত আৰু সম্ভাৱনাপন্ন সমাজ গঠনৰ এই নতুন ধাৰণাই আৰু স্বাধীনতা, সমতা, ন্যায্যতা আৰু ভাতৃত্ববোধে বহু ভাৰতীয়ৰ মাজত দমন আৰু অধীনতা, জাতি আৰু লিংগৰ বৈষম্য আৰু ঔপনিবেশিক অভিজ্ঞতাৰ সম্বন্ধ স্থাপন কৰিছিল। ভাৰতৰ স্বাধীনতাই ইয়াৰ লগতে এটা অতি দুখলগা বিভাজন, গণহত্যা আৰু জঘণ্য হিংসাত্মক ঘটনাৰ সাক্ষ্য লৈ আহিছিল। এইটোৱেই এক সুদীৰ্ঘ চিহ্ন আৰু এক নৰম সাম্প্ৰদায়িক সম্পৰ্কৰ চিন ৰাখি থৈ গৈছিল। এনে শক্তি বিলাকক পোহৰলৈ আনিবলৈ ভাৰতে শিশুসকলক প্ৰয়োজনীয় কৌশলবোৰ শিকাই স্বাধীনতা দিৱসৰ অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰাবলৈ লক্ষ্য স্থিৰ কৰিছিল আৰু শিশুসকলৰ মাজত নেতৃত্বৰ গুণ বিয়পাবলৈ আৰু লগতে এক নতুন সামাজিক নীতি প্ৰৱৰ্তন কৰিছিল। ১৯৪৮-৪৯ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগ (The University Education Commission) স্বাধীনতাৰ ঠিক পিচতেই গঠিত হৈছিল আৰু প্ৰস্তাৱ আগবঢ়াইছিল যে শিক্ষাই ছাত্ৰ-ছাত্ৰীক সামাজিক দৰ্শনৰ সতে সংযুক্ত কৰি সকলো সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহ চলাবলৈ উপযুক্ত কৰি গঢ়ি তুলিব লাগিব। ইয়াৰ বাবে স্বাধীনতাৰ প্ৰশিক্ষণ আৰু ছাত্ৰ-ছাত্ৰীক সাংস্কৃতিক উত্তৰাধিকাৰ দিয়াৰ উপৰিও ভাৰতৰ অতীত আৰু বৰ্তমানক সঠিক ধৰণে বুজাৰ বাবে সুবিধা দিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰা

হৈছিল। ১৯৫২-৫৩ চনৰ মাধমিক শিক্ষা আয়োগে একে মূল্যবোধেৰেই পুনৰ প্ৰবৃত্তি কৰিছিল আৰু একেধৰণে গণতান্ত্ৰিক নাগৰিকত্ব আৰু নেতৃত্বৰ বিকাশত অধিক গুৰুত্ব দিছিল। ১৯৬৪-৬৫ চনৰ ভাৰতীয় শিক্ষা আয়োগে অনুভৱ কৰিছিল যে তেতিয়াও এক শৈক্ষিক বিপ্লৱৰ প্ৰয়োজন আছিল, যিয়ে মানৱ জীৱনৰ সৈতে এক আভ্যন্তৰীণ সংযোগ স্থাপন কৰিব পাৰে আৰু মানুহৰ অভাৱ আৰু জাতিটোৰ আকাংক্ষা পূৰণ কৰিব পাৰে। সামাজিক আৰু জাতীয় সংহতিক শক্তিমান কৰাৰ বাবে এই আয়োগে পৰামৰ্শ আগবঢ়াইছিল। শিক্ষাৰ লক্ষ্য হিচাপে সামাজিক, নৈতিক আৰু আধ্যাত্মিক প্ৰমূল্যবোধক প্ৰয়োজনীয় আহিলা হিচাপে স্বীকৃতি দিছিল।

১৯৮৬ চনত ভাৰতে এক বিস্তৃত শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি প্ৰস্তুত কৰিছিল। এই নীতিয়ে জাতিটোৰ আকাংক্ষা আৰু শিক্ষাৰ সতে জড়িত মূল্যবোধক প্ৰতিফলিত কৰিছিল। এই নীতিয়ে কৈছে— "The National System of Education ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰত প্ৰতিষ্ঠিত হ'ব য'ত এটা সাধাৰণ সাৰাংশ (Core) থাকিব আৰু সহজে ইফাল সিফাল কৰিব পৰা সম্পূৰক (Component) বিষয় থাকিব। সাধাৰণ বিষয়ত ভাৰতৰ স্বাধীনতা আন্দোলনৰ বুৰঞ্জী, সাংবিধানিক অধিকাৰ / দায়িত্ব আৰু এনে ধৰণৰ জাতীয় পৰিচয় দাঙি ধৰিব পৰা বিষয়বস্তু সন্নিৱিষ্ট কৰা হ'ব। এই উপাদানবোৰ বিষয়ৰ ক্ষেত্ৰবোৰৰ মাজত সুমুৱাই দিয়া হ'ব আৰু ইয়াক ভাৰতৰ সাংস্কৃতিক ঐতিহ্য, গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা, লিংগ সমতা, পাৰিপাৰ্শ্বিকতাৰ ৰক্ষণাবেক্ষণ, সামাজিক বান্ধোন সমূহ দুৰীকৰণ, পৰিয়াল পৰিকল্পনা আৰু বৈজ্ঞানিক ভাৱধাৰাৰ পৰামৰ্শ আদি বিষয়বস্তুবোৰৰ দ্বাৰা সামৰি লোৱা হ'ব। সকলো শৈক্ষিক অনুষ্ঠান দৃঢ় ভাৱে ধৰ্মনিৰপেক্ষতা মূল্যবোধৰ বান্ধোনেৰে বান্ধি লোৱা হ'ব। এই মূল বিষয়বোৰে সেই সূত্ৰবোৰ উদ্ভাৱন কৰিব, যিবোৰ সমাজ বিজ্ঞানে গ্ৰহণ কৰিবলৈ সাজু হৈ থাকিব। স্বাধীন ভাৰতৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম প্ৰস্তুত কৰোতা সকলৰ দৃষ্টি আকৰ্ষণ কৰা এই বিষয়বোৰ আৰু অনেক আছিল। এক স্বাধীন জাতি হিচাপে ভাৰতে সমস্যাৰ এক বৰ্দ্ধিত বোজাৰ মুখামুখী হ'ব লগা হৈছিল। দৰিদ্ৰতা, নিৰক্ষৰতা, অনগ্ৰসৰতা, সামাজিক আৰু সাম্প্ৰদায়িক বিভাজন এই সমস্যাবোৰৰ ভিতৰত কেতবোৰ আছিল। এই সমস্যাসমূহ সমাধান কৰাটো এক ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ হৈ পৰিছিল। খাদ্য শস্যৰ উৎপাদন বৃদ্ধি, স্বাক্ষৰতাৰ বিস্তাৰ, জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণ কৰা আৰু বাহ্যিক আৰু আভ্যন্তৰীণ বিভাজনৰ শক্তিসমূহ প্ৰতিহত কৰি দেশখনক একেলগে সমৃদ্ধিৰ দিশত আগবঢ়াই নিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছিল আৰু গণতন্ত্ৰ আৰু সংবিধানৰ এই যুগমীয়া ধাৰণা সমূহৰ উত্থান ঘটোৱাৰ প্ৰয়াস কৰা হৈছিল।

### ২.২.৩ জাতীয় সংহতি আৰু আন্তঃৰাষ্ট্ৰীয় বুজাপৰাঃ

ভাৰতীয় সমাজ বিজ্ঞানৰ সমৃদ্ধতা বহু দিশলৈ বিস্তৃত। কিন্তু এনে বাহুল্যতাই ইয়াৰ সতে ভাৰতীয় সকলৰ মাজত প্ৰাপ্তিৰ প্ৰত্যাহ্বানো কঢ়িয়াই আনে। যেনে— বিভিন্ন ভাষা-ভাষী, বিভিন্ন মানুহ, সাজ-পোছাকৰ বিভিন্নতা, বিভিন্ন ঠাইৰ বিভিন্ন পুজা পদ্ধতি, বিভিন্ন আদৰ্শৰ অনুকৰণ, বিভিন্ন সম্প্ৰদায়ত জন্মগ্ৰহণ, বিভিন্ন বিষয়লৈ আকৰ্ষণ আৰু আয়ৰ বিশাল ব্যৱধান আদি। এই সকলো বিভিন্নতাৰ মাজেৰে

## দ্বিতীয় অধ্যায় ঃ বিদ্যালয় পাঠ্যক্ৰমত সমাজ বিজ্ঞান

সমগ্ৰ ভাৰতীয়ৰ মাজত একক চিন্তা (Oneness) ৰ উন্মেষ ঘটোৱাটো দেশখনৰ এক প্ৰধান কাম হৈ পৰিছিল আৰু একে ধৰণে শিক্ষা নীতিৰ ক্ষেত্ৰতো একেই হৈ পৰিছিল। সামাজিক ঐক্য আৰু আৱেগিক সংহতিৰ কাৰক হিচাপে বুৰঞ্জীয়ে যথেষ্ট পাঠ আগবঢ়াইছিল। অতি কষ্টৰ মাজেৰে অৰ্জন কৰা এই স্বাধীনতা আৰু একতা কোনো কাৰণতেই অৱক্ষয় হ'ব দিব নোৱাৰি। বিদেশী শক্তিৰ বাবে বিভাজিত ভাৰতক পৰাভূত কৰাটো একেবাৰে সহজ কথা। ১৯৬৪-৬৬ চনৰ ভাৰতীয় শিক্ষা আয়োগে সামাজিক আৰু ৰাষ্ট্ৰীয় সংহতিক শিক্ষা প্ৰধান লক্ষ্য হিচাপে লৈছিল।

যদিও সামাজিক আৰু আৱেগিক সংহতিবোৰ অতি প্ৰয়োজনীয় আছিল, ভাৰতৰ মানুহবোৰৰ মাজত আৱেগিক সংহতি সুদৃঢ় কৰাটোও সিমানেই প্ৰয়োজনীয় আছিল। এই একতা আৰু গৌৰৱময় জন্মৰ কথা মানুহে তেতিয়া অনুভৱ কৰিছিল, যেতিয়া মানুহে অনুভৱ কৰিছিল যে তেওঁলোকৰ কথাও দেশখনে শুনে, সম্প্ৰদায় সমূহক নিৰপেক্ষ দৃষ্টিভংগীৰে লক্ষ্য কৰে আৰু তেওঁলোকৰ আদৰ্শ বা আয় আদিক ন্যায্যতা দিয়ে। জাতিৰ বিভিন্ন কামত অংশ গ্ৰহণ কৰাৰ প্ৰৱণতাই মানুহক পৰিধিৰ পৰা কেন্দ্ৰলৈ টানি আনিছিল। সামাজিক, আৰ্থিক আৰু উন্নতিকামী সন্মিলিত কাৰ্যবোৰৰ এই একাকীত্ব সন্মিলিত কাৰ্যৰ লগত সম্বন্ধ থকা বুলি আপুনি ভাবেনে? সমাজৰ অনগ্ৰসৰ আৰু দুৰ্বল শ্ৰেণীটোৰ বাবে প্ৰয়োজনীয় প্ৰয়োগ আছে বুলি আপুনি ভাবেনে?

আজিৰ জাতীয় সংহতিৰ ভাবুকিবোৰ কি? মানুহৰ মাজত একতাৰ ভাৱ বৃদ্ধি কৰিবলৈ দেশৰ ভিতৰত কিবা শক্তি আছে বুলি আপুনি অনুভৱ কৰিছেনে? বৰ্তমানেও বহুতো বিভেদকামী শক্তিয়ে বা দলে দেশৰ বিভিন্ন ঠাইত বিচ্ছিন্নতাবাদী কাম কৰি আছে। এই ভুল পথে যোৱা দলসমূহ বহিঃশক্তিৰ দ্বাৰা প্ৰভাৱিত হৈ বিচ্ছিন্নতাবাদী কাৰ্যকলাপৰ দ্বাৰা দেশখনক অস্থিৰ কৰাৰ উপৰিও সাম্প্ৰদায়িক বিষবাষ্প বিয়পাবলৈ চেষ্টা চলাই থাকে। ভাৰতীয় সমাজবোৰত এই শক্তিসমূহে কেন্সাৰৰ দৰে ক্ৰিয়া কৰি থাকে। গতিকে এনে শক্তি সমূহক চিনাক্ত কৰাটো অতি আৱশ্যকীয়। সাম্প্ৰদায়িকতা, জাতিগত ভেদভাৱ, বিচ্ছিন্নতাবাদ, আঞ্চলিকতাবাদ, আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত আঞ্চলিক অসমতা, ধনী আৰু দুখীয়াৰ মাজত প্ৰভেদ, এইবোৰ এনে শক্তিৰ ভিতৰত অন্যতম। আপুনি আনকি ইয়াতকৈ আৰু অধিক এনে উদাহৰণ পাব।

ৰাষ্ট্ৰীয় সমন্বয়তা শক্তিশালী কৰাৰ ক্ষেত্ৰত সমাজ বিজ্ঞানে কি কৰিব পাৰে? ৰাষ্ট্ৰীয় একতা আৰু সমন্বয়তাক শিক্ষা প্ৰদান কৰাৰ বাবে সমাজ বিজ্ঞান এক অতি শক্তিশালী আহিলা। ৰাষ্ট্ৰীয় ঐক্যৰ প্ৰয়োজনীয়তা, বুৰঞ্জীমূলক বিষয়বোৰত অংশগ্ৰহণ কৰি দেশৰ ঐক্য আৰু দেশীয় পৰিচয়ক উজ্জীৱিত কৰা আদি কাৰ্যত শিকাৰুসকলক আৱেগিক ভাৱে জড়িত কৰিব পাৰি। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে কৈছে যে ভাৰতৰ অতি সাৰ্বজনীন, সাংস্কৃতিক ঐতিহ্য, ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস, সাংবিধানিক দায়িত্ববোৰ জাতীয় পৰিচয় দিব পৰা প্ৰয়োজনীয় আন আন সমলবোৰে শিকাৰুসকলৰ মাজত জন্মৰ গৌৰৱৰ ভাৱ জাগ্ৰত কৰিব পাৰে। জাতীয় বুৰঞ্জী আৰু ভূগোলৰ পাঠ্যক্ৰম শিকোৱাৰ ফলত দেশখনক আন্তৰিকতাৰে বুজাত শিক্ষাৰ্থীক সহায় কৰিব। সমাজ বিজ্ঞানে শিকাৰুসকলৰ মাজত জাতীয় সমন্বয়ৰ আলোচনা আৰু বিকাশৰ দায়িত্ব কান্ধ পাতি ল'ব। জাতীয় সংহতিৰ সতে সংযুক্ত ধাৰণাসমূহ আন্তঃৰাষ্ট্ৰীয় বুজাপৰাৰো

ধাৰণা। কাৰণ এতিয়া আমি বিশ্বায়নৰ যুগৰ বাসিন্দা। জাতি আৰু দেশ কেতিয়াও অকলে বৰ্তি থাকিব নোৱাৰে। আজি মানৱতাই সন্মুখীন হোৱা প্ৰধান সমস্যাসমূহৰ অনেকবোৰ স্বভাৱৰ পৰা জাতীয় হৈ থকা নাই, সেইবোৰে সমগ্ৰ বিশ্বৰ সমস্যাৰ ৰূপ ধাৰণ কৰিছে। যিবোৰ গোটেই পৃথিৱীৰ মানুহে আজি অনুধাৱন কৰিছে আৰু সন্মুখীন হৈছে। একেধৰণে তেওঁলোকে সমগ্ৰ বিশ্ববাসীৰ আৰু জাতিৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰে। এনে সমস্যাবোৰৰ কেতবোৰৰ আপুনি তালিকা প্ৰস্তুত কৰিব পাৰিবনে ? পাৰিপাৰ্শ্বিকতাৰ সজাগতা, ব্যৱসায়-বাণিজ্য আৰু অৰ্থনৈতিক বিষয়বোৰ, মানৱৰ উন্নতি আৰু জনসংখ্যা সমস্যা আৰু বিশ্বশান্তি আদি এনে কেতবোৰ ক্ষেত্ৰ। আন্তঃৰাষ্ট্ৰীয় বুজাপৰাৰ অভাৱৰ বাবে ইতিমধ্যে দুবাৰকৈ পৃথিৱীক বিশ্বযুদ্ধৰ বিভীষিকাৰ মাজলৈ ঠেলি দিছে। যিয়ে অনেক জীৱনৰ অৱসান ঘটাইছে, সম্পত্তি ধ্বংস কৰিছে আৰু মানৱীয় প্ৰমূল্যবোধ বিনষ্ট কৰিছে। পৃথিৱীৰ সমস্ত মানুহ আৰু সমগ্ৰ দেশৰ সতে বুজাপৰা আৰু সহযোগিতা আহৰণৰ ক্ষেত্ৰত মানুহ কেতিয়াও আত্মসন্তুষ্ট হ'ব নোৱাৰে। অকলশৰীয়া দেশবোৰৰ কাৰণে মানৱ অধিকাৰ আৰু মানুহৰ উন্নতি অতি প্ৰয়োজনীয়।

সমাজ বিজ্ঞানৰ এনে এক সম্ভাৱনীয়তা আছে, যিয়ে শিকাৰু সকলৰ মনত এক অনুকূল কাৰ্য সম্পাদন কৰিব পাৰে, য'ত একেলগে মানৱতাৰ সকলো প্ৰত্যাহ্বানৰ মুখামুখী হ'ব পাৰে। বিশ্বৰ ভূগোল আৰু বুৰঞ্জী শিকালে সমগ্ৰ পৃথিৱীৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক চিনাকি কৰাই দিব পাৰি। আন্তঃৰাষ্ট্ৰীয় শান্তিৰ প্ৰয়োজনীয়তাৰ প্ৰশংসা কৰিবৰ বাবে বিশ্ব বুৰঞ্জীত অনেক পাঠ আছে, যিবোৰ বৰ্তমানৰ প্ৰজন্মক শিকোৱাটো অত্যন্ত জৰুৰী। তাৰোপৰি আন্তঃৰাষ্ট্ৰীয় সহযোগিতা, বুজাপৰা, পৰস্পৰক সন্মান জনোৱা, অনুভৱৰ ভাগ-বতৰা আৰু সামূহিক প্ৰচেষ্টা আদি শিকোৱাটোও অত্যন্ত জৰুৰী। বিশ্বই ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় গোটবোৰৰ পাৰস্পৰিক আলোচনা-বিলোচনাৰ বাবে এক আন্তঃগাঠনি সৃষ্টি কৰিছে। এনে আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহৰ সৈতে শিশুসকলক পৰিচয় কৰাই দিয়াৰ প্ৰয়োজনীয়তা আছে আৰু তেওঁলোকে কি ভূমিকা গ্ৰহণ কৰে সেয়াও লক্ষ্য কৰাৰ প্ৰয়োজনীয়তা আছে। তাৰোপৰি তেওঁলোকে পাৰিপাৰ্শ্বিকতা, জনসংখ্যা বিস্ফোৰণ, দেশৰ উন্নতি, শিক্ষা, অৰ্থনীতি আৰু বাণিজ্য আৰু বিভিন্ন মানুহ তথা দেশৰ মাজৰ অস্ত্ৰৰ সংঘাট আদিৰ বৰ্তমান আন্তঃৰাষ্ট্ৰীয় অৱস্থাবোৰৰ বিষয়েও জনা উচিত। বিশ্বৰ বিভিন্ন প্ৰতিষ্ঠানৰ কাৰ্যাৱলী আৰু এনে প্ৰত্যাহ্বানবোৰৰ প্ৰতি তেওঁলোকে কৰি যোৱা কাৰ্যাৱলীও ছাত্ৰ-ছাত্ৰীক জনোৱা উচিত। ৰাষ্ট্ৰীয় সংহতি আৰু আন্তঃৰাষ্ট্ৰীয় বুজাপৰা আদি বিষয় সমাজ বিজ্ঞানত সুন্দৰ ভাৱে প্ৰতিফলিত হয়।

### ২.২.৪ ধৰ্মনিৰপেক্ষতা আৰু সাম্প্ৰদায়িকতা ঃ

আমাৰ দেশখনত প্ৰৱৰ্তিত হৈ থকা বিভিন্ন ধৰ্মীয় অনুষ্ঠান বিলাকৰ কথা আমি যেতিয়া আলোচনা কৰো, তেতিয়াই ভাৰতৰ সাংস্কৃতিক বিভিন্নতাৰ কথা পোহৰলৈ আহে। একেলগে বিভিন্ন বিশ্বাস আৰু আদৰ্শ গ্ৰহণ কৰি লোৱাটো আমাৰ পৰম্পৰাগত ধৰ্ম। এই দেশখনত বহুটো ধৰ্মীয় বিশ্বাসৰ জন্ম হৈছিল আৰু ক্ৰমাৎ সেইবোৰে গা কৰি উঠিছিল আৰু মানুহে সেইবোৰ হয়তোবা সমৰ্থন নতুবা সহিষ্ণুতাৰ মনোভাৱেৰে গ্ৰহণ কৰিছিল আৰু ক্ৰমাৎ সেইবোৰ বিশ্বৰ আন প্ৰান্তলৈ বিয়পি পৰিছিল। আন জাতিৰ পৰাও এনে বহুত

বিশ্বাস আমাৰ দেশলৈ আহিছিল আৰু আমাৰ দেশে তেনে বিশ্বাসৰ বাবেও ঠাই উলিয়াই দিছিল আৰু কেতবোৰ গ্ৰহণো কৰিছিল। আমাৰ দেশখনত একেলগে বসবাস কৰাৰ এটা অতি সমৃদ্ধ পৰম্পৰা আছে। আমাৰ দেশৰ মানুহে সমন্বিত ভাৱে বিভিন্ন ধৰ্মীয় উৎসৱ পালন কৰে। কিন্তু এইটো কথা ক'ব নোৱাৰি যে বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত কোনো সমস্যাই নাই। আমি এনেবোৰ সমস্যাৰ কথা আলোচনা কৰিবই লাগিব আৰু তাত জড়িত হৈ থকা কথাবোৰ সম্বোধন কৰিবই লাগিব।

**কাৰ্যাৱলী — ২**

আমাৰ দেশত প্ৰৱৰ্ত্তিত হৈ থকা বিভিন্ন ধৰ্মৰ এখন তালিকা বনাওঁক আৰু জাতীয় লোকপিয়লৰ তথ্য অনুসৰি কোনে কি ধৰ্ম পালন কৰে তাৰ অনুপাত উলিয়াওক।

ভাৰতৰ সংবিধানে প্ৰকাশ কৰিছে যে ভাৰত এখন ধৰ্মনিৰপেক্ষ দেশ। কিন্তু ভাৰতৰ ধৰ্মনিৰপেক্ষতা আন ঠাইৰ তুলনাত এই ক্ষেত্ৰত কিছু বেলেগ যে আন ধৰ্মৰ পৰা আঁতৰি থকাৰ সলনি ভাৰতীয় ধৰ্মনিৰপেক্ষতাই সকলো ধৰ্মকে সমজ্ঞান কৰে। ভাৰতীয় ধৰ্মনিৰপেক্ষতা কেতিয়াও অধাৰ্মিক নহয়। তেনেহ'লে ভাৰতত কিহৰ বাবে সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হয়? অতীতৰ এই সাম্প্ৰদায়িক সংঘৰ্ষবোৰৰ প্ৰকৃত কাৰণ কি আছিল? এয়া কেৱল অজ্ঞানতাৰ বাবেই আছিল নেকি? এয়া কেৱল বিভেদকামী শক্তি আৰু জাতীয়তাবাদ বিৰোধী শক্তিৰ কাম নেকি? ইয়াৰ অন্তৰালত কিবা বিভেদৰ কাৰ্যসূচী লুকাই আছে নেকি, যিবোৰ কেতবোৰ দলে বাৰে বাৰে সাম্প্ৰদায়িকতাৰ ৰূপ দিবলৈ যত্ন কৰে আৰু সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই তোলে? এনে সাম্প্ৰদায়িক আৱেগবোৰ মষিমূৰ কৰাৰ বাবে কি সম্ভাৱনীয়তা গ্ৰহণ কৰা উচিত? ধৰ্মান্তৰ আৰু ধৰ্মীয় ৰূপান্তৰ "আনৰ দৃষ্টিভঙ্গী"ৰ প্ৰতি অসহিষ্ণুতা আৰু গুৰুত্বহীণ ব্যক্তিগত ইচ্ছাই হয়তো এনেবোৰ বিষয়ৰ অন্তৰত ঠাই ল'ব পাৰে। এনে বিচাৰ্য বিষয় আৰু ইয়াৰ লগত জড়িত কথাবোৰ ভৱিষ্যত প্ৰজন্মৰ লগত খোলোচাকৈ আলোচনা হোৱাটো ভাল। এনে বিষয়বোৰ শিশুসকলৰ লগত আলোচনা কৰিবলৈ কি পদ্ধতি আছে বুলি আপুনি ভাবে, যাৰ দ্বাৰা তেওঁলোকে এই বিষয়বোৰ যুক্তিযুক্ত আৰু নিৰপেক্ষ ভাৱে চালিজাৰি চাব পৰা যায়।

**কাৰ্যাৱলী — ৩**

১) এনে কেতবোৰ উপায়ৰ তালিকা বনাওঁক, য'ত অৰ্থনৈতিক আৰু সামাজিক কাৰ্যসূচীবোৰে জাতীয় সংহতি শক্তিশালী কৰাত সহায় কৰিব পাৰে।

২) সেই আটাইবোৰ শক্তিৰ তালিকা বনাওঁক, যিবোৰে ভাৰতৰ একতা আৰু সংহতি দুৰ্বল কৰিব পাৰে।

৩) এনে কেতবোৰ কাৰ্যাৱলীৰ তালিকা বনাওঁক, যিবোৰৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়তে জাতীয় সংহতি উন্নত কৰাৰ অনুশীলন কৰিব পাৰে। জাতীয় দিৱস সমূহ পালনে এই ক্ষেত্ৰত সহায় কৰিব পাৰেনে?

৪) সমাজ বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰবোৰৰ এখন তালিকা প্ৰস্তুত কৰক, যিয়ে জাতীয় ঐক্য আৰু সংহতিলৈ অৱদান কঢ়িয়াই আনে।
৫) আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু প্ৰতিষ্ঠান সমূহ আৰু ইয়াৰ কাৰ্যৱলীৰ তথ্যসমূহ সংগ্ৰহ কৰক। UNO, UNESCO, UNICEF, WHO, ICJ, WTO, FAO আদি সংস্থাবোৰৰ শেহতীয়া কাৰ্যাৱলী সমূহৰ তথ্য উলিয়াব পাৰিলেনে?
৬) সকলো আন্তঃৰাষ্ট্ৰীয় আৰু বিশ্বৰ দিৱস সমূহৰ এখন তালিকা প্ৰস্তুত কৰক, যেনে— UNO Day, নতুবা বিশ্ব পৰিবেশ দিৱস আদি। এনে দিৱসবোৰ শিক্ষা বৰ্ষত আপোনাৰ বিদ্যালয়ত কেনেধৰণে পালন কৰিব তাৰ আঁচনি প্ৰস্তুত কৰক।
৭) কল্পনা কৰক যে আপোনাৰ অঞ্চলত এটা সাম্প্ৰদায়িক জুই জ্বলিব ধৰিছে। আটাইবোৰ সাম্ভাব্য কাৰ্যাৱলীৰ বিষয়ে ভাবক, যিবোৰেৰে আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীবোৰে সাম্প্ৰদায়িকতা ৰোধ কৰিব পাৰিব।

**আপোনাৰ অগ্ৰগতিৰ পৰীক্ষা কৰক ঃ**
১) সাংবিধানিক মূল্যবোৰৰ তালিকা বনাওক, যাৰ দ্বাৰা সমাজ বিজ্ঞানে ছাত্ৰ-ছাত্ৰীসকলক বাৰে বাৰে শিক্ষা প্ৰদান কৰিব।
২) কোনখন শিক্ষা আয়োগে গণতন্ত্ৰৰ প্ৰশিক্ষণ দিয়াৰ কথা স্বীকৃতি দিছিল?
৩) কোনখন শৈক্ষিক নথিয়ে জাতীয় পাঠ্যক্ৰমৰ আৰ্হিৰ কথা কয়, যাৰ এটা সাধাৰণ অন্তৰ্ভাগ(Common Core) আছে?
৪) কেইটামান আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ নাম কওঁক, যিবোৰে মানুহৰ কল্যাণৰ হকে কাম কৰি আছে।

### ২.২.৫ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত নিম্নবৰ্গীয় দৃষ্টিভংগীৰ প্ৰভাৱ ঃ

পিছৰ পৰ্যায়ত কিছু সংখ্যক লোকে বিশেষকৈ মাৰ্ক্সবাদী সকলে ইতিহাস আৰু সমাজত নিম্নবৰ্গীয় সকলৰ ভূমিকাক উত্থাপন কৰিলে। এই নিম্নবৰ্গীয় লোকসকলক "Subaltern" আখ্যা দিয়া হ'ল বিশেষকৈ ১৯৮০ চনৰ আদিৰে পৰা সামাজিক আৰু ঐতিহাসিক প্ৰেক্ষাপটত এইসকল সংখ্যা লঘু আৰু বঞ্চিত লোকে গুৰুত্ব লাভ কৰে, যিসকল বিশ্বায়নে প্ৰাধান্য লাভ কৰা সময়তো সংগ্ৰামৰত আৰু সামাজিক ভাৱে বৰ্জনীয়। নিম্নবৰ্গীয় সকল বুলিলে নিম্ন শ্ৰেণীৰ অন্তৰ্ভূক্ত, নিম্ন মৰ্যাদা সম্পন্ন, নিপীড়িত সকলক বুজায়। নিম্নবৰ্গীয় দৃষ্টিভংগীয়ে ইতিহাস নিৰীক্ষণ কৰে আৰু সমাজৰ সমভ্ৰান্তবাদী পক্ষপাতিত্বক শুধৰোৱাৰ উদ্দেশ্যক গ্ৰহণ কৰে যাক বৃটিছসকল আৰু ভাৰতীয় ৰাষ্ট্ৰবাদী সকলেও এসময়ত লিখিছিল। ই প্ৰভুত্ব আৰু আধিপত্যৰ সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰে। তৃতীয় বিশ্বৰ দেশসমূহৰ ইতিহাস, অৰ্থনীতি আৰু সমাজ বিজ্ঞানত নিম্নবৰ্গীয় স্কুলৰ চিন্তাই বহুত বৰঙণি যোগাইছে।

নিম্নবৰ্গীয় দৃষ্টিভংগীয়ে উচ্চবৰ্গীয় সকলৰ ক্ষমতাৰ প্ৰাধান্যৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে যিসকলে ইতিহাসত সকলোধৰণৰ গুৰুত্ব পাব বিচাৰে আনকি স্বাধীনতা সংগ্ৰামৰ ক্ষেত্ৰতো। কৃষক আন্দোলন যেনে আদিবাসী

(সন্থাল বা চাওতাল) বিদ্ৰোহ (১৮৫৫) চম্পাৰণ সত্যাগ্ৰহ (১৯১৭-১৮) আৰু বাৰডোলী সত্যাগ্ৰহ (১৯২৮) হৈছে এনে ধৰণৰ নিজৰ অধিকাৰৰ বাবে মাত মতা নিম্নবৰ্গীয় অভ্যুত্থানৰ উদাহৰণ।
এই আন্দোলন সমূহ নতুন ভূমি ৰাজহ প্ৰণালী আৰু ঔপনিবেশিক সময়ৰ দমনকাৰী আৰ্থিক নীতিৰ বাবে গা কৰি উঠিছিল। যেতিয়া কৃষকসকলে ইয়াক গ্ৰহণ কৰিব পাৰিছিল তেতিয়া আৰু শোষণ, উৎপীড়নৰ বিৰূদ্ধে বিদ্ৰোহ কৰিব পৰা নাছিল।
ভাৰতবৰ্ষৰ নিচিনা দেশত নিম্নবৰ্গীয় শ্ৰেণীত জনসংখ্যাৰ বৃহৎ এক অংশ অন্তৰ্ভূক্ত। চিন্তা কৰক যদি জনসংখ্যাৰ এটা বৃহৎ অংশ বঞ্চিত, নিপীড়িত হিচাপে থাকি যায়, তেন্তে ফলাফল কি হ'ব পাৰে। বিকাশৰ ক্ষেত্ৰত এই ধৰণৰ সমস্যাসমূহে কেনে ধৰণৰ গুৰুত্ব বা তাৎপৰ্য লাভ কৰে আপুনি ভাবেনে? সামাজিক আৰু ৰাষ্ট্ৰীয় প্ৰক্ৰিয়াত এইসকল জনসাধাৰণ যদি অন্তৰ্ভূক্ত নহয় তেন্তে গণতন্ত্ৰ সফল হ'ব পাৰেনে? নিম্নবৰ্গীয় দৃষ্টিভংগীয়ে সমাজ, চৰকাৰ, বিকাশ আদিৰ দিশসমূহৰ সমস্যাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰে। ই জনসাধাৰণৰ বক্তব্যক কেনেদৰে শুনা যায় তাক নিৰীক্ষণ কৰাৰ প্ৰয়াস কৰে। এই দৃষ্টিভংগীয়ে উচ্চবৰ্গীয় সকলৰ প্ৰভূত্ব বিস্তাৰ কৰিব খোজাৰ প্ৰৱণতা আৰু নিম্নবৰ্গীয় সকলৰ ভাগ্য নিয়ন্ত্ৰণ কৰিব পৰাৰ ক্ষমতাক প্ৰত্যাহাৰ কৰে। এই দৃষ্টিভংগীয়ে নিম্নবৰ্গীয় সকলৰ হকে এনে বিষয় সমূহ চালিজাৰি চোৱাত গুৰুত্ব আৰোপ কৰে। তেওঁলোকক নিজে নিজৰ বিষয়ে ক'বলৈ দিব লাগে।
যদিও নিম্নবৰ্গীয় সংজ্ঞা আমি দিওঁ এনেদৰে যে যিসকল সৰ্বদা নিমাত, নিৰৱ কিন্তু এতিয়া তেওঁলোকৰ গুৰুত্ব বৃদ্ধি পাইছে। আমাৰ সমাজ সম্পৰ্কীয় বোধগম্যতা অসম্পূৰ্ণ হৈ ৰ'ব যদিহে আমি নিম্নবৰ্গীয় সকলৰ দৃষ্টিভংগীক অৱহেলা কৰো আৰু এই দিশত শিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰাত ব্যৰ্থ হৈ ৰওঁ।

### ২.২.৬ লিংগ, জাতি আৰু জনজাতি সম্পৰ্কে দৃষ্টিপাত ঃ

তলৰ তালিকাখনত সকলো ৰাজ্য আৰু স্বায়ত্ব শাসিত অঞ্চলৰ পুৰুষ-মহিলা সমন্বিতে সকলো ব্যক্তিৰ সাক্ষৰতাৰ হাৰ দাঙি ধৰা হৈছে।

তালিকা ২.১ ঃ ভাৰতৰ ৰাজ্যসমূহৰ সাক্ষৰতাৰ হাৰ ঃ        লোকপিয়ল অনুযায়ী

| | ৰাজ্য | ব্যক্তি সাক্ষৰতা | পুৰুষ | মহিলা |
|---|---|---|---|---|
| ১ | আন্দামান আৰু নিকোবৰ দীপপুঞ্জ | ৮৬.৩% | ৯০.১% | ৪১.৮% |
| ২ | অন্ধ্ৰ প্ৰদেশ | ৬৭.৭% | ৭৫.৬% | ৫৯.৭% |
| ৩ | অৰুনাচল প্ৰদেশ | ৬৭.০% | ৭৩.৭ % | ৫৯.৬% |
| ৪ | অসম | ৭৩.২% | ৭৮.৮% | ৬৭.৩% |

| | ৰাজ্য | ব্যক্তি সাক্ষৰতা | পুৰুষ | মহিলা |
|---|---|---|---|---|
| ৫ | বিহাৰ | ৬৩.৮% | ৭৩.৫% | ৫৩.৩% |
| ৬ | চণ্ডীগড় | ৮৬.৪% | ৯০.৫% | ৮১.৪% |
| ৭ | চত্তিছগড় | ৭১.০% | ৮১.৫% | ৬০.৬% |
| ৮ | দাদৰা আৰু নগৰ হাভেলি | ৭৭.৭% | ৮৬.৫% | ৬৫.৯% |
| ৯ | দমন আৰু দিউ | ৮৭.১% | ৯১.৫% | ৭৯.৬% |
| ১০ | দিল্লী | ৮৬.৩% | ৯১.০% | ৮০.৯% |
| ১১ | গোৱা | ৮৭.৪% | ৯২.৪% | ৮১.৮% |
| ১২ | গুজৰাট | ৭৯.৩% | ৮৭.২% | ৭০.৭% |
| ১৩ | হাৰিয়ানা | ৭৬.৬% | ৮৫.৪% | ৬৬.৮% |
| ১৪ | হিমাচল প্ৰদেশ | ৮৩.৮% | ৯০.৮% | ৭৬.৬% |
| ১৫ | জম্মু আৰু কাশ্মীৰ | ৬৮.৭% | ৭৮.৩% | ৫৮.০% |
| ১৬ | ঝাৰখণ্ড | ৬৭.৬% | ৭৮.৫% | ৫৬.২% |
| ১৭ | কৰ্ণাটক | ৭৫.৬% | ৮২.৮% | ৬৮.১% |
| ১৮ | কেৰেলা | ৯৩.৯% | ৯৬.০% | ৯২.০% |
| ১৯ | লাক্ষাদ্বীপ | ৯২.৩% | ৯৬.১% | ৮৮.২% |
| ২০ | মধ্যপ্ৰদেশ | ৭০.৬% | ৮০.৫% | ৬০.০% |
| ২১ | মহাৰাষ্ট্ৰ | ৮২.৯% | ৮৯.৮% | ৭৫.৫% |
| ২২ | মণিপুৰ | ৭৯.৮% | ৮৬.৫% | ৭৩.২% |
| ২৩ | মেঘালয় | ৭৫.৫% | ৭৭.২% | ৭৩.৮% |
| ২৪ | মিজোৰাম | ৯১.৬% | ৯৩.৭% | ৮৯.৪% |
| ২৫ | নাগালেণ্ড | ৮০.১% | ৮৩.৩% | ৭৬.৭% |
| ২৬ | উৰিষ্যা | ৭৩.৫% | ৮২.৪% | ৬৪.৪% |
| ২৭ | পুডুচেৰী | ৮৬.৫% | ৯২.১% | ৮১.২% |
| ২৮ | পঞ্জাৱ | ৭৬.৭% | ৮১.৫% | ৭১.৩% |
| ২৯ | ৰাজস্থান | ৬৭.১% | ৮০.৫% | ৫২.৭% |
| ৩০ | চিকিম | ৮২.২% | ৮৭.৩% | ৭৬.৪% |
| ৩১ | তামিলনাডু | ৮০.৩% | ৮৬.৮% | ৭৩.৯% |
| ৩২ | ত্ৰিপুৰা | ৮৭.৮% | ৯২.২% | ৮৩.১% |

| | ৰাজ্য | ব্যক্তি সাক্ষৰতা | পুৰুষ | মহিলা |
|---|---|---|---|---|
| ৩৩ | উত্তৰ প্ৰদেশ | ৬৯.৭% | ৭৯.২% | ৫৯.৩% |
| ৩৪ | উত্তৰাখণ্ড | ৭৯.৬% | ৮৮.৩% | ৭০.৭% |
| ৩৫ | পশ্চিমবংগ | ৭৭.১% | ৮২.৭% | ৭১.২% |
| | **ভাৰত** | **৭৪.০৪%** | **৮২.১৪%** | **৬৫.৪৬%** |

*উৎস ঃ ভাৰতৰ লোকপিয়ল, ২০১১*

এই তালিকাখনলৈ মন কৰিলে আপুনি বিভিন্ন ৰাজ্যৰ পুৰুষ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰৰ মাজত বৃহৎ তফাৎ দেখিবলৈ সমৰ্থ হ'ব।

ভাৰতৰ জনসংখ্যাৰ আধা সংখ্যকেই হ'ল মহিলা। যদিও ভাৰতবৰ্ষত মহিলাক মাতৃদেৱীৰ ৰূপত পূজা কৰা হয় তৎস্বত্বেও সামগ্ৰিক ভাৱে সমাজত পুৰুষৰ সমান মৰ্য্যদা প্ৰদান কৰা নহয়।

আপুনি যদি লোকপিয়ল অনুযায়ী সাক্ষৰতাৰ হাৰলৈ মন কৰে তেতিয়া দেখিবলৈ সক্ষম হ'ব যে যিকোনা সম্প্ৰদায়ৰ মাজত লাগিলে সেয়া সাধাৰণ শ্ৰেণী হওঁক বা অনুসূচীত জাতি বা জনজাতিয়েই হওঁক পুৰুষতকৈ মহিলাৰ সাক্ষৰতাৰ হাৰ সদায় কম। ইয়াৰ উপৰিও আপুনি দেখিবলৈ পাব পুৰুষতকৈ মহিলাৰ লিংগৰ অনুপাতো তুলনামূলক ভাৱে যথেষ্ট কম। ৰাজনৈতিক ক্ষেত্ৰতো পুৰুষতকৈ মহিলাৰ অংশগ্ৰহণ সীমিত, বিশেষকৈ মহিলা জনপ্ৰতিনিধিৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ।

বিভিন্ন সামাজিক ক্ষেত্ৰত মহিলাক হীন চকুৰে চোৱাৰ মনোবৃত্তি ভাৰতবৰ্ষত অত্যন্ত সূলভ। আনকি সভ্য সমাজৰ ৰাস্তা-ঘাটসমূহো মহিলাৰ বাবে নিৰাপদ নহয়। আনকি নিজৰ গৃহতো মহিলাৰ স্থিতি নিৰাপদ আৰু কল্যাণমূখী নহয়, যাৰ বাবে ভাৰতবৰ্ষত “ঘৰুৱা হিংসা বিৰোধী আইন” বলৱৎ কৰিব লগা অৱস্থা হৈছেগৈ।

ওপৰৰ কথাখিনি বিশ্লেষণ কৰিলে সহজ ভাষাত ক'ব পাৰি যে মহিলাৰ সমতা আৰু মৰ্য্যদা লাভৰ ক্ষেত্ৰত মহিলা সবলীকৰণ আৰু স্বাধীনতা পৰ্যাপ্তবিধৰ আজি পৰ্যন্ত হৈ উঠা নাই। মহিলা সকলেও সন্তানৰ ক্ষেত্ৰত ল'ৰা সন্তানকহে প্ৰাধান্য দিয়া দেখা যায়।

**লিংগ অনুপাত (১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্য) ভাৰতবৰ্ষ আৰু কেইখনমান বিশেষ ৰাজ্যৰ ক্ষেত্ৰত**

| ভাৰত | বিহাৰ | চত্তিছগড় | ঝাৰখণ্ড | উৰিষ্যা | পঞ্জাৱ | উত্তৰ প্ৰদেশ | আপোনাৰ ৰাজ্য |
|---|---|---|---|---|---|---|---|
| ৯৪০ | ৯১৬ | ৯৯১ | ৯৪৭ | ৯৭৮ | ৮৯৩ | ৯০৮ | অনুসন্ধান কৰি লিখক |

*উৎস ঃ ২০১১ চনৰ লোকয়িল*

ওপৰত উল্লেখ কৰা অনুপাত ভাৰতবৰ্ষৰ দৰে আধুনিক গণতান্ত্ৰিক স্বাধীন দেশ এখনত যিখন দেশে বিশ্বত উন্নত দেশ হিচাপে পৰিগণিত হ'ব খোজে, তেনে ক্ষেত্ৰত সন্তুষ্টিজনক মুঠেও নহয়।

এনে পৰিস্থিতিৰ বাবে ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত মনোভাৱৰ সলনি হোৱাটো অত্যন্ত দৰকাৰ। আইন আৰু ক্ষমতাসমূহ সামাজিক পৰিৱৰ্তন অনাৰ বাবে যথোপযুক্ত নহয় যেন অনুমান হয়।

সমাজ বিজ্ঞানক বিষয় হিচাপে লৈ লগতে সমাজ বিজ্ঞানৰ এগৰাকী শিক্ষক হিচাপে শিক্ষাৰ্থীৰ মাজত আপুনি এই সন্দৰ্ভত মনোভাৱৰ সাল-সলনি ঘটাবলৈ সক্ষম হ'ব পাৰে।

সমাজ বিজ্ঞানে ভৱিষ্যতৰ নাগৰিকসমূহৰ বাবে পাঠ্যক্ৰমত লিংগ সমতাৰ দৰে বিষয়সমূহক গুৰুত্ব প্ৰদান কৰা উচিত। কেৱল মাত্ৰ ভাৰতৰ ইতিহাসৰ পাতৰ পৰা কেইগৰাকীমান অনুকৰণীয় মহিলাই সমাজলৈ আগবঢ়োৱা বৰঙণিৰ বিষয়ে আলোচনা কৰাটোৱেই যথেষ্ট নহয়। সমাজৰ অবিচ্ছেদ্য বিষয় হিচাপে মহিলাৰ সমস্যাসমূহৰ ওপৰত গুৰুত্ব আৰু মনোযোগ দিয়া উচিত যাতে সমাজৰ উন্নয়ন আৰু প্ৰগতিত তেওঁলোকেও সমানে ভাগ ল'ব পাৰে লগতে দেশৰ অৰ্থনৈতিক ক্ষেত্ৰতো অংশ গ্ৰহণ কৰি নিজৰ ক্ষমতা, মৰ্যাদা আৰু সন্মান লাভৰ অধিকাৰ আহৰণ কৰিব পাৰে। কন্যা সন্তানৰ শিক্ষাও অন্যতম গুৰুত্বপূৰ্ণ বিষয়। স্বাধীনতাৰে পিছৰে পৰা মহিলা সাক্ষৰতাৰ হাৰ বৃদ্ধি পোৱা গৈছে, ইয়াৰ অন্যতম কাৰণ হৈছে বিদ্যালয়ত কন্যা সন্তানৰ শিক্ষা গ্ৰহণৰ হাৰ বৃদ্ধি পাইছে।

কন্যা সন্তানৰ বাবে গুণগত মানযুক্ত শিক্ষাৰ ব্যৱস্থা কৰি শিক্ষাৰ ক্ষেত্ৰত লিংগ সমতা বা লৈংগিক সমতাৰ সৃষ্টি কৰিব পৰা যায়।

ভাৰতবৰ্ষৰ পিছপৰা জাতিসমূহে বিভিন্ন সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু ধৰ্মীয় বিশেষাধিকাৰ সমূহৰ পৰা বঞ্চিত হৈ থকা দেখা যায়।

জাতিগত অনুক্ৰমত একেবাৰে নিম্ন স্থানত স্থিত হৈ তেওঁলোকে বিভিন্ন সমস্যা যেনে- দৰিদ্ৰ, শোষণ, অনাদৰ আদিত ভূগিব লগা হয়।

ভাৰতৰ সমাজৰ সমকালীন স্থিতিত পিছপৰা জাতিসমূহৰ ওপৰত সমাজ ব্যৱস্থাই প্ৰভুত্ব দেখুৱাব বিচাৰে। বৰ্তমান সময়ত এই পিছপৰা জাতি সমূহৰ মাজত নিজকে সবল কৰি তোলা মানসিকতা বিকশাই তোলা প্ৰয়োজন যাতে তেওঁলোকে নিজা আদৰ্শ আৰু সামৰ্থৰে যুক্তি আৰু চিন্তাৰ উন্মেষ ঘটাব পাৰে।

পিছপৰা জাতিসমূহে কৰ্ম ক্ষেত্ৰ আৰু ৰাজনৈতিক ক্ষেত্ৰত নেতৃত্ব আহৰণ কৰিবলৈ হ'লে নিজা সামৰ্থ আৰু যোগ্যতা সমূহো বিকশাই তোলাটো বাঞ্ছনীয়। এই জাতি জাতিসমূহে জীৱন ধাৰণ প্ৰণালীও সন্মানজনক ভাৱে উন্নত কৰি তোলা দৰকাৰ যাতে তেওঁলোকে আত্মসন্মান ধৰি ৰাখিব পৰাকৈ শক্তিশালী হৈ উঠিব পাৰে।

পিছপৰা জাতিসমূহৰ অৰ্থপূৰ্ণ পৰিৱৰ্তনৰ বাবে এনে জাতিসমূহৰ সকলো কাৰ্য প্ৰগতিৰ পিনে গতি কৰাটো দৰকাৰ।

কেইবাহেজাৰ বছৰ ধৰি চলি থকা এনে বৈষম্য আৰু শোষণ আঁতৰ কৰাৰ বাবে শিক্ষা হৈছে অত্যন্ত গুৰুত্বপূৰ্ণ মাধ্যম যিয়ে সামৰ্থৰ বিকাশ আৰু সচেতনতাৰ সৃষ্টি সম্ভৱ কৰি তোলে। অনুসূচীত জাতিৰ

শৈক্ষিক বিকাশৰ ক্ষেত্ৰত মূখ্যতঃ গুৰুত্ব দিয়া হয় অনা-অনুসূচীত জাতিৰ শিক্ষাৰ সকলো অধ্যায়, সকলো ক্ষেত্ৰ আৰু চাৰিটা বিশেষ দিশৰ সমতাৰ ওপৰত। এই চাৰিটা দিশ হৈছেঃ গ্ৰাম্য পুৰুষ, গ্ৰাম্য মহিলা, নগৰৰ পুৰুষ আৰু নগৰৰ মহিলা। (NPE, 1986)

**তালিকা ২.৩ ঃ নিৰ্বাচিত ৰাজ্যৰ অনুসূচীত জাতি (SC) আৰু অনুসূচীত জনজাতিৰ (ST) সাক্ষৰতাৰ হাৰ**

| | অনুসূচীত জাতি | | অনুসূচীত জনজনাতি | |
|---|---|---|---|---|
| ৰাজ্য | সকলো ব্যক্তি | মহিলা | সকলো ব্যক্তি | মহিলা |
| বিহাৰ | ৮.৫ | ১৫.৬ | ২৮.২ | ১৫.৫ |
| চত্তিছগড় | ৬৪.০ | ৪৯.২ | ৫২.১ | ৩৯.৩ |
| ঝাৰখণ্ড | ৩৭.৬ | ২২.৫ | ৪০.৭ | ২৭.২ |
| উৰিষা | ৫৫.৫ | ৪০.৩ | ৩৭.৪ | ২৩.২ |
| উত্তৰ প্ৰদেশ | ৪৬.৩ | ৩০.৫ | ৩৫.১ | ২০.৭ |
| ভাৰত | ৫৪.৬৯ | | ৪৭.১০ | |

*উৎস ঃ ২০০১ চনৰ লোকপিয়ল*

সমাজ পৰিৰৰ্তনৰ যি বৈপ্লৱিক সংগ্ৰাম তাত শিক্ষা হৈছে এক শক্তিশালী অস্ত্ৰ।

পিছপৰা জাতিৰ শিশুসকলে শিক্ষাত অংশগ্ৰহণ কৰি পূৰণিকলীয়া সমাজ আৰু অৰ্থনীতিৰ প্ৰতিবন্ধকসমূহ আঁতৰ কৰিব পাৰে। শিক্ষাই বৌদ্ধিক উন্মেষণ ঘটোৱাৰ লগতে সামাজিক আৰু নৈতিক মূল্যবোধ জগাই তুলিব পাৰে। শিক্ষাই মনৰ নিচাত্মিকাবোধ নোহোৱা কৰাৰ লগতে মৰ্যাদাৰ বৃদ্ধি সম্ভৱ কৰি তোলে। এইসকল লোকৰ বাবে পাঠ্যক্ৰমে সংস্কৃতি, ভাষা আৰু জ্ঞানবৃদ্ধিৰ দিশৰ বিশেষ মনোনিবেশ কৰিব লাগে। পিছপৰা জাতিৰ শিক্ষাৰ্থীসকলে এই সুযোগ পোৱা উচিত যাতে বিদ্যালয়ত শিকাখিনি নিজৰ আশে পাশে থকা চুবুৰীটোৰ লগত বা সংস্কৃতিৰ লগত সমন্বয় সাধন কৰি তুলিব পাৰে। অন্যহাতে যদি শিক্ষাৰ্থীজনে নিজস্বতাখিনি বাদ দিব লগা হয় আৰু দমনকাৰী দলে প্ৰদান কৰাখিনি গ্ৰহণ কৰিব লগা হয় তেন্তে মাজত হীনমান্যতা আৰু বিৰক্তিবোধৰ ভাৱনা জাগি উঠাটো নিশ্চিত।

অনুসূচীত জনজাতিসকল ভাৰতবৰ্ষৰ জনসংখ্যাৰ এক বৃহৎ সংখ্যাৰ অংশীদাৰ। পৰম্পৰাগত ভাৱে তেওঁলোকে নিজা ভাষা আৰু নিজা সংস্কৃতিৰে স্বাধীন জীৱন যাপন কৰে। বেছি সংখ্যক জনজাতিৰে নিজস্ব ভাষা থাকে যদিওবা এই ভাষা কথিত ৰূপতহে থাকে। তেওঁলোকৰ নিজস্ব ৰীতি-নীতি, পৰম্পৰা আৰু মূল্যবোধ থাকে। জনজাতিসকলৰ নিজা জ্ঞান তথা ধ্যান ধাৰণা থাকে। প্ৰকৃতিৰ নিকট সম্বন্ধীয় জ্ঞানে তেওঁলোকক অসাধাৰণ কৰি তোলে। তেওঁলোকে প্ৰকৃতিৰ লগত খুব অন্তৰংগ সম্বন্ধ ৰক্ষা কৰি চলে আৰু পৰিবেশৰ বিভিন্ন উপাদানৰ লগত সামঞ্জস্য বজাই ৰাখে। এওঁলোক অতি স্বাভিমানী লোক,

নিজৰ জীৱন প্ৰণালী আৰু মৰ্য্যদাৰ প্ৰতি সদা সচেতন। এওঁলোকৰ বহুতে নিজৰ মাতৃভূমি আৰু সংস্কৃতি ৰক্ষা কৰাৰ বাবে বৃটিছৰ বিৰুদ্ধে বাহাদুৰিৰে যুদ্ধ কৰিছিল। ১৮৫৫ চনৰ আদিবাসী বিদ্ৰোহ আৰু বীৰছা মুণ্ডাৰ নেতৃত্ব ইয়াৰ উপযুক্ত উদাহৰণ।

যিহেতু জনজাতিসকলৰ বাসভূমিসমূহ দুৰ্গম এলেকা আৰু পাহাৰীয়া অঞ্চলত অৱস্থিত সেইবাবে তেওঁলোক আধুনিক জীৱনৰ ঔদ্যোগিক তথা ৰাজনৈতিক ক্ষেত্ৰৰ পৰা আঁতৰত থাকিব লগা হয়। যিটো তেওঁলোকৰ বাবে নিশ্চিতভাৱে ক্ষতিকাৰক। তেওঁলোকৰ সতি সন্ততিয়ে শিক্ষা আহৰণ কৰাৰ বাবে অন্য ভাষা ব্যৱহাৰ কৰিব লগা হয় বাবে এই ভাষা তেওঁলোকৰ বাবে বোজা হিচাপে আৰু বিদেশী ভাষা হিচাপেহে পৰিগণিত হয়। সমস্যা এয়াই যে তেওঁলোকৰ নিজা সংস্কৃতি আৰু পৰম্পৰা বিদ্যালয় পাঠ্যক্ৰমত কেতিয়াবাহে প্ৰতিফলিত হয় যাৰ বাবে বিদ্যালয়ত লাভ কৰা শিক্ষাসমূহক জীৱনৰ লগত সম্পৰ্কিত কৰিব পৰা নাযায়। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ (১৯৮৬) মতে, “শিক্ষাৰ সকলো পৰ্যায়ৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা হ'ব জনজাতীয় লোকসকলৰ চহকী সাংস্কৃতিক পৰিচয় আৰু সৃষ্টিশীল প্ৰতিভা সম্বন্ধে সচেতনতা বৃদ্ধি কৰাৰ বাবে।” সমাজ বিজ্ঞান হৈছে এনে এক যথোপযুক্ত বিষয় যিয়ে জনজাতীয় লোকসকলৰ ইতিহাস, সংস্কৃতি, পৰিবেশ আৰু বিকাশ সম্বন্ধে আলোচনা কৰে।

**কাৰ্যকলাপ ঃ ৪**

১) লোকপিয়লৰ তথ্য অনুযায়ী ভাৰতবৰ্ষ আৰু আপোনাৰ ৰাজ্যত লৈংগিক অনুপাত বৰ্ণনা কৰক। (১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্য)

২) অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু সাধাৰণ বৰ্গৰ লোকৰ সাক্ষৰতাৰ হাৰৰ তুলনা আগবঢ়োৱা। অনুসূচীত জাতি, জনজাতি আৰু সাধাৰণ বৰ্গ শ্ৰেণীৰ পুৰুষ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰৰ তুলনা আগবঢ়োৱা। আপুনি পৰ্যবেক্ষণ কৰি কি পালে লিখক। কোনবোৰ শ্ৰেণীক শৈক্ষিকভাৱে পিছপৰা বুলি আপুনি ক'ব বিচাৰিব? কোনটো শ্ৰেণীক আপুনি আটাইকেইটা শ্ৰেণীৰ মাজত শৈক্ষিকভাৱে পিছপৰা বুলি ক'ব বিচাৰিব?

৩) অনুসূচীত জাতি আৰু জনজাতিৰ ক্ষেত্ৰত কোনখন ৰাজ্যই আটাইতকৈ বেছি মনোযোগ দিয়ে? কোনখন ৰাজ্যত অন্য ৰাজ্যৰ তুলনাত অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ অৰ্থনৈতিক দিশ আৰু বিকাশৰ অৱস্থা ব্যাপক ৰূপত হৈছে তাক বিচাৰি উলিয়াওক। আপোনাৰ অধ্যয়নৰ ওপৰত ভিত্তি কৰি সহকৰ্মী আৰু শিক্ষাৰ্থীসকলৰ লগত আলোচনা কৰি ব্যাখ্যা কৰক।

৪) লোকপিয়লৰ তথ্য অধ্যয়নৰ ভিত্তিত ভাৰতবৰ্ষৰ আটাইতকৈ দুৰ্বল শ্ৰেণীটোক চিনাক্ত কৰক।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান — ৩**

১) সমাজৰ নিম্ন শ্ৰেণীৰ লোক কোনবোৰ?

২) ইতিহাসৰ নিম্ন শ্ৰেণীৰ বিদ্ৰোহ এখনৰ নাম লিখক।

৩) সাক্ষৰতাৰ হাৰৰ দিশৰ পৰা কোন শ্ৰেণী আটাইতকৈ বেছি নিম্নমানৰ?

**২.২.৭ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপট ঃ**

বৰ্তমান বিশ্বায়নৰ সময়। বৰ্তমান সময়ত বিশ্বৰ মানুহ আৰু ৰাষ্ট্ৰসমূহ আন্তঃসংযোগী আন্তঃনিৰ্ভৰশীল। পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নে পৃথিৱীৰ মানুহক আৰু ঠাইসমূহক কাষ চপাই আনিবলৈ সক্ষম হৈছে। বৰ্তমান মানুহে মুখামুখী হোৱা বেছিভাগ সমস্যাই হৈছে আন্তঃৰাষ্ট্ৰীয় সমস্যা। পৰিবেশৰ সুৰক্ষা, পৰিবেশীয় প্ৰদুষণ নিয়ন্ত্ৰণ আৰু পৰিবেশীয় সম্পদৰ উচিত ব্যৱহাৰ হৈছে সকলো মানুহ আৰু সমাজৰ মুখ্য কৰণীয়। মানৱ সমাজৰ দৌৰত প্ৰভাৱ পেলোৱা অন্য কেতবোৰ বিষয় হৈছে— বেপাৰ আৰু বাণিজ্য, আন্তঃৰাষ্ট্ৰীয় শান্তি, ৰাষ্ট্ৰসমূহৰ মাজত সংঘৰ্ষ আৰু সশস্ত্ৰ যুদ্ধৰ নিয়ন্ত্ৰণ, সন্ত্ৰাসবাদ, ভয়াবহ প্ৰাকৃতিক দুৰ্যোগ যেনে- চুনামি আদি। সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ দায়িত্ব হ'ল শিক্ষাৰ্থীসকলক এনেধৰণৰ সমগ্ৰ বিশ্বৰ লগত জড়িত বিষয়সমূহ সম্পৰ্কে সচেতন কৰি তোলা।

আধুনিক মানৱ সমাজৰ বিকাশৰ ক্ষেত্ৰত বিশ্বায়নে লৈ অনা দুটি গুৰুত্বপূৰ্ণ বিষয় গুণগত জীৱন আৰু মানৱ অধিকাৰ। বিশ্বৰ এটা প্ৰান্তত হোৱা হোৱা বিকাশে আনটো প্ৰান্তটো প্ৰভাৱ পেলায়। বিশ্বৰ বাসিন্দা সকলে বিশ্বৰ অন্য প্ৰান্তৰ মানুহৰ জীৱনত ঘটি থকা ঘটনা সন্দৰ্ভত সচেতন। কেতবোৰ গুৰুত্বপূৰ্ণ মূল্যবোধ যেনে- সমতা, স্বতন্ত্ৰতা, ন্যায় জাতিগত আৰু লৈংগিক সমতা আদি কেৱল এখন সমাজতে সীমাবদ্ধ নহয়। বিশ্বৰ বেছিভাগ সমাজ এই বিষয়সমূহৰ লগত জড়িত হ'বলৈ বাধ্য। বিভিন্ন দেশৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত এই বিষয়সমূহ অন্তৰ্ভূক্ত কৰা হয়।

বিশ্বৰ অন্য প্ৰান্তৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত কি চলি আছে সেয়া আলোচনা কৰো আহক।

উদাহৰণ হিচাপে দক্ষিণ আফ্ৰিকাৰ সমাজ বিজ্ঞানৰ বিজ্ঞানৰ পৰা আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ প্ৰভাৱৰ বিষয়ে ক'ব পৰা যায়। দক্ষিণ আফ্ৰিকাৰ সংশোধিত ৰাষ্ট্ৰীয় পাঠ্যক্ৰমে আঠটা প্ৰধান ক্ষেত্ৰৰ ভিতৰত সমাজ বিজ্ঞানকো অন্তৰ্ভূক্ত কৰিছে। সমাজ বিজ্ঞানে অধ্যয়ন কৰা ক্ষেত্ৰসমূহৰ ভিতৰত মানুহৰ মাজত থকা সম্পৰ্ক, মানুহ আৰু প্ৰকৃতিৰ মাজত থকা সম্পৰ্ক, লগতে এইসমূহৰ ওপৰত সমাজ, ৰাজনীতি, অৰ্থনীতি আৰু পৰিবেশৰ প্ৰভাৱ তথা মানুহৰ মনোভাৱ, মূল্যবোধ, বিশ্বাস আদিক সামৰি লোৱা হয়।

ইতিহাস, ভূগোল, পৰিবেশীয় শিক্ষা, মানৱ অধিকাৰ বিষয়ক শিক্ষা আদি বিষয়ৰ ধাৰণা, পদ্ধতি, কৌশল আদিক এই ক্ষেত্ৰৰ অন্তৰ্ভূক্ত কৰি লোৱা হয়। সমাজ বিজ্ঞানৰ শিক্ষা ক্ষেত্ৰৰ অন্তৰ্গত বিষয় হ'ল শিক্ষাৰ্থীয়ে কি শিকিছে, কেনেদৰে শিকিছে আৰু জ্ঞানক সংগঠিত কৰিছে। শিক্ষাৰ্থীসকলক প্ৰশ্ন সুধিবলৈ আৰু তেওঁলোকে বাস কৰা সমাজ আৰু পৰিবেশ সন্দৰ্ভত উত্তৰ বাচি উলিয়াবলৈ অনুপ্ৰাণিত কৰা হয়। শিক্ষাৰ এই ক্ষেত্ৰসমূহৰ জ্ঞানী, দায়িত্বশীল আৰু সুক্ষ্মদৃষ্টি সম্পন্ন নাগৰিকৰ সৃষ্টি কৰাটো দায়িত্ব যাতে এইসকল নাগৰিকে সাংস্কৃতিক ভাৱে ভিন্ন আৰু পৰিৱৰ্তনশীল সমাজৰ সংগঠন অংশগ্ৰহণ কৰিবলৈ সমৰ্থ হয়। ন্যায় সংগত আৰু লোকতান্ত্ৰিক সমাজৰ বিকাশৰ বাবে শিক্ষাৰ্থীসকলক সমৰ্থবান কৰি তোলাটো আশা কৰা হয়। পাঠ্যক্ৰমৰ লক্ষ্য হৈছে সচেতনতাৰ বিকাশ সাধন কৰা যাতে অৰ্থনৈতিক আৰু সামাজিক

অসমতা অতিক্ৰম কৰিব পৰা আৰু বৰ্ণবাদহীন দেশৰ ভৱিষ্যত নিৰ্মাণ কৰিব পৰা যায়। (জাতিবাদ আৰু লিংগভেদ সামৰি) সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ উপাদানসমূহে ইতিহাসৰ অতীত আৰু বৰ্তমানৰ কৌশলগত অনুসন্ধান, ভূগোলৰ পদ্ধতি, মানুহৰ আন্তঃসম্পৰ্ক, পৰিবেশ আৰু সম্পদসমূহ, বুৰঞ্জীৰ বিশ্লেষণাত্মক কৌশল, আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু বিশ্বৰ পৰিপ্ৰেক্ষিতত বিকাশৰ বিভিন্ন সমস্যাৰ বিশ্লেষণ, সাংবিধানিক মূল্যবোধ, মানৱ অধিকাৰ আৰু পৰিবেশীয় সমস্যাসমূহ অন্তৰ্ভূক্ত কৰে। পাঠ্যক্ৰমে শিক্ষাৰ্থীসকলক বিভন্ন বিষয় যেনে- জাতি, শ্ৰেণী, লিংগ, বিদেশী ভীতি, জাতিবোধ আদি জনাটো বিচাৰে আৰু এইবোৰৰ অতীত আৰু বৰ্তমানত পৰা প্ৰভাৱৰ বিষয়ে অনুসন্ধান কৰাটো বিচাৰে। পাঠ্যক্ৰমে অতীত আৰু বৰ্তমানৰ শক্তিৰ সম্পৰ্ক পৰীক্ষা কৰাটোক গুৰুত্বপূৰ্ণ বুলি ভাৱে আৰু ইয়াত সম্পদৰ বিতৰণ, ৰাজনৈতিক ক্ষমতাৰ অনুশীলন, লিংগ সম্পৰ্ক আৰু এইবোৰে মানুহৰ জীৱনত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰি আহিছে তাক অধ্যয়ন কৰে। দক্ষিণ আফ্ৰিকা আৰু বিশ্বৰ অন্য প্ৰান্তৰ নাগৰিকসকলে সন্মুখীন হোৱা সামাজিক, নৈতিক, অৰ্থনৈতিক সমস্যাসমূহ সম্পৰ্কে শিক্ষাৰ্থীসকলক পাঠ্যক্ৰমে সচেতন কৰি তোলে।

**২.২.৮ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত প্ৰচলিত চিন্তা আৰু কাৰ্য ঃ**

National curriculum Framework (NCF) 2005 এ সমাজ বিজ্ঞানৰ বাবে বিতং আঁচনি আগবঢ়াইছে। সমাজ বিজ্ঞানে সমাজৰ বিভিন্ন সচেতনতাবোৰ আবৰি ধৰে আৰু বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, সমাজতত্ত্ব আৰু নৃতত্ত্ব আদি এক সুদূৰ প্ৰসাৰী দুৰত্ব অন্তৰ্ভূক্ত কৰে। এই শিক্ষানীতিয়ে ছাত্ৰ-ছাত্ৰীৰ সজাগতা বৃদ্ধিৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰে আৰু পৰিচিত সামাজিক বাস্তৱতাক কৌশলেৰে উদ্ভাৱন কৰে। ই শিকাৰুসকলক সামাজিক, সাংস্কৃতিক আৰু বিশ্লেষণৰ কৌশল শিকাব বিচাৰে, যিয়ে বাঢ়ি অহা আন্তঃনিৰ্ভৰশীল বিশ্বখনৰ সতে নিজকে খাপ খুৱাবলৈ শিকাব আৰু ৰাজনীতি আৰু অৰ্থনীতিৰ বাস্তৱ কথাবোৰৰো সম্যক জ্ঞান দিব। NCF (2005) ৰ মতে সমাজ বিজ্ঞানে মূল্যবোধৰ এক শক্তিশালী জ্ঞান, যাৰ নাম স্বাধীনতা, বিশ্বাস, পাৰস্পৰিক সন্মান যিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত অতি নৈতিক আৰু মানসিক শক্তি প্ৰদান কৰে আৰু এনে মূল্যবোধলৈ ভাবুকি আনিব পৰা সেই সামাজিক অপশক্তিবোৰৰ পৰা সাৱধানে থাকিবলৈ শিকায়।

সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমে এতিয়াও উন্নতিকামী কথাবোৰত অধিক জোৰ দি আহিছে। সমতা, ন্যায্যতা, আৰু সমাজত মৰ্যাদা আদিৰ দৰে সহজ আকৃতিৰ বিষয়বোৰ বুজি পোৱাটো প্ৰয়োজনীয় যদিও যথেষ্ট নহয়। বিকাশত সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত ব্যক্তিৰ ভূমিকা অতি দৃঢ় কৰা হৈছে বুলি NCF (2005) এ লিখিছে।

এইটোও পৰামৰ্শ দিয়া হৈছে যে “নাগৰিক তত্ত্ব”ৰ পৰিৱৰ্তে “সমাজ বিজ্ঞান” নামটো ব্যৱহাৰ কৰা হওঁক। ঔপনিবেশিক কালচোৱাত শাসকসকলৰ ওপৰত আনুগত্যহীনতা দেখুৱাবলৈ ভাৰতীয় শিক্ষা নীতিত নাগৰিক তত্ত্বই ভূমুকি মাৰিছিল। নাগৰিক তত্ত্বক অধিক জোৰ দিয়া হৈছিল নম্ৰতা আৰু আনুগত্যৰ মূল উপাদান হিচাপে লৈ। সাধাৰণ সমাজখনক ৰাজনীতি বিজ্ঞানে এক চক্ৰ অথবা মণ্ডল হিচাপে গণ্য

কৰিছিল। যিয়ে স্পৰ্শ কাতৰ, প্ৰশ্নসূচক, উদাৰ আৰু পৰিৱৰ্তনকামী নাগৰিক হিচাপে গঢ়ি তুলিব পাৰে। ৰাজনীতি বিজ্ঞানৰ পাঠ্যক্ৰমত এটা প্ৰয়োজন অনুভৱ কৰা হৈছে, যিয়ে জাতীয় যথাৰ্থতা আৰু স্থানীয় মানসিক ক্ৰিয়াৰ মাজত সন্তুলন আনিব আৰু পৃথিৱীৰ আন অংশৰ বিকাশৰ উদ্ধৃতিৰে জাতীয় বুৰঞ্জী শিকাব। ইয়ে স্থানীয়, জাতীয় আৰু পৃথিৱীৰ অৱস্থাৰ মাজত এক তুলনামূলক দৃষ্টিভংগী প্ৰদান কৰিব। এতিয়া শিক্ষা নীতিয়ে সমসাময়িক ঘটনা আৰু মানৱ অধিকাৰ পাৰিপাৰ্শ্বিকতাৰ অবক্ষয়, জনসংখ্যা বৃদ্ধি, জাতীয় সংহতি, দৰিদ্ৰতা, নিৰক্ষৰতা, শিশু আৰু চুক্তিভুক্ত শ্ৰমিক, লিংগ বৈষম্য, শ্ৰেণী বৈষম্য, জাতিগত ভেদভাৱ আদিৰ দৰে প্ৰচলিত বিষয়বোৰৰ চৰ্চা কৰিব। শিশুৰ স্বাস্থ্য, বয়সন্ধিৰ সময়ত হোৱা পিতৃ-মাতৃ, সমবয়সীয়া গোট, বিপৰীত লিংগ আৰু সাধাৰণ বয়স্ক জগতখনৰ ওপৰত কৰিব খোজা অধিকাৰ আদিৰ দৰে বিষয়বোৰৰ উন্নতি কৰাৰো প্ৰয়োজন আছে। এই শিক্ষানীতিত বিশ্বায়নৰ প্ৰতিযোগিতা খনৰ ক্ষেত্ৰ ঢুকি পাব পৰাকৈ মানদণ্ড উন্নতকৰণৰো প্ৰয়োজন আছে।

উচ্চ প্ৰাথমিক পৰ্যায়ত বিশ্বৰ অন্য প্ৰান্তত ঘটি থকা ঘটনাসমূহৰ তথ্য বিকাশৰ বিভিন্ন দিশ সমূহৰ ধাৰাৰ লগত সংগতি ৰাখি ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিকাশৰ বিষয়ে ইতিহাসে ধ্যান দিব। ভূগোলে আঞ্চলিক পৰ্যায়ৰ পৰা বিশ্বজনীন পৰ্যায়লৈ বিভিন্ন দিশ যেনে— পৰিবেশ, সম্পদ আদিৰ বিভিন্ন স্তৰত বিকাশ ঘটোৱাৰ বাবে সন্তুলিত পৰিস্থিতিৰ সৃষ্টি কৰাত সহায় কৰিব। ৰাজনীতি বিজ্ঞানত শিক্ষাৰ্থীক চৰকাৰৰ আঞ্চলিক, ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ত গণতান্ত্ৰিক অংশ গ্ৰহণৰ প্ৰক্ৰিয়াৰ বিষয়ে তথ্য আৰু কাৰ্যপ্ৰণালী জনাত সহায় কৰিব। অৰ্থনৈতিক ক্ষেত্ৰই শিক্ষাৰ্থীক পৰিয়াল, ৰাজ্য আৰু বজাৰ অৰ্থনীতি নিৰীক্ষণ কৰাত সহায় কৰে। ইয়াৰ উপৰিও এইসমূহৰ বহুমুখী বিষয়ক দিশসমূহ সামৰিও এক অনুচ্ছেদ অন্তৰ্ভূক্ত হৈ আছে।

বৰ্তমান পাঠ্যক্ৰমে পাঠ্যপুথিৰ ধাৰণাক অধিক বিচাৰমুখী কৰি তোলাৰ বাবে অধিক নিৰ্দেশনাত্মক কৰি তোলাটোৰ বিৰোধিতা কৰে। শিক্ষণ শিকন প্ৰক্ৰিয়া অধিক পুনৰুদ্দীপিত হ'ব লাগে যাতে শিক্ষাৰ্থীসকলক জ্ঞান আহৰণ কৰাত আৰু পাৰস্পৰিক প্ৰভাৱমূখী পৰিবেশত কৌশল প্ৰকাশ কৰাত সহায় কৰে। সমাজ বিজ্ঞানে সৃষ্টিশীলতা, সৌন্দৰ্যবোধ আৰু চিন্তন প্ৰক্ৰিয়াৰ বিকাশ সাধন কৰি শিশুসকলক অতীত আৰু বৰ্তমানৰ মাজত যোগসূত্ৰ স্থাপন কৰাত আৰু সমাজত ঘটি থকা পৰিৱৰ্তনসমূহ উপলব্ধি কৰিবৰ বাবে উপযুক্ত পদ্ধতি গ্ৰহণ কৰিব লাগে। সমস্যা সমাধান, নাটকীয় ৰূপান্তৰ, বাৰ্তালাপ, গতিবিধি আদি কেতবোৰ অগতানুগতিক কৌশল যিবোৰ এই ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা যায়। শিক্ষণ প্ৰক্ৰিয়াই কেতবোৰ গুৰুত্বপূৰ্ণ দৃশ্য-শ্ৰব্য সজুঁলি যেনে ফটোগ্ৰাফ, চাৰ্ট. মেপ, পুৰাতাত্বিক প্ৰতিকৃতি, ভৌতিক সংস্কৃতি আদিৰ প্ৰয়োগ কৰিব পাৰে। শিক্ষণ প্ৰক্ৰিয়াক অধিক অংশমুখী কৰি তোলাৰ বাবে তৰ্ক আৰু আলোচনাচক্ৰ বাদ দি অধিক তথ্যমূলক কৰি তোলাটো বাঞ্চনীয়। শিক্ষাৰ এনে প্ৰক্ৰিয়াই শিক্ষক আৰু শিক্ষাৰ্থী উভয়কে সামাজিক ভাৱে দায়বদ্ধ কৰি তোলে। শিক্ষণৰ দৃষ্টিকোণ সদায় মুক্ত সমাপ্তমুখী হোৱাটো বাঞ্চনীয়। শিক্ষকে শ্ৰেণীকোঠাত বিভিন্ন সামাজিক বাস্তৱ দিশসমূহ আলোচনা কৰিব লাগে আৰু শিক্ষাৰ্থীৰ মাজত আত্মসচেতনতা বৃদ্ধি কৰাৰ বাবে কাৰ্যকলাপৰ ব্যৱস্থা কৰিব লাগে।

**ক্ৰিয়া কলাপ ঃ ৫**

১) ভাৰতবৰ্ষ আৰু দক্ষিণ আফ্ৰিকাৰ সমাজ বিজ্ঞানৰ পাৰ্থক্য সমান্তৰালভাৱে আলোচনা কৰা। উভয় দেশৰ মাজত থকা সাদৃশ্যমূলক উপাদান আৰু সমস্যাসমূহ আলোচনা কৰা।

২) ভাৰতবৰ্ষৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰিব লগা বিষয় আৰু সমস্যাসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

৩) ভাৰতবৰ্ষৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়াসমূহ লিখা।

**অগ্ৰগতিৰ খতিয়ান — ৪**

১) বেছিভাগ দেশত দেখিবলৈ পোৱা সমস্যাসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

২) দক্ষিণ আফ্ৰিকাৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ শিক্ষণ ক্ষেত্ৰ কোনবোৰ?

৩) ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা, ২০০৫ অনুযায়ী নাগৰিক শাস্ত্ৰৰ ঠাইত ব্যৱহাৰ কৰা নামটো কি?।

৪) ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫ অনুযায়ী বৰ্তমানৰ পাঠক্ৰমে পাঠ্যপুথিৰ ধাৰণাক পৰিৱৰ্তন কৰিবলৈ প্ৰয়াস কৰে। কি ধৰণৰ পৰিৱৰ্তনৰ পৰামৰ্শ প্ৰদান কৰা হয়।

## ২.৩ সাৰাংশ

সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমৰ বিকাশ আৰু ৰূপান্তৰকৰণত বিভিন্ন বিকাশে অৰিহণা যোগাইছিল। ঔপনিবেশিক সময়চোৱাত সমাজ বিজ্ঞান বিষয়টোৰ উৎপত্তি হৈছিল আৰু বিভিন্ন বিকাশে ইয়াৰ পাঠ্যক্ৰমক প্ৰভাৱিত কৰিছিল। এই সময়ৰ বিকাশে সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত স্থায়ী প্ৰভাৱ পেলাইছে, বিশেষকৈ ভাৰতৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত, ভাৰতৰ জনসংখ্যাৰ লোকপিয়ল, শিক্ষাৰ ইংৰাজ পদ্ধতি, ভাৰতবৰ্ষৰ উপমহাদেশীয় জৰীপকৰণ আদি। বৃটিছসকলে তেওঁলোকৰ শাসনক উচিত বুলি প্ৰতিপন্ন কৰিবলৈ ভাৰতৰ ইতিহাসৰ নেতিবাচক বিষয়, সংস্কৃতি আৰু সমাজত সভ্যতাৰ চাপ দিবলৈ ইউৰোপীয়ান সংস্কৃতিক উচ্চ বুলি বিবেচনা কৰিছিল। ঔপনিবেশিক শাসনৰ সময়চোৱাত ভাৰতত ববলৈ ধৰা ৰাষ্ট্ৰবাদী ভাবনাই বৃটিছে প্ৰস্তুত কৰাৰ বিপৰীতে বৈপ্লৱিক সামগ্ৰীৰ ধাৰণা প্ৰস্তাৱিত কৰিছিল আৰু তাৰ দ্বাৰা সমাজ বিজ্ঞানৰ পাঠ্যক্ৰম প্ৰভাৱিত কৰিছিল। স্বাধীনতাৰ পাছত নতুন মূল্যবোধ আৰু উপলব্ধি ভাৰতৰ সংবিধানত প্ৰতিফলিত হৈছিল। সমাজবাদ, স্বতন্ত্ৰতা, ধৰ্মনিৰপেক্ষতা, সমতা, ন্যায় আৰু ভাতৃত্ববোধ আদি মুল্যবোধ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত দেখা পোৱা গৈছিল। সমাজ বিজ্ঞানৰ নতুন পাঠ্যক্ৰমত কেতবোৰ বিষয় যেনে- বৈষম্য, জাতীয় সংহতি, আন্তঃৰাষ্ট্ৰীয় বুজাপৰা, পৰিৱেশ, বিকাশ ইত্যাদি অন্তৰ্ভূক্ত হয়। নিম্ন শ্ৰেণী, লিংগ, জাতি-জনজাতি আদি বিষয়কো ভাৰতীয় সমাজত গুৰুত্ব দিয়া হয়। গতিকে এই বিষয়সমূহকো সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত গুৰুত্ব দিয়া হয়।

দক্ষিণ আফ্ৰিকাৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমে আমাক অন্য দেশৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত কি আছে তাক জনাত সহায় কৰে। ই আমাক দুখন ৰাষ্ট্ৰৰ সামাজিক বিষয়ৰ মাজত থকা সাদৃশ্য জনাত সহায় কৰে

আৰু দুয়ো দেশৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত থকা সমাজৰ বিষয়সমূহ জনাত সহায় কৰে। ভাৰতবৰ্ষৰ বৰ্তমানৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত থকা ৰাষ্ট্ৰীয় চিন্তাসমূহে জটিল ৰাষ্ট্ৰীয় আৰু সামাজিক বিষয়সমূহক শিক্ষণ শিকন প্ৰক্ৰিয়ত গুৰুত্ব সহকাৰে অন্তৰ্ভূক্ত কৰায় যাতে শিক্ষাৰ্থীসকলে সমাজক উপলব্ধি কৰাৰ বাবে নিজৰ জ্ঞানক সংগঠিত কৰিব পাৰে।

## ২.৪ আপোনাৰ অগ্ৰগতিৰ খতিয়ানৰ বাবে উত্তৰসমূহ

**অগ্ৰগতিৰ খতিয়ান — ১**

১) জেমচ মিল।

২) জেমচ প্ৰিন্সেপ।

৩) দেশৰ বিষয়ে জানিবলৈ মানচিত্ৰ নিৰ্ণয়।

৪) বৰোদাৰ মহাৰাজ শিয়াজিৰাও গাইকোৰাৰ্ড।

**অগ্ৰগতিৰ খতিয়ান — ২**

১) গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা, সমাজবাদ, সমতা, স্বতন্ত্ৰতা, ন্যায় আৰু ভাতৃত্ববোধ।

২) মাধ্যমিক শিক্ষা আয়োগ, ১৯৪৮-৪৯

৩) ৰাষ্ট্ৰীয় শিক্ষা নীতি, ১৯৮৬

৪) UNO, UNESCO, UNICEF আদি।

**অগ্ৰগতিৰ খতিয়ান — ৩**

১) নিম্ন শ্ৰেণীয়ে সমাজৰ শোষিত আৰু সংখ্যলঘু সকলক বুজায়।

২) আদিবাসী উত্থান (১৮৫৫) চম্পাৰন সত্যাগ্ৰহ (১৯১৭-১৮), বৰদলি সত্যাগ্ৰহ।

৩) জনজাতীয় মহিলা।

**অগ্ৰগতিৰ খতিয়ান — ৪**

১) পৰিবেশ, বেপাৰ-বাণিজ্য, মানৱ অধিকাৰ, সমতা ইত্যাদি।

২) সমাজ বিজ্ঞানৰ শিক্ষণ ক্ষেত্ৰই মানুহৰ মাজত থকা আন্তঃসম্পৰ্ক আৰু মানুহ আৰু প্ৰকৃতিৰ মাজত থকা সম্পৰ্ক অধ্যয়ন কৰে লগতে এইবোৰক প্ৰভাৱিত কৰা বিভিন্ন বিষয় যেনে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু পৰিবেশ লগতে মানুহৰ মনোভাৱ, মূল্যবোধ, বিশ্বাস আদি অধ্যয়ন কৰে।

৩) ৰাজনীতি বিজ্ঞান।

৪) পাঠপুথিসমূহ অধিক বিচাৰমূখী হোৱাতকৈ নিৰ্দেশনাত্মকহে হ'ব লাগে।

## ২.৫ আনুসাংগিক পুথিৰ নিৰ্দেশনা


- Department of Education, Pretoria, South Africa (2002). Revised National Curriculum Statement Grades R-9 (School) Social Science.
- His Castern and Western Disciples (2002) Life of Swami Vivekanandra, 2 vols Calcutta : Advaita Ashrama.
- National Policy on Education. 1986.
- NCERT (2005) National Curriculum Framework 2005. New Delhi : NCERT
- Seneviratna, Anuradha, (1994). King Asoka and Buddhism, Knndy, Sri Lanka : Buddhist Publication Society.
- Census of India (2011)
- http://asi.nic.in/asi_aboutus_history.asp
- http://www.nlm.nic.in/literacy01_nlm.htm
- http://www.censusindia.gov.in
- Thomas Babington Macaulay, "Minute on Education," in *Through Indian Eyes: The Living Tradition,* Donald J. Johnson, et al. (New York: CITE Books, 1992)


## ২.৬

**তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক।**

১) সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমক প্ৰভাৱিত কৰা ঔপনিবেশিক সময়ত হোৱা বিকাশৰ বিষয়ে আলোচনা কৰক।

২) সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হোৱা বিভিন্ন সাংবিধানিক মূল্যবোধ আৰু আদৰ্শৰ বিষয়ে ব্যাখ্যা কৰক।

৩) সমাজৰ নিম্ন শ্ৰেণী লোকসকলৰ বিষয়টো কিয় গুৰুত্বপূৰ্ণ?

৪) ভাৰতবৰ্ষত মহিলাৰ স্থান কেনেকুৱা? সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত কোনবোৰ লৈংগিক সমস্যা আলোচনা হ'ব লাগে।

৫) জনজাতীয় সমাজৰ সংস্কৃতিক সংৰক্ষণ কৰি ৰাখি ৰূপান্তৰ ঘটাব পৰা যায়নে?

৬) সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত জাতীয় সংহতি আৰু আন্তঃৰাষ্ট্ৰীয় বুজাপৰাৰ তাৎপৰ্য সমূহ কেনেদৰে বৰ্ণনা কৰা হয়?

৭) দক্ষিণ আফ্ৰিকাৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত কোনবোৰ মূল্যবোধ আৰু বিষয়ক গুৰুত্বপূৰ্ণ বুলি বিবেচনা

কৰা হয়।

৮) শিক্ষাৰ্থীক উদ্বুদ্ধ কৰিবলৈ ভাৰতবৰ্ষৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত মূল্যবোধসমূহ কি কি ?

৯) ভাৰতবৰ্ষৰ সমাজ বিজ্ঞানৰ পাঠ্যক্ৰমত উল্লেখ থকা শিক্ষণ শিকন প্ৰক্ৰিয়া সমূহ কি কি ?